# Assam Legislative Assembly Debates

सत्यमेव जयते

REFERENCE
(NOT FOR ISSUE)
Reading Only Inside Library

## OFFICIAL REPORT

NINTH SESSION OF THE ASSAM LEGISLATIVE ASSEMBLY ASSEMBLED AFTER THE EIGHTH GENERAL ELECTIONS UNDER SOVEREIGN DEMOCRATIC REPUBLICAN CONSTITUTION OF INDIA

## BUDGET SESSION

### VOL. - I

### No. 26

**Dated the 5th May, 1989**

Price Rs. 19.80

REFERENCE
(NOT FOR ISSUE)

Reading Only Inside Library.

# CONTENTS

**( Budget Session )**

Volume – I

No. 26

Dated The 5th May, 1989

| | | Page |
|---|---|---|
| 1. | Questions And Answers | 1 |
| 2. | Matter Raised During Zero Hour | 47 |
| 3. | Call Attention Notice | 50 |
| 4. | Matter Under Rule 301 | 52 |
| 5. | Private Members' Motion | 57 |
| 6. | Adjournment | 80 |

# DEBATES OF THE ASSAM LEGISLATIVE ASSEMBLY

Friday, May 5, 1989

The House met at 8-30 A. M. in the Assembly Chamber Dispur, With Mr. Speaker in the Chair,

## STARRED

## QUESTION AND ANSWERS

( To which oral answers were given )

বিষয়— চন্দ্ৰপুৰ তাপ বিদ্যুৎ কেন্দ্ৰ

শ্ৰীহেমেন দাসে সুধিছে,

* ৪৮২ মাননীয় শক্তি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) চন্দ্ৰপুৰ তাপ বিদ্যুৎ কেন্দ্ৰৰ ২য় ইউনিটটোত উৎপাদন আৰম্ভ হৈছেনে ?

(খ) যদি হৈছে, কেতিয়াৰ পৰা উৎপাদন আৰম্ভ হৈছে ?

(গ) যদি হোৱা নাই, কাৰণ দৰ্শাব ?

শ্ৰীগুনীন হাজৰীকা ( শক্তি/ বিদ্যুৎ মন্ত্ৰী ) যে উত্তৰ দিছে :

(ক) চন্দ্ৰপুৰ তাপবিদ্যুৎ কেন্দ্ৰৰ ২য় গোটৰ উৎপাদন এতিয়াও ব্যৱসায়িক ভিত্তিত কৰিব পৰা হোৱা নাই ।

(খ) প্ৰশ্ন নুঠে ।

(গ) যান্ত্ৰিক বিজুতিৰ কাৰণে এতিয়াও ব্যৱসায়িক ভিত্তিত আৰম্ভ কৰিব পৰা হোৱা নাই ।

শ্ৰীহেমেন দাস : অধ্যক্ষ মহোদয়, যান্ত্ৰিক বিজুতিৰ কাৰণেই ইয়াৰ কাম আৰম্ভ কৰিব পৰা হোৱা নাই বুলি কৈ মন্ত্ৰী মহোদয়ে সমস্ত দায় এৰাব খুজিছে। মই মন্ত্ৰী মহোদয়ৰ পৰা এটা কথা জানিব বিচাৰিছোঁ যে এই

যন্ত্ৰ থাকিয়েই বিজুতি ঘটিছে নে নথকাকৈ বিজুতি ঘটিছে সেই কথাটো জনাবনে ?

শ্ৰীগুনীন হাজৰীকা (মন্ত্ৰী) : অধ্যক্ষ মহোদয়, যন্ত্ৰ নথকাকৈ বিজুতি ঘটা নাই, যন্ত্ৰ আছে। মই ইয়াৰ এটা বিৱৰণ সদনত দাঙি ধৰিব খুজিছোঁ। চন্দ্ৰপুৰৰ ২য় গোটটো ১৮।১।৮৯ তাৰিখত প্ৰথম পৰীক্ষা মূলক ভাৱে চিন-কোনেইজ কৰি সম্পূৰ্ণভাৱে বিদ্যুৎ উৎপাদন কৰাৰ চেষ্টা চলাই বহু ৰকমে বাধা প্ৰাপ্ত হৈ মাত্ৰ ২০ মেগাৱাটা পৰ্য্যন্ত শক্তি উৎপাদন কৰিবলৈ সক্ষম হৈছিল। ১৩।৩।৮৯ তাৰিখে গোটটো ৩০ মগাৱাট উৎপাদন কৰিবলৈ সক্ষম হয়। দেখা গৈছে যে গোটটোৱে খুব কম সময়ৰ বাবেহে ৩০ মেগাৱাট উৎপাদন কৰিব পাৰিছিল, যিহেতু কম্পন আৰু অন্যান্য আসোৱাহে একে লেঠাৰিয়ে কাৰ্য্যক্ষম কৰাত বাধাৰ সৃষ্টি কৰিছিল। এই কালছোৱাত গোট-টোৱে প্ৰাই ০.৪ নিযুট ইউনিট শক্তি উৎপাদন কৰি গিডত যোগান ধৰিব পাৰিছিল। অৱস্থাটোত ব্যৱসায়িক ভিত্তিত বিদ্যুৎ উৎপাদন বুলি কব পৰা নাযায়। ইয়াৰ পিচত গোটটোৰ বিভিন্ন দোষ ত্ৰুটি মেৰামতি কৰা স্বত্বেও ৰটেটিং চিষ্টেমৰ ত্ৰুতিৰ বাবে গোটটো সম্পূৰ্ণ ভাবে লোই ব্যৱসায়িক ভিত্তিত বিদ্যুৎ উৎপাদন কৰিব পৰা হোৱা নাই। যিহেতুকে ভাৰত হেভি ইলেকট্ৰিক কো: গোটটোৰ কাৰ্বাইন আৰু জেনেৰেটৰ যোগান ধৰিছে আৰু তেওঁলাকে এইবিলাক স্থাপন কৰিছে, সেয়ে এই কেম্পানীয়ে গোটটো মেৰা-মতিকৰে যদিও ইয়াৰ পিচত পুনৰ গোটটো চলাই ইয়াৰ পৰা কোনো ভাল ফল পোৱা হোৱা নাই। গোটটোৰ গৱৰ্ণৰ অস্থিৰ ভাৱে ঘুৰি ফুৰাৰ বাবে গতি নিয়ন্ত্ৰক মটৰ আদি জ্বলি যায় আৰু কনডেনচাৰ এক্সট্ৰাকচন পাম্প সঘনে বন্ধ হৈ গৈছিল। এতিয়া আকৌ সকলো বিলাক অনুসন্ধান কৰি উক্ত কোম্পানীয়ে মেচিনটো মেৰামতি কৰি আছে আৰু পৰিষদক নিশ্চিত কৰি দিছে যদিহে অন্যান্য সকলো দিশ ঠিক থাকে তেতিয়া হলে এই গোটটোৱে মে মাহৰ মাজ ভাগৰ পৰা ব্যৱসায়িক ভিত্তিত বিদ্যুৎ উৎপাদন কৰিব বুলি আশা কৰা হৈছে।

Shri Binai Khungur Basumatari : Why is it that there is no current in our MLA's Hostel complex since this morning ?

শ্ৰীগুনীন হাজৰিকা (মন্ত্ৰী): অধ্যক্ষ মহোদয়, কাহিলিপাৰাত থকা বিদ্যুৎ যোগান কেন্দ্ৰটোৰ এক বিশেষ যন্ত্ৰ জ্বলি যোৱাৰ কাৰণেই যোৱা ৰাতিৰ পৰা বিজুলি যোগান বন্ধ হৈ আছে।

শ্ৰীশান্তি ৰঞ্জন দাসগুপ্ত: অধ্যক্ষ মহোদয়, চন্দ্ৰপুৰ তাপ বিদ্যুৎ কেন্দ্ৰৰ বাবে যি যন্ত্ৰ কিনা হৈছিল সেইবোৰ ভাৰত হেভি ইলেকট্ৰিকেলৰ পৰা কিনা হৈছিল নে অন্য কৰবাৰ পৰা কিনা হৈছিল সেইটো মন্ত্ৰী মহোদয়ে জনাবনে?

শ্ৰীগুনীন হাজৰিকা (মন্ত্ৰী): অধ্যক্ষ মহোদয়, এইবোৰ ভাৰত হেভি ইলেকট্ৰিকেলৰ পৰা লোৱা হৈছে।

Starred Question No. 483 was not called for. However, written replies deemed to have been laid on the table as follows:

বিষয়: মৰান পৰিবহন নিগমৰ আস্থান

শ্ৰীকিৰণ কুমাৰ গগৈয়ে সুধিছে:

*৪৮৩। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে:

(ক) ডিব্ৰুগড় জিলাৰ অন্তৰ্গত মৰান পৰিবহন নিগমৰ আস্থানটো সামান্য বৰষুণৰ পানীত ডুব যোৱা কথাটো চৰকাৰে জানে নে?

(খ) যদি জানে উক্ত আস্থানটো উন্নয়নৰ বাবে চলিত বছৰত কিমান টকা মঞ্জুৰী দিছে?

(গ) উক্ত আস্থানটোৰ উন্নয়নৰ কাম কেতিয়াৰ পৰা আৰম্ভ হব?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত (মুখ্য মন্ত্ৰী) য়ে উত্তৰ দিছে:

(ক) অসম ৰাজিক পৰিবহন নিগমৰ মৰান আস্থানৰ চোতালখন ডাঙৰ আৰু লেৰা-নেপেৰা বৰষুণ হলে আংশিক ভাবে ডুব যায়।

(খ) চলিত ১৯৮৯-৯০ চনত ৮০ হেজাৰ টকাৰ মঞ্জুৰীৰ প্ৰস্তাৱ মৰান আস্থানৰ উন্নয়নৰ বাবে কৰা হৈছে।

(গ) উক্ত আস্থানৰ উন্নয়নৰ ভিতৰত "কালভাৰ্ট" নিৰ্মানৰ কাম ইতিমধ্যে সম্পূৰ্ণ কৰা হৈছে আৰু চোতাল উন্নয়নৰ কাম ১৯৮৯-৯০ চনৰ দ্বিতীয় বছৰত আৰম্ভ কৰা হব।

বিষয়: পৰিবহন নিগমৰ লাভ লোকচান।

শ্ৰীপদ্ম নাথ কৈৰীয়ে সুধিছে:

*৪৮৪। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে:

(ক) ১৯৮৬ৰ পৰা ১৯৮৮ চনলৈকে ৰাজ্যিক পৰিবহন নিগমত কিমান টকা লাভ বা লোকচান হ'ল?

(খ) যদি লোকচান হৈছে, তেন্তে উল্লেখিত চনৰ কোন বছৰত কিমান টকা লোকচান হৈছে?

শ্ৰীসুৰেন্দ্ৰ নাথ মেধী (আইন মন্ত্ৰী) পৰিবহন মন্ত্ৰীৰ হৈ উত্তৰ দিছে।

(ক) ১৯৮৫-৮৬ৰ পৰা ১৯৮৭-৮৮ চনৰ বিত্তীয় বছৰ কেইটাত মুঠ লোকচান ৩,১২৭,৭৪ লাখ টকা।

(খ) উল্লেখিত বছৰ কেইটাত লোকচানৰ পৰিমাণ তলত দিয়া ধৰণৰ

| বছৰ | লোকচান (লাখৰ হিচাপত) |
|---|---|
| ১৯৮৫ ৮৬ | ১,০৬৬,২৩ টকা |
| ১৯৮৬-৮৭ | ৮৫১ ১৫ ,, |
| ১৯৮৭ ৮৮ | ১২১০,৩৬ ,, |

শ্ৰীপদ্ম নাথ কৈৰী : অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ৰ উত্তৰৰ পৰা জানিব পৰা গৈছে যে উল্লেখিত বছৰ কেইটাত ৰাজ্যিক পৰিবহন নিগমে লোকচান ভৰি আছে আমিও এই পৰিবহন নিগমৰ বাছৰ যাত্ৰী। মই যিমান দিন এই বাছত অহা যোৱা কৰিছো কেতিয়াও কোনো এখন বাছ খালি যোৱা দেখা নাই। সকলো সময়তে এই বাছত ভিৰ থাকে। গতিকে কেনেকৈ এই নিগমে লোকচান ভৰিব লগা হৈছে মন্ত্ৰী মহোদয়ে জনাবনে?

শ্ৰীসুৰেন্দ্ৰ নাথ মেধি (মন্ত্ৰী) : অধ্যক্ষ মহোদয়, এই নিগমে জন্মৰ পৰাই লোকচান ভৰি আছে। এই নিগমে বিভিন্ন কাৰণত লোকচান ভৰিব লগা হয় ১। বিভিন্ন কাৰণত গাড়ীবোৰ নিস্ক্ৰিয় হৈ থাকে, ২। গাড়ীবোৰ মেৰামতিত যথেষ্ট ধনৰ খৰচ, ৩. বিভিন্ন কাৰণত অসম বন্ধ আদিৰ লেখিয়া কাৰণ বোৰৰ কাৰণে গাড়ীৰ চলাচল বন্ধ হৈ থকা ৪। বানপানী আদি প্ৰাকৃতিক দুৰ্য্যোগৰ কাৰণে গাড়ীৰ চলাচল বন্ধ হৈ থকা আদি কাৰণ বোৰৰ ফলতে এই নিগমে বিশেষকৈ লোকচান ভৰিব লগা হয়। এই খিনিতে মই এটা কথা কব খোজো যে আজি আমাৰ পৰিবহন নিগমেই লোকচান ভৰিছে তেনে নহয়, মহাৰাষ্ট্ৰ, গুজৰাট, উত্তৰ প্ৰদেশ, অন্ধ্ৰ প্ৰদেশ আদি ৰাজ্য বোৰৰ পৰিবহন নিগমেও লোকচান ভৰি আছে।

শ্ৰীপদ্ম নাথ বৈৰী : অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ে এই নিগমে লোকচান হোৱাৰ কাৰণবোৰ দৰ্শাইছে। কিন্তু মোৰ বোধেৰে উক্ত কাৰণবোৰ যদিয়ো মানি লবলগা তাৰ বাহিৰেও আমাৰ এই নিগমৰ প্ৰত্যেক খন গাড়ীত হিচাপমতে ৮-৯ জন মানকৈ নিযুক্তি দিয়া হৈছে। ইয়াৰ তুলনাত অন্যান্য বেচৰকাৰী বাছ বোৰত ৩-৪ জন মানহে কৰ্মচাৰী নিযুক্তি দিয়া হয়। সেই কাৰণে তেওঁলোকে কোনো দিন লোকচান নভৰে। মই নিজে এটা কথা জানো যে বিগত দুটা বছৰত নগাওঁত অবৈধ ভাৱে কেই-বাজনো কৰ্মচাৰী নিযুক্তি দিয়া হৈছিল যাৰ কোনো প্ৰয়োজন নাছিল। এনে ধৰণে দিয়া অতিৰিক্ত কৰ্মচাৰী সকলৰ ক্ষেত্ৰত কি ব্যৱস্থা লোৱা হব সেই বিষয়ে জনাবনে? ইয়াৰোপৰি অনান্য ৰাজ্য বিলাকৰ তুলনাত আমাৰ ৰাজ্যত এই নিগমে অধিক লোকচান ভৰিছে। ইয়াৰ কাৰণ বোৰ কি?

Shri Debeswar Bora : On a point of clarification Sir. After I have taken over the charge of Chairman, ASTC no new appointment has been made.

Mr. Speaker : Please sit down. You are not required to answer. Minister will do that.

শ্ৰীসুৰেন্দ্ৰ নাথ মেধি (মন্ত্ৰী) : অধ্যক্ষ মহোদয়, ৰাজ্যিক পৰিবহন নিগমৰ ক্ষেত্ৰত অন্যান্য ৰাজ্যতো কেনে ধৰণে লোকচান হৈছে মই তাৰ কেইটামান উদহৰণ দিব খুজিছো। ১৯৮৫-৮৬ চনত মহাৰাষ্ট্ৰই ১৬৯০·৬৫ লাখ টকা, গুজৰাটে ৪৩৭৫·৫৭ লাখ টকা, কৰ্ণাটক ১৪১৩·৫১ লাখ টকা উত্তৰ প্ৰদেশত ১৫৬৫·৮৯ লাখ টকা লোকচান ভৰিছিল। গতিকে উক্ত বছৰ কেইটাত এই নিগম সমুহেও আমাতকৈ কম লোকচান ভৰা নাছিল। ইয়াৰোপৰি মাননীয় সদস্য গৰাকীয়ে যি অতিৰিক্ত কৰ্মচাৰী নিয়োগ কৰা কথা কৈছে তেনে আৰু অভিযোগ পোৱা হৈছে আৰু এই বিষয়টো চৰকাৰৰ দৃষ্টি গোচৰ হৈছে। এই নিগমটোত যে কৰ্মচাৰীৰ সংখ্যা তুলনা মূলক ভাৱে বেছি হৈছে সেই বিষয়ে ইতিমধ্যে চোৱা চিতা কৰা হৈছে আৰু কেনেকৈ এই আসোৱাহ বোৰ দুৰ কৰিব পৰা যায় তাৰ কাৰণেও ব্যৱস্থা লোৱা হৈছে।

শ্ৰীখহিদুল ইচলাম : অধ্যক্ষ মহোদয়, পৰিবহন নিগমত লোকচান

হোৱা বুলি কৈছে। এই নিগমেই মৰিলো বুলি কয় যে এই নিগমেই আমাক মাৰিলে ইয়াৰ প্ৰতিকাৰৰ কিবা ব্যৱস্থা লব নেকি? মোৰ ২ নং প্ৰশ্ন হৈছে ভাৰতবৰ্ষৰ বিভিন্ন বিশেষকৈ দিল্লী পৰিবহনে যত ইমান বেছি গাড়ী আছে যত চুকে কোনে গাড়ী চলায় তাত লোকচান হোৱা নাই তাত মাত্ৰ এজন ড্ৰাইভাৰ এজন কণ্ডাক্টৰ মানুহবিলাক পিছফালেদি উঠে সন্মুখেদি উঠাৰ কোনো নিয়ম নাই, পিছফালে কণ্ডাক্টৰ থাকে, যাত্ৰী সকলে নিজে টিকেটলৈ বাচত উঠে। তেওঁলোকৰ লোকচান নহয়। নিগমেও লাভৱান হবৰ কাৰণে তেনে যত্ন লবনে?

শ্ৰীসুৰেন্দ্ৰ নাথ মেধি (মন্ত্ৰী): অধ্যক্ষ মহোদয়, আমাৰ সন্মুখত যিবিলাক আসোঁৱাহ দেখা পাইছো সেইবিলাক দূৰ কৰাৰ কাৰণে চেষ্টা কৰি থকা হৈছে। দিল্লীৰ কথাটো বেলেগ, তাত তেনে চিস্তেম আগৰ পৰা চলি আছে, তেনে চিস্তেম আমাৰ ইয়াত প্ৰয়োগ হলে ভাল কিন্তু অসুবিধাও আছে। এইটো ঠিক যে আমাৰ কৰ্মীৰ সংখ্যা বেছি হৈছে তাক কমাবলৈ চেষ্টা কৰি থকা হৈছে। আৰু বাকী আসোঁৱাহবিলাক দূৰ কৰাৰো চেষ্টা কৰা হৈছে।

শ্ৰীবলোভদ্ৰ তামুলী: নগাওঁ আৰু যোৰহাটত আয় কম হোৱা বুলি কাগজেপত্ৰেও প্ৰকাশ পাইছে আৰু এই আয় কমৰ কাৰণ মিচ মেনেজমেণ্ট বুলি কৈছে। গতিকে নগাওঁ যোৰহাটৰ যি কেইজন বিষয়াৰ মেনেজমেণ্টৰ কাৰণে আয় কম হৈছে তেওঁলোকৰ বিৰুদ্ধে কিবা ব্যৱস্থা লৈছেনে?

শ্ৰীসুৰেন্দ্ৰ নাথ মেধি (মন্ত্ৰী): অধ্যক্ষ মহোদয়, আয় কম হোৱা কথাটো সচা। তাৰ কাৰণে যিবিলাক আসোঁৱাহ চকুত পৰিছে সেই আসোঁৱাহ বিলাক দূৰ কৰাৰ কাৰণে ব্যৱস্থা লোৱা হৈছে।

শ্ৰীগোপী নাথ দাস: পৰিবহন নিগমত যোৱা বছৰ কেইটাত লোকচান হৈছে বুলি কৈছে কিন্তু এইবাৰ লাভ হব বুলি আশা কৰিব পাৰি নেকি?

শ্ৰীসুৰেন্দ্ৰ নাথ মেধি (মন্ত্ৰী): তেনেকুৱা আশ্বাস দিয়াটো ঠিক নহব যত্ন কৰিছোঁ। লাভৰ কাৰণে।

বিষয়: শোৱনশিৰি বান্ধ।

শ্ৰীকেশ ৰাম বৰাই সুধিছে:

* ৪৮৫। মাননীয় বান নিয়ন্ত্রন মন্ত্রী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে?

(ক) উত্তৰ লক্ষীমপুৰ মহকুমাৰ বদতিৰ পৰা লোহিত মুখলৈ থকা শে ৱনশিৰি বান্ধটো মেৰামতিৰ অভাবতে দূৰ্বল হোৱাৰ বিষয়ে চৰকাৰ অৱগতনে?

(খ) যদি অৱগত, প্ৰতিবছৰে উক্ত মথাউৰীৰ ওপৰেদি বানপানী অতিক্ৰম কৰা কাৰণটো'ও সচাঁনেকি?

(গ) যদি সঁচা, এই বান্ধটো বানপানী আৰু গড়াখহনীয়াৰ পৰা মুক্ত পাব পৰাকৈ পুনৰ নিৰ্মান আৰু প্ৰতিৰোধৰ ব্যৱস্থা চৰকাৰে লবনে?

শ্ৰীঅতুল বৰা (বাননিয়ন্ত্ৰন মন্ত্ৰী): য়ে উত্তৰ দিছে।

(ক) হয় অৱগত।

(খ ১৯৮৭ আৰু ১৯৮৮ চনৰ প্ৰবল বানপানীত মথাউৰিৰ বহু অংশত পানী বগৰাটো সচাঁ।

(গ) এই মথাউৰিটোৰ ভেদ্য (vulnerable) অংশবিশেষ ৩খ আৰু মজবুতি কৰণৰ কাম এই বছৰত লোৱা হৈছে ইয়াৰ উপৰিও ২৩, ২৬, ২৭, ২৮ আৰু ২৯ কিলো মিটাৰত খহনীয়া প্ৰতিৰোধ ব্যৱস্থা ইতিমধ্যে লোৱা হৈছে।

শ্ৰীকেশৰাম বৰা: অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে কৈছে যে ২৩, ২৬, ২৭, ২৮, আৰু ২৯ কি: মি: খহনীয়া প্ৰতিৰোধৰ ব্যৱস্থা কৰিছে। কিন্তু এতিয়ালৈকে কোনো ধৰণৰ মঞ্জুৰী দিয়া হোৱা নাই। গতিকে অতি সোনক'লে মঞ্জুৰী আচনিটো কাৰ্য্যকৰী কৰাৰ ব্যৱস্থা লবনে?

শ্ৰীঅতুল বৰা (মন্ত্ৰী): অধ্যক্ষ মহোদয়, আমাৰ কিছুমান আচনি স্পিল অভাৰ কৰে আৰু টকাটো'ও স্পিল অভাৰ হয়। গতিকে যিটো বছৰত কাম কৰে সেইবছৰত টকা নাপাবাও পাৰে কাৰণ বৰ্তমান টকাই নাই।

Shri Charan Narzari: Sir, this Subansiri bund is very important. I have also visited this on one occasion. whether the Government is aware of the fact that some villages in the upstream of the Subansiri river on the eastern bank have already been washed away and the people are living there in insecurity. May I know what steps have been taken by the Government to prevent constant erosion of the Eastern Bank of the Subansiri river in the upstream?

শ্ৰীঅতুল বৰা ( মন্ত্ৰী ) : শে ৱনশিবিৰ বিষয়ে ডিটেল দিব পৰা নহব তাৰ কাৰণে বেলেগ প্ৰশ্ন লাগিব।

বিষয় : ধলাগাওঁত বৈদ্যুতিকৰণ ।

শ্ৰীফনীভূষণ চৌধুৰীয়ে সুধিছে :

• ৪৮৬। মাননীয় শক্তি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) বঙাইগাওঁ সমষ্টিৰ ধলাগাওঁ খন বৈদ্যুতিকৰণৰ বাবে মঞ্জুৰ কৰা কথাটো সচানে ?

(খ) যদি সচা হয়, কোন চনত মঞ্জুৰ কৰা হৈছিল ?

(গ) উক্ত গাওঁখন বৈদ্যুতিকৰণৰ বাবে মঞ্জুৰ হোৱা স্বত্বেও এতিয়ালৈ বৈদ্যুতিকৰণ কিয় হোৱা নাই ?

(ঘ) এই বছৰতে উক্ত গাওঁখনৰ কাম সম্পুৰ্ণ কৰাৰ ব্যৱস্থা কৰিব নেকি ?

শ্ৰীগুনীন হাজৰিকা ( শক্তি বিদ্যুৎ মন্ত্ৰী ) য়ে উত্তৰ দিছে :

(ক) সঁচা।

(খ) উক্ত গাওঁখন বৈদ্যুতিকৰণৰ বাবে ১৯৭৯ চনত কাৰিকৰী মঞ্জুৰী হৈছিল।

(গ) উক্ত গাওঁখন বৈদ্যুতিকৰণৰ কাম যোৱা ১৯৭৯ চনৰ নবেম্বৰ মাহত হৈছিল কিন্তু ১৩।৯।৮৩ তাৰিখে উক্ত গাওঁৰ ট্ৰেন্সফৰমাৰটো চুৰি হয়। আৰু তাৰ পিছত নিম্ন চাপৰ বিজুলী তাৰ চুৰি হয়। ইয়াৰ বাবে পুনৰ বিজুলী যোগান দিব পৰা হোৱা নাই।

(ঘ) উক্তগাওঁখনত পুণৰ বৈদ্যুতিকৰণৰ ব্যৱস্থা হাতত লোৱা হব। কিন্তু চলিত বছৰত পুণৰ বৈদ্যুতিকৰণ কৰা সম্ভবপৰ নহবও পাৰে।

শ্ৰীমুক্তাৰ হুছেইন : ১৯৭৮-৮৮ চনত প্ৰত্যেক বিধায়কৰ পৰা ২০ খন গাওঁৰ নাম বিচাৰিছিল বৈদ্যুতিকৰণ কৰিবৰ কাৰণে। মই এতিয়া মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো আমি যে ২০খন গাওঁৰ নাম দিলো আজিলৈ সেই গাওঁ বিলাকত কিয় বৈদ্যুতিকৰণৰ কাম সম্পাদন কৰা হোৱা নাই ?

শ্ৰীগুনীন হাজৰীকা ( মন্ত্ৰী ) : এই সম্পৰ্কে সকলো বিধায়কৰ পৰা লিষ্ট বিচৰা হৈছিল। কিছুমানৰ পৰা পোৱা হৈছিল।

শ্ৰীমুক্তাৰ হুছেইন: ১৯৮৭-৮৮ চনতে বিধায়ক সকলৰ পৰা লিষ্ট বিছাৰিছিল ২০খন কৈ গাওঁৰ নাম বৈদ্যুতিকৰণৰ কাৰণে। যি সকলে দিয়া নাই তেওঁলোকৰ বেলেগ কথা কিন্তু আমি যি সকলে দিছিলো আজিলৈকে কোনো কাৰ্য্যব্যৱস্থা কৰা দেখা নাই। সেই বছৰত নকৰিলে বেলেগ কথা এতিয়া এই বিত্তীয় বছৰত কৰা হবনে?

শ্ৰীগুনীন হাজৰীকা (মন্ত্ৰী): গোটেইখিনি কৰিব নোৱাৰিলেও কেইখনমান গাওঁ কৰিব পৰা হব।

শেখ আব্দুল হামিদ: মই সিদিনা সোধা এটা প্ৰশ্নৰ উত্তৰতো মন্ত্ৰী মহোদয়ে বেলেগ ধৰণে উত্তৰ দিছিল। এই যে খেলিমিলিবিলাক হৈছে তাৰ ব্যৱস্থা লবনে?

শ্ৰীগুনীন হাজৰীকা (মন্ত্ৰী): আপুনি যোৱা শুক্ৰবাৰে যিটো প্ৰশ্ন কৰিছিল সেইটোৰ সন্দৰ্ভত মই ইতিমধ্যে তথ্য সংগ্ৰহৰ নিৰ্দ্দেশ দিছো।

শ্ৰী গোপী নাথ দাস: আমি যি সকল বিধায়কে ২০খনকৈ গাওঁৰ নাম বৈদ্যুতিকৰণৰ কাৰণে ১৯৮৭ ৮৮ চনতে দিছিলোঁ। আজি ২ বছৰ হ'ল এতিয়াও কৰিব পৰা নাই। গতিকে এই বছৰতে কৰাৰ ব্যৱস্থা কৰিব নে?

শ্ৰীগুনীন হাজৰীকা (মন্ত্ৰী): এই গাওঁ সমূহ যদি আমাৰ গ্ৰাম্য বৈদ্যুতিকৰণৰ কাৰণে পিয়ল কৰা লিষ্টত আছে নিশ্চয় কেইখনমান গাওঁত হলেও কৰিব পৰা হব।

শ্ৰী দেবেশ্বৰ বৰা: যি ২০ খন গাওঁৰ নাম বিছৰা হৈছিল তাৰ ভিতৰত আমৰ ৮/৯ খন গাওঁ সীমান্ত এলেকাত পৰে। গতিকে এই সীমান্ত এলেকাৰ গাওঁ সমূহত অগ্ৰাধিকাৰ ভিত্তিত কাম কৰিবনে? কাৰণ ইতিমধ্যে নগাল্যেণ্ডৰ ফালৰ পৰা বৈদ্যুতিকৰণ কৰিছে।

শ্ৰীগুনীন হাজৰীকা (মন্ত্ৰী): আমাৰ পিয়ল গাওঁ নহলে বৈদ্যুতিকৰণ কৰা অসুবিধা হয়, তথাপি সীমান্ত অঞ্চলত অগ্ৰাধিকাৰ ভিত্তিত কৰিব লাগিব।

শ্ৰীস্বৰূপ উপাধ্যায়: যদি বৈদ্যুতিকৰণ কৰিবই নোৱাৰে তেনেহলে লিষ্ট কিয় লোৱা হ'ল গতিকে তালিকা যেতিয়া লোৱা হৈছে সোনকালে কৰাৰ ব্যৱস্থা কৰিবনে?

শ্ৰীগুনীন হাজৰীকা (মন্ত্ৰী): তালিকা কিয় লোৱা হৈছিল বা আগতে কি আশ্বাস আছিল মই এতিয়াই কব নোৱাৰিম কিন্তু সকলোবিলাক কাম পৰ্য্যায়ক্ৰমে কৰা হব।

কুমাৰী ৰবি দাস: মাননীয় অধ্যক্ষ মহোদয়, এই যে বৈদ্যুতিকৰণৰ ক্ষেত্ৰত এচ, চি এচ, টি কাৰণে অগ্ৰাধিকাৰ দিয়া হয় নেকি? মন্ত্ৰী মহোদয়ে জনাবনে?

শ্ৰীগুনীন হাজৰীকা (মন্ত্ৰী): মাননীয় অধ্যক্ষ মহোদয়, এচ, চি এচ, টিৰ গাওঁবো তালিকাভুক্ত কৰা হয়। আৰু সেইমতে কাম বিলাক কৰা হয়।

কুমাৰী ৰবি দাস: মাননীয় অধ্যক্ষ মহোদয়, তালিকাৰ অন্তৰ্ভুক্ত গাওঁবিলাকৰ ভিতৰত জেনেৰেল বিলাকহে হৈ আছে। এচ চি এচ, টি এলেকাৰ গাওঁবিলাক বৈদ্যুতিকৰণ কৰা হোৱা নাই। এই বিষয়ে মন্ত্ৰী মহোদয়ে কি ধাৰণা কৰে?

শ্ৰীগুনীন হাজৰীকা (মন্ত্ৰী): মাননীয় অধ্যক্ষ মহোদয়, গাওঁ কেইখনৰ নাম কেইটা দিলে চাব পৰা যাব।

শ্ৰীৰণমেন্দ্ৰ দে: মাননীয় অধ্যক্ষ মহোদয়ে কৰিমগঞ্জ জিলাতেই তেনে ধৰণে এচ, চি এচ, টি গাওঁ বিলাকত বৈদ্যুতিকৰণ কৰা হোৱা নাই। এই বিষয়ে মন্ত্ৰী মহোদয়ে কিবা ব্যৱস্থা লবনে?

শ্ৰীগুনীন হাজৰীকা (মন্ত্ৰী): অধ্যক্ষ মহোদয়, এই বিষয়ে চোৱা হব।

শ্ৰীহিৰন্য বৰা: যিবিলাক ঠাইত বৈদ্যুতিকৰণ আৰ্চনি লোৱা হৈছে তাত বৈদ্যুতিকৰণ হৈছে কিন্তু বিজুলী সংযোগ হোৱা নাই। এই বিষয়ে মন্ত্ৰী মহোদয়ে জানে নে?

শ্ৰীগুনীন হাজৰীকা (মন্ত্ৰী) মাননীয় অধ্যক্ষ মহোদয়, এই বিষয়ে মই অবগত নহয়।

শ্ৰীহিৰন্য বৰা: মন্ত্ৰী মহোদয় কথাটো জানিও নজনাৰ ভাও লৈছে, তেওঁতো গাওঁৰে মানুহ গতিকে কথাটো নিশ্চয় জানে?

শ্ৰীগুনীন হাজৰীকা (মন্ত্ৰী): মাননীয় অধ্যক্ষ মহোদয়, মোৰ গাওঁত তেনে ধৰণৰ কোনো কথা মই দেখা নাই। মোৰ গাওঁত বিজুলী বাতি জ্বলি আছে।

শ্ৰীফুল বাহাদুৰ চেত্ৰী : মাননীয় অধ্যক্ষ মহোদয়, গাওঁ বিলাকত বিজুলী শক্তি সংযোজন হলেও খুব সঘনাই ইয়াৰ বিজুতি ঘটে। প্ৰায় ১০/১৫ দিনলৈ বিজুলী সংযোজন বন্ধ হৈ থাকে। ইয়াৰ কাৰণ কি মন্ত্ৰী মহোদয়ে জনাব নে ? আৰু এই বিষয়ে মন্ত্ৰী মহোদয়ে ব্যৱস্থা লবনে ?

শ্ৰীগুনীণ হাজৰীকা ( মন্ত্ৰী ) : মাননীয় অধ্যক্ষ মহোদয়, ঠায়ে ঠায়ে বৈদ্যুতিকৰণৰ কাম কৰি থকা হৈছে সেই কাৰণে হয়তো কিছু অসুবিধা হব পাৰে। তাৰ ওপৰি ধুমুহা বতাহ আদিৰ কাৰণে অসুবিধা হয়।

Starred Question No. 487 was not called for. However, written replies deemed to have been laid on the Table as follows :

Re: Electrification in Doom-Dooma.

Shri Dileswar Tanti asked

* 487. Will the Minister, power be pleased to state :

(a) How many villages have so far been electrified under the Rural Electricity Division, Doomdooma in the doomdooma constituency area ?

(b) How many villages are still left out from electri fication and what are the villages that have been selected for electrification in 1989-90 in Doomdooma area ?

শ্ৰীগুনীণ হাজৰীকা ( শক্তি বিদ্যুত মন্ত্ৰী ) য়ে উত্তৰ দিছে :

(ক) বৈদ্যুতিকৰণ কৰা গাওঁৰ তালিকা আৰক্ষী থানা ভিত্তিক যুগুত কৰা হয়। কিন্তু সমষ্টি ভিত্তিক নহয়।

ডুমডুমা আৰক্ষী থানাৰ অন্তৰ্গত মুঠ ২৪৪ ( দুশ চৌৱাল্লিচ ) খন গাওঁৰ ভিতৰত ২৪৩ ( দুশ তিৰাল্লিচ ) খন গাওঁ বৈদ্যুতিকৰণ কৰা হৈছে।

( See Annexure I )

(খ) ডুমডুমা থানাৰ অন্তৰ্গত লংপিত খন্দ নামৰ এখন গাওঁ বৈদ্যুতিকৰণ কৰিবলৈ বাকী আছে।

১৯৮৯-৯০ চনৰ কাৰ্য্য পৰিকল্পনা ( জিলা ভিত্তিক ) যুগুতাই থকা হৈছে।

Re : Total amount sanctioned for R. S. work.

Shri Digendra Purkayastha asked :

* 488. will the Minister, Flood control be pleased to state :

(a) What is the total amount sanctioned for R. S. work under Sonai Flood Control Sub Division in Cachar District ?

(b) whether the works have already been allotted ?

(c) If so, how those works were allotted and to whom it was allotted ?

(The names and full address with amount allotted to each of the contractors may please be furnished)

শ্ৰীঅতুল বৰা ( বান নিয়ন্ত্ৰন মন্ত্ৰী ) য়ে উত্তৰ দিছে :

(ক) ৫৭,২৬,৭০০ টকা ।

(খ) হয় ।

(গ) বিধিমতে নিবিদা আহ্বান কৰি নিবিদা দিয়া ঠিকাদাৰ সকলৰ মাজত কামটো বৰ্ণ্টন কৰা হয় (কাম কৰিবলৈ দিয়া ঠিকাদাৰ সকলৰ ঠিকনা আৰু কামৰ আনুমানিক মুল্য দেখুৱাই এখন তালিকা সদনৰ মজিয়াত পেচ কৰা হ'ল। ( See Annexure II )

Shri Digendra Purkayastha : Mr. Speaker Sir, I would like to state that in reply to my question (a), Minister has said that an amount of Rs 57,26,700 has been sanctioned for raising and strenthening work under Sonai Flood Control Sub-division. I am glad that the Government has given this amount of money. But in reply to question (c) the minister has placed a long list of contractors. In one of the lists. I have seen that many of the contractors to whom works have been alloted, about 200 contractors belong to other places of other districts and so far my information goes works are alloted on commission basis. So, I want to know from the Hon'ble Minister whether he will look into it and whether he will assure the House that the whole amount will be utilised for the purpose for which it is sanctioned ?

শ্ৰীঅতুল বৰা (মন্ত্ৰী): মাননীয় অধ্যক্ষ মহোদয়, সকলো ক্ষেত্ৰতে টকা বিলাক সমভাৱে খৰছ কৰা হয়। তথাপিও এই ক্ষেত্ৰত যিহেতু বিশেষভাৱে দৃষ্টি আকৰ্ষণ কৰা হৈছে গতিকে বিশেষভাৱে গুৰুত্ব আৰোপ কৰা হব।

বিষয়: বনস্পতি প্ৰকল্প।

শ্ৰীদেবেশ্বৰ বৰাই সুধিছে:

* ৪৮৯। মাননীয় সমবায় বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে?

(ক) ৰাজ্য চৰকাৰে বনস্পতি প্ৰকল্প কেতিয়া আৰু কিমান পৰিমানৰ ধন বিনিয়োগ কৰি স্থাপন কৰিছিল?

(খ) বনস্পতি প্ৰকল্পৰ উৎপাদন কেতিয়াৰ পৰা আৰম্ভ কৰা হৈছে আৰু ইয়াৰ দৈনিক উৎপাদন কিমান?

(গ) বনস্পতি প্ৰকল্পৰ সম্প্ৰসাৰণ আৰু উন্নয়নৰ বাবে কি চিন্তা কৰা হৈছে?

(ঘ) এই প্ৰকল্পত বিষয়াকে ধৰি কিমান জন শ্ৰমিক আছে?

(ঙ) বৰ্ত্তমান এই প্ৰকল্পৰ লাভ লোকচানৰ পৰিমান কি?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত (মুখ্যমন্ত্ৰী) য়ে উত্তৰ দিছে:

(ক) ১৯৮৩-৮৪ চনত। ৪.৭৪ কোটি টকা (চাৰি কোটি চৈধ্যত্তৰ লাখ টকা) বিনিয়োগ কৰি বনস্পতি প্ৰকল্পটো স্থাপন কৰা হৈছিল।

(খ) ১৯৮৪ চনৰ ১০ জানুৱাৰী তাৰিখৰ পৰা উৎপাদন আৰম্ভ কৰা হৈছে। উৎপাদন প্ৰথমতে প্ৰতি দিনে ৫০ টনৰ পৰা বৰ্ত্তমান প্ৰতি দিনে ৬২.৫ টনলৈ বৃদ্ধি কৰা হৈছে।

(গ) বৰ্ত্তমান প্ৰতিদিনে ৬২.৫ টন উৎপাদন ক্ষমতা সম্পন্ন বনস্পতি প্ৰকল্পটো ৰাষ্ট্ৰীয় সমবায় বিকাশ নিগমৰ জৰিয়তেও বিশ্ব বেংকৰ আৰ্থিক সাহায্যৰে দৈনিক ১২৫ টন উৎপাদন ক্ষমতালৈ বৃদ্ধি কৰাৰ বাবে সম্প্ৰসাৰণৰ ব্যৱস্থা ইতিমধ্যে হাতত লোৱা হৈছে।

(ঘ) ২৩৫ জন।

(ঙ) ১৯৮৭-৮৯ চনৰ ভিতৰত সমবায় বছৰ ১।৭।৮৭ ৰ পৰা ৩১।৩।৮৯ লৈ ১১৯.২৫ লাখ টকা (এশ উনৈশ লাখ পঁচিশ হেজাৰ টকা) লাভ হৈছে।

শ্ৰীদেবেশ্বৰ বৰা: মাননীয় অধ্যক্ষ মহোদয়, আমি এই ক্ষেত্ৰত ধন্যবাদ জনাইছো। আৰু এটা কথা মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিছাবিছো যে,]

এই ক্ষেত্রত বিশ্ব বেংকৰ পৰা কিমান টকাৰ ঋণ লোৱা হৈছে আৰু ইয়াৰ শতকৰা সুতৰ হাৰ কিমান দিব লাগিব।

শ্ৰীসুৰেন্দ্ৰ নাথ মেধী (মন্ত্ৰী): মাননীয় অধ্যক্ষ মহোদয়, আমি ইতি-মধ্যে ৰাষ্ট্ৰীয় সমবায় নিগমৰ জৰিয়তে মুঠ ১৩ কোটি ২৪ লাখ টকা বিশ্ব বেঙ্কৰ পৰা মঞ্জুৰী পাইছো। কিন্তু শতকৰা সুতৰ হাৰটো মোৰ লগত বৰ্ত্তমান নাই, পাচত দিব পাৰিম।

শ্ৰীহিৰণ্য বৰা: মাননীয় অধ্যক্ষ মহোদয়, বনস্পতি কাৰখানাত তৈয়াৰী বনস্পতিৰ মান নিম্ন থাপৰ বুলি বাহিৰত শুনা গৈছে। এই বনস্পতিৰ লগত যিমান খিনি ৰেপচিড অইল, নাৰিকল তেল, চানফ্লাৱাৰ অইল আদি যি অনুপাতত দিব লাগে সেই অনুপাতত মিঠাতেলৰ দাম বজাৰত বাঢ়িছে। তাৰ ফলত ভেজালৰ পৰিমান বাঢ়ি গৈছে আৰু বনস্পতি নিম্নথাপৰ হৈছে। আৰু ইয়াৰ চাহিদা কমি গৈছে। এই বিষয়ে মন্ত্ৰী মহোদয়ে জানেনে?

শ্ৰীসুৰেন্দ্ৰ নাথ মেধি (মন্ত্ৰী): আমি তেনে অভিযোগ শুনা নাই। এইটো কব পাৰো যে বনস্পতিৰ চাহিদা বেছি বাঢ়িছে। আমি যিমান খিনি দিব লাগে সিমান খিনি দিব পৰা নাই। এই ক্ষেত্ৰত কিবা গোল-মাল হোৱা বুলি ধাৰণা হোৱা নাই আৰু তেনে যদি ত্ৰুটি-বিচ্যুতি শুনি-বলৈ পাও তেন্তে নিশ্চয় ব্যৱস্থা লম।

শ্ৰীহিৰণ্য বৰা: চাউলৰ কেলেংকাৰীৰ লগত এইটো কথা ওলা-ইছে যে মিঠাতেলৰ বাবে ৮ লাখ টকাৰ কমিচন ভাগ হৈছে, এই কথাটো অনুসন্ধান কৰি চাবনে?

শ্ৰীসুৰেন্দ্ৰ নাথ মেধি (মন্ত্ৰী): মই আগতেই কৈছো যে চাহিদা বাঢ়িছে। তেনেকুৱা তেল যদি বজাৰত ওলাইছে তেন্তে অনুসন্ধান কৰি চাম।

Starred Question No. 490 was not called for However, written replies deemed to have been laid on the Table as follows:

বিষয়: গ্ৰাম্য খেল পথাৰ।

শ্ৰীভবেন্দ্ৰ নাথ ভৰালীয়ে সুধিছে:

* ৪৯০। মাননীয় ক্ৰীড়া আৰু যুৱকল্যান মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে:

(ক) কি কি নীতিৰ ভিত্তিত গ্ৰাম্য খেল পথাৰ নিৰ্মানৰ আঁচনি লোৱা হয় ?

(খ) দেৰ গাওঁ উন্নয়ন খণ্ড আৰু ঢেকৰগড়া উন্নয়ন খণ্ডৰ অন্তৰগত গ্ৰাম্য খেল পথাৰ নিৰ্মানৰ আচঁনি লৈছে নেকি ?

(গ) যদি নাই লোৱা, কি কাৰণে লোৱা নাই ?

শ্ৰীযতীন মালী ( বাজ্যিক শিক্ষা মন্ত্ৰী ) : য়ে উত্তৰ দিছে :

(ক) খেলা ধূলাৰ মান উন্নয়ন তথা সম্ভাৱনা থকা উদীয়মান খেলুৱৈক অনুশীলনৰ সুবিধা দানৰ বাবে ৰাজ্যৰ সকলো খণ্ড উন্নয়ন এলেকাত পৰ্য্যায় ক্ৰমে একোখনকৈ মিনি ষ্টেডিয়াম নিৰ্মানৰ আচঁনি চৰকাৰৰ আছে। ইয়াৰ লগত খেল পথাৰৰ বাবে ভূমি সংৰক্ষনৰ উদ্দেশ্যও সামৰি লোৱা হৈছে।

(খ) লোৱা নাই।

(গ) পৰ্য্যায় ক্ৰমে পূঁজিসাপেক্ষে বৰ্ত্তমানলৈকে হাতত নোলোৱা খণ্ড উন্নয়ন সমূহত আচঁনি খন কাৰ্য্যকৰী কৰা হব।

Ref : Erosion of river Sonkosh.

Shri Mithius Tudu asked :

* 491. Will the Minister, Flood control be pleased to state :

(a) Whether Government is aware of the fact that heavy erosions have been taken place at Edelghutu, polashguni (Jiadanga) and Kokiladanga villages by the sonkosh river inundating vast area of paddy fields ?

(b) If so, whether any protective measures have been take ?

(c) If not, why ?

শ্ৰীঅতুল বৰা ( বাননিয়ন্ত্ৰন মন্ত্ৰী ) য়ে উত্তৰ দিছে :

(ক) হয় অবগত।

(খ) পলাশগুড়ী ডেমডেমা আদি গাওঁৰ খহনীয়া প্ৰতিৰোধ কৰাৰ উদ্দেশ্যে ইতিমধ্যে ১৯৮৬ চনতেই নৱম কাৰিকৰী উপদেষ্টা সমিটিয়ে অনুমোদন জনাইছিল। কিন্তু সিমীত কেন্দ্ৰীয় অনুদানৰ কাৰণে আচঁনি কেইখন কাৰ্য্যকৰী কৰিব পৰা হোৱা নাই।

কোকিলাডঙা, ইডেলঘট আদি অঞ্চলত পড়াখহনীয়া প্ৰতিৰোধৰ কাৰণে কি ব্যৱস্থা লোৱা হয় ইয়াৰ বিষয়ে অনুসন্ধানৰ ব্যৱস্থাকৰা হৈছে।

(গ) প্ৰশ্ন নুঠে।

শ্ৰীমিথিয়াচ টুডু : পলাশগুৰি আৰু ডেমডেমাত গড়াখহনীয়াৰ আচঁনি ১৯৮৬ চনত কাৰিকৰী অনুমোদন লোৱা হৈছিল বুলি কৈছে ১৯৮৯ চনলৈ আজি এই তিনি বছৰে আৰ্থিক সমস্যা ৰ সমাধান কিয় নহল আৰু এই বছৰত আচঁনিখন লোৱা হবনে?

শ্ৰীঅতুল বৰা (মন্ত্ৰী): অ'চ'নিখন টি এচ, পিত লোৱা হৈছিল জেনে' লত লব লাগে। পাৰিলে লোৱা হব।

Shri Charan Narzary : I have a very serious supplementary. The river Sankosh flows on the Assam and West Bengal Border. On the eastern bank of the Sankosh there is a point known as Dainamari. On a number of occassion, because of the breach at Dainamari several parts of Gossaigaon Sub-division had been submerged and washed away. There are public demands to the Government to construct one RCC Bundh at Dainamari. Now what is happening is that in the wake of the violent ABSU agitation, the new RCC Bundh has been destroyed by the miscreants. There is now an impending danger to several parts of Gossaigaon Subdivision during the comming monsoon. The National Highway is very likely to be washed away, and it will cut off the State of Assam from the rest of the country. In that case, the whole of Gossaigaon town lincluding Bhumka, the village of the then minister, Shri R. N. Basumatary is likely to be affected very seriously. Whether the Government is aware of this wanton destruction of RCC Bundh at Dainamari and if so, what steps are being taken by the Government to reconstruct the RCC Bundh. whether sufficient fund has been sanctioned and made available for this purpose ?

শ্ৰীঅতুল বৰা (মন্ত্ৰী): এতিয়া যিটো নিৰ্দ্দেশ দিছে সেই মতে কৰিব নোৱাৰো পুনিৰ কাৰণে চাৰিখন আচঁনি লোৱা আছে। ধ্বংসখিনি বোধ কৰিবৰ কাৰণে বিত্তীয় অভাৱৰ কাৰণে অ'চ'নিখন লব পৰা নাই। ভবিষ্যতে লবলৈ চেষ্টা কৰিম।

বিষয় : মথাউৰী মেৰামতি।

শ্ৰীগোপী নাথ দাসে সুধিছে :

* ৪৯২। মাননীয় বাননিয়ন্ত্ৰণ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) বাননিয়ন্ত্ৰণ বিভাগৰ গুৱাহাটি পশ্চিম সংমণ্ডলৰ অন্তৰ্গত 'কালাতলিৰ পৰা নগৰবেৰালৈ' থকা মথাউৰীটো মেৰামতি কৰাৰ বাবে ১৯৮৮-৮৯ চনৰ এক, ডি, আৰ শিতানৰ পৰা চৰকাৰে চাৰিলাখ টকা মঞ্জুৰী দিয়া কথাটো সচাঁনে ?

(খ) যদি সঁচা তেন্তে উক্ত টকাখিনি কি কি কামত খৰছ কৰা হৈছে ?

শ্ৰীঅতুল বৰা ( বাননিয়ন্ত্ৰন মন্ত্ৰী ) য়ে উত্তৰ দিছে :

(ক) হয় সঁচা।

(খ) উক্ত টকাৰ তলত উল্লেখিত কাম সমূহৰ বাবে খৰচ কৰা হৈছে।

১) মথাউৰী মেৰামতি মাটিৰ কাম।

২, ঘাঁহনি কৰণ।

৩) গাঁৱলীয়া পথৰ আৰু মথাউৰী সংযোগ স্থলত কৰা মাটিৰ কাম।

শ্ৰীগোপী নাথ দাস : মন্ত্ৰী মহোদয়ে উক্ত টকাখিনি মথাউৰীৰ মেৰামতি, ঘাঁহনি কৰণ, গাৱলীয়া পথৰ আৰু মথাউৰী সংযোগ স্থলত মাটিৰ কামত খৰচ কৰা বুলি কৈছে। মাটিৰ কাম কিছু কৰা হৈছে কিন্তু ঘাঁহনিৰ কাম আজিলৈকে কৰা হোৱা নাই। বিষয়টো মন্ত্ৰী মহোদয়ে উচ্চ পৰ্য্যায়ৰ তদন্ত কৰি সদনত প্ৰতিবেদন দাখিল কৰিবনে ?

শ্ৰীঅতুল বৰা ( মন্ত্ৰী ) মাননীয় সদস্য গৰাকীক ধন্যবাদ দিছো। অভিযোগটো অনুসন্ধান কৰা হ'ব।

Re : Patharkandi E.L.I. Scheme.

Sri Manilal Gowala asked :

• 493. Will the Minister, Irrigation be Pleased to State :

(a) The Causes of non-sanction of the Patharkandi E.L.I scheme under Karimganj Division ?

(b) Would the sanction be expedited ?

Shri Deba Kumar Bora (Minister, Irrigation ) replied :

(a) There is no on-going scheme in the name of Patha-

rkandi E.L.I.S. under Karimganj Division. In view of modifications in design of canals and crossdrainage structures found necessary during execution, Technical sanction to civil component of the on-going scheme Remodelling and Improvement of Patha kandi Extension E.L.I.S. is delayed.

(b) Yes.

Shri Manilal Gowala : Mr Speaker Sir, how long this remodelling and improvement of Patharkandi Extension E.L.I.S. would be delayed ? Would the Minister kindly tell us definitely ?

শ্রীদেৱ কুমাৰ বৰা ( মন্ত্ৰী ) : ইতমধ্যে শ্বৰতকীয় ব্যৱস্থা লোৱা হৈছে। ১৯৭৯ চনত আৰম্ভ হোৱা স্কীম আছিল। উপযুক্ত পটেনচিয়েলিটি ক্ৰিয়েট কৰিবৰ বাবে ফাণ্ডৰ প্ৰয়োজন। টকা দিয়াৰ ব্যৱস্থা কৰিম।

বিষয় : বরাক নদীর ভাংগনে ফল ধ্বংস হওয়া পথ।

শ্রীরামেন্দ্র দে জিজ্ঞাসা করেছেন :

* ৪৯৪। মাননীয় বন্যা নিয়ন্ত্রন মন্ত্রী মহোদয় অনুগ্রহ করে জানাবেন কি ?

(ক) বরাক নদীর ভাংগনের ফলে শ্রীগৌরীগ্রাম, রাজার স্কুল ও উমর পুর এলাকা ধ্বংস হওয়ার পথে এ খবর চরকারে জানেন কি ?

(খ) যদি জানেন ভাংগন প্রতিরোধে কি কি পদক্ষেপ গ্রহন করেছেন ?

শ্রীঅতুল বৰা ( বাননিয়ন্ত্ৰন মন্ত্ৰী ) য়ে উত্তৰ দিছে :

(ক) হয়।

(খ) শ্ৰী গৌৰীৰ ওচৰত মধ্যাউৰীৰ একাংশত ১৯৮৮-৮৯ চনত বানপানী ক্ষয়-ক্ষতি মেৰামতিৰ শিতানত এখন আচনি ইতিমধ্যে ৰূপায়িত কৰা হৈছে। কিন্তু এই আচনিত সমস্ত খহনীয়া অঞ্চল সামৰি লোৱা নাই।

ইতিমধ্যে সমগ্ৰ অঞ্চল সামৰি লোৱা এখন আচনি কাছাৰ বাননিয়ন্ত্ৰন বোৰ্ডত অনুমোদিত হৈ আছে। এই আচনিত হবলগীয়া ব্যয়ৰ কিছু অংশ Border Road Organisation ক বহন কৰিবলৈ অনুৰোধ কৰা হৈছিল, কিন্তু তেওঁলোকৰপৰা ইতি বাচক সহাৰি নোপোৱাত আৰু ৰাজ্যিক চৰকাৰৰ সীমিত আৰ্থিক আবণ্টনৰ হেতু আচনিখন ৰূপায়িত কৰিব পৰা হোৱা নাই।

শ্ৰীৰামেন্দ্ৰ দে : মাননীয় অধ্যক্ষ মহোদয়, ইয়াৰ এটা অংশৰ কাম ৰাজ্যিক চৰকাৰৰ পইচাৰে কৰা হৈছে। আৰু কিছু অংশ বাকী আছে। আৰু কিছু টকা দিলে বাকী অংশৰ কামো সম্পূৰ্ণ কৰিব পৰা হব। গতিকে পইচা দি কামটো সম্পুৰ্ণ কৰাৰ ব্যৱস্থা কৰিবনে ?

শ্ৰীঅতুল বৰা ( মন্ত্ৰী ) : এইটো পৰীক্ষা কৰি চোৱা হব। যদি সম্ভব হয় তেনেহলে কৰাৰ কাৰণে বিবেচনা কৰা হব।

বিষয় : কাকচাং জলপ্ৰপাত

শ্ৰীবলোন্দ্ৰ তামুলিয়ে সুধিছে :

* ৪৯৫। মাননীয় শক্তি মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) বোকাখাত সমষ্টিৰ গাতে লাগি থকা কাৰ্বি আংলং জিলাৰ কাকচাং জলপ্ৰপাতত জলবিদ্যুৎ উৎপাদনৰ সম্ভাৱনীয়তাৰ ওপৰত সমীক্ষা চলোৱা হৈছিল নেকি ?

(খ) যদি হৈছিল কেতিয়া কৰা হৈছিল ?

(গ) পৰীক্ষাৰ ফলাফল আৰু পৰৱৰ্ত্তী কি কাৰ্য্য ব্যৱস্থা লোৱা হৈছে ?

শ্ৰীগুনীণ হাজৰিকা ( শক্তি বিদ্যুৎ মন্ত্ৰী ) য়ে উত্তৰ দিছে :

(ক) হয়, হৈছিল

(খ) ১৯৮৬-৮৭ আৰু ১৯৮৭-৮৮ চনত।

(গ) সমীক্ষাৰ পৰা প্ৰকল্পটো কাৰ্য্যকৰী কৰাৰ উপযোগী নহয় বুলি প্ৰতিয়মান হোৱাত অন্য ব্যৱস্থা গ্ৰহণ কৰা হোৱা নাই।

শ্ৰীদেবেশ্বৰ বৰ : মাননীয় অধ্যক্ষ মহোদয়, কি কাৰণত এই আঁচনিখন উপযোগী নহয় বুলি ভবা হল ?

শ্ৰীগুনীণ হাজৰিকা ( মন্ত্ৰী ) : যিমান বিদ্যুৎ উৎপাদন কৰিব পৰা হব তাৰ তুলনাত ২ কিঃ মিঃ দীঘল কণ্ট্ৰুল নলা আৰু ৩৬০ মিটাৰ পেন ষ্টক লাইন দিবলগীয়া হব। গতিকে যিমান বিদ্যুত শক্তি উৎপাদন কৰিব পৰা হব তাতকৈ খৰচ বেচি পৰিব। গতিকে উপযোগী নহয় বুলি ভবা হৈছে।

শ্ৰীদেবেশ্বৰ বৰা : মাননীয় অধ্যক্ষ মহোদয়, মই জানিব বিচাৰিছো যে ইনভেচটিগেচনত টকা খৰচ কৰা হৈছিলনেকি ?

শ্ৰীগুনীণ হাজৰীকা ( মন্ত্ৰী ) : মাননীয় অধ্যক্ষ মহোদয়, পইচা খৰচ

নকৰাকৈ কোনো কাম কৰিব নোৱাৰি। সমীক্ষাৰ পৰা দেখা গ'ল যে উক্ত জলপ্ৰপাতৰ পৰা কেৱল ২৫০ কিলোৱাট বিদ্যুৎ উৎপাদন কৰিব পৰা যাব। কিন্তু তাৰ বাবে ২ কি. মি: দীঘল কন্টুল নালা, ৩৬০ মিটাৰ পেন ষ্টক লাইন আৰু পাৱাৰ হাউচৰ বাবে যথেষ্ট দকৈ খনন কৰ্যাৰ প্ৰয়োজন হব। ইয়াৰ উপৰি যাতায়তৰ বাবে আৰু মাল বস্তু কঢ়িওৱাৰ বাবে প্ৰায় ৪ কি: মি দীৰ্ঘ পথ নিৰ্মান কৰিব লাগিব। গতিকে এই প্ৰকল্পটো আৰ্থিক দিশৰ পৰা কাৰ্য্যকৰী কৰা কৰা উপযুক্ত বুলি বিবেচিত নহ'ল

বিষয়: পাৱাৰ হাউচ

শ্ৰীভৰত চন্দ্ৰ নৰহে সুধিছে:

*৪৯৬ মাননীয় শক্তি মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে:

(ক) লক্ষীমপুৰ জিলাত পাৱাৰ হাউচ কেইটা আছে?

(খ) উক্ত পাৱাৰ হাউচ বোৰৰ নাম জনাবনে?

(গ) উক্ত পাৱাৰ হাউচ বোৰত বিষয়া আৰু কৰ্মচাৰীৰ কিমান পদ অনুমোদিত?

(ঘ) অনুমোদিত পদ বোৰৰ বিপৰীতে বিষয়া আৰু কৰ্মচাৰী নিয়োগ কৰা হৈছেনে?

শ্ৰীগুনীন হাজৰীকা (শক্তি বিদ্যুৎ মন্ত্ৰী) য়ে উত্তৰ দিছে:

(ক) ৩ টা।

(খ) পাৱাৰ হাউচ কেইটাৰ নাম যথাক্ৰমে ( ) জোনাই, (২) ধেমাজী আৰু (৩) উত্তৰ লক্ষীমপুৰ।

(গ) পাৱাৰ হাউচত অনুমোদিত বিষয়া আৰু কৰ্মচাৰীৰ তালিকা তলত দিয়া হ'ল।

| পাৱাৰ হাউচৰ নাম | অনুমোদিত বিষয়াৰ সংখ্যা | অনুমোদিত কৰ্ম-চাৰীৰ সংখ্যা | সৰ্ব্বমুঠ অনুমোদিত পদৰ সংখ্যা |
|---|---|---|---|
| ধেমাজী | ১ | ৩১ | ৩২ |
| জোনাই | ১ | ৩০ | ৩১ |
| উত্তৰ লক্ষীমপুৰ | ১ | ১৯ | ২০ |

(ঘ) প্ৰয়োজন অনুসৰি কৰা হৈছে।

শ্ৰীভৰত চন্দ্ৰ নৰহ : মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ে জনাইছে যে ধেমাজী, উত্তৰ লক্ষীমপুৰ আৰু জোনাইত অনুমোদিত বিষয়াৰ সংখ্যা এজনকৈ বুলি কৈছে। আমাৰ চৰকাৰ ১৯৮৫ চনৰ ২৫ ডিচেম্বৰ তাৰিখেই ক্ষমতালৈ আহিছিল। যিটো সংখ্যা দিয়া হৈছে সেই সংখ্যাটো আমাৰ চৰকাৰ অহাৰে পৰাই আছে। এতিয়া আৰু মাত্ৰ প্ৰায় ১ বছৰ, ৮ মাহ সময়হে আছে। বাকী কৰ্মচাৰী সমূহ কেতিয়া নিযুক্তি দিব ? প্ৰয়োজন অনুসৰি দিয়া হব বুলি কৈ থাকিলে আমাৰ সময় শেষ হৈ যাব। গতিকে প্ৰয়োজন অনুসৰি দিয়া হব বুলি কৈ নাথাকি এটা নিৰ্দিষ্ট সময়ৰ ভিতৰত এই খালি পদ বিলাক পূৰণ কৰাৰ ব্যৱস্থা কৰিব লাগে। গতিকে কেতিয়া পূৰণ কৰা হব সেইটো জনাবনে ?

শ্ৰীগুনীন হাজৰিকা ( মন্ত্ৰী ) : মাননীয় অধ্যক্ষ মহোদয়, মই ইয়াত এখন তালিকাত কৈছো যে কত কিমান কৰ্মচাৰী দিয়া হৈছে। অাঁচলতে ধেমাজীত ১৫ জন, জোনাইত ১৪ জন আৰু লক্ষীমপুৰত ১৯ জন কৰ্মচাৰী আছে। উত্তৰ লক্ষীমপুৰ আৰু ধেমাজী পাৰাৰ হাউচ দুটা এতিয়া ষ্টেণ্ডৰ্ বাই পাৱাৰ হাউচ হিচাবেহে আছে। এতিয়া এই পাৱাৰ হাউচৰ প্ৰয়োজন ক্ৰমান্বয়ে নাইকিয়া হৈ আহিছে।

Re : Distribution of Sports Materials.

Shri Maziruddin Ahmed Asked :

* 497. Will the Minister of State, Sports be pleased to state:

(a) Whether Sports materials have been distributed through M.L.A,s of different Constituencies within the last 5/6 months ?

(b) If so, what are the Constituencies where such distribution through M.L. A,s have been made ?

(c) Whether such allotments will be made through every M.L.A,s ?

শ্ৰীযতীন মালী ( ৰাজ্যিক শিক্ষা মন্ত্ৰী ) যে উত্তৰ দিছে :

(ক) হয়।

(খ) খেলা ধূলাৰ সামগ্ৰী বিতৰণত অংশ গ্ৰহণ কৰা বিধান সভাৰ সদস্য সকলৰ তালিকা সদনৰ মজিয়াত ৰখা হ'ল। (See Annexure III)

(গ) হয়।

শ্ৰীমাজিৰুদ্দিন আহমেদ : মাননীয় অধ্যক্ষ মহোদয়, এতিয়ালৈকে খেলা ধূলাৰ সামগ্ৰী বিতৰণ কৰা বিধান সভাৰ সদস্য সকলৰ তালিকা দিয়া হৈছে যদিও যি সকলৰ মাজত বিতৰণ কৰা হোৱা নাই সেই সকলৰ তালিকা দিয়া হোৱা নাই। যি সকলক দিয়া হোৱা নাই সেই সকলক কেতিয়া দিয়া হব সেইটো জনাবনে :

শ্ৰীযতীন মালী (মন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, এতিয়ালৈকে ৪৩ জন বিধান সভাৰ সদস্যক বিতৰণৰ বাবে দিয়া হৈছে। যি সকল দিবলৈ বাকী আছে সেই সকলক পৰ্য্যায়ক্ৰমে দিয়াৰ ব্যৱস্থা কৰি থকা হৈছে।

শ্ৰীপদ্মনাথ কৈৰী : মাননীয় অধ্যক্ষ মহোদয় কি কি সামগ্ৰী দিয়া হৈছে আৰু কিমান পৰিমানৰ দিয়া হৈছে ?

শ্ৰীযতীন মালী (মন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, খেলাৰ সামগ্ৰীৰ ভিতৰত আছে ফুটবল, ভলিবল, হেণ্ডবল, কেৰম আদি। কিমানকৈ দিয়া হৈছে সেইটো বৰ্ত্তমান মোৰ হাতত নাই।

শ্ৰীকুল বাহাদুৰ চেত্ৰী : মাননীয় অধ্যক্ষ মহোদয়, মই জানিব বিচাৰিছো যে সকলো বিলাক বিধান সভা সমষ্টিত খেলাৰ সামগ্ৰী দিয়া হবনে ?

শ্ৰীযতীন মালী (মন্ত্ৰী) : খেলাৰ সামগ্ৰী সম্পৰ্কত যাতে প্ৰতিটো বিধান সভা সমষ্টিতে বিতৰণ কৰিব পৰা হয় এই সম্পৰ্কত ব্যৱস্থা গ্ৰহণ কৰি থকা হৈছে।

Shri Santi Ranjan Das Gupta : Whether the Minister has issued any circular informing all the M.L.A,s that the sports goods will be supplied to their constituencies and requesting them to take part in the distribution of the sports goods ? Whether such a circular has been issued by the Minister ?

শ্ৰীযতীন মালী (মন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, মই এইটো প্ৰশ্নৰ উত্তৰ পিচতহে দিব পাৰিম।

Starred Question No. 498 was not called for. However, written replies deemed to have been laid on the table as follows :

Re : Supply of current by A.S.E.B,

Shri Abdul Rob Laskar, asked:

*498. Will the minister, Power be pleased to state :

(a) Whether the Government is aware that A.S.E.B. is supplying electricity at well below the prescribed voltage and in contravention of Electricity Act ?

(b) If so, why and the steps taken by the Government in this regard ?

শ্ৰীগুনীন হাজৰিকা ( শক্তি/ বিদ্যুৎ মন্ত্ৰী ) য়ে উত্তৰ দিছে :

(ক) নহয়।

(খ) প্ৰশ্ন নুঠে।

বিষয় : পৰিবহন নিগমৰ চিটি বাছ।

শ্ৰীকামাখ্যা চৰণ চৌধুৰীয়ে সুধিছে :

*৪৯৯। মাননীয় পৰিবহন মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) অসম ৰাজ্যিক পথ পৰিবহন নিগমৰ দ্বাৰা কিমান চিটি বাছ চলোৱা হৈছে ?

(খ) গুৱাহাটী মহানগৰী এলেকাৰ ভিতৰত বৰ্ত্তমান কিমানখন চিটি বাছ চলে ?

(গ) এই বাছবোৰ মেৰামতি নোহোৱাকৈ কিমানখন পৰি আছে ?

(ঘ) হাজো অঞ্চলৰ পৰা অহা যোৱা কৰা : কৰ্ম্মচাৰী বাইজ, তীৰ্থযাত্ৰী সকলৰ ( পোৱামক্কা, হয়গ্ৰীৱ মাধৱৰ মন্দিৰ আদি ) যাতায়তৰ সুবিধাৰ্থে দুখন চিটি বাছ দিয়াৰ ব্যৱস্থা লবনে ?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত ( পৰিবহন মন্ত্ৰী ) য়ে উত্তৰ দিছে :

(ক) দৈনিক গড়ে ১১০-ৰ পৰা ১১২ খনলৈ চিটি বাছ চলে।

(খ) দৈনিক গড়ে ১০০ ( এক শ ) খন।

(গ) প্ৰায় ৫০ (পঞ্চাশ) খন।

(ঘ) উপযুক্ত সংখ্যক বাছৰ যোগান ধৰিব পাৰিলেই তীৰ্থযাত্ৰীৰ সুবিধাৰ্থে

হাজোলৈ বাছ সেৱা প্ৰবৰ্ত্তন কৰাৰ কথা অসম ৰাজ্যিক পথ পৰিবহন নিগমে বিবেচনা কৰিব।

শ্ৰীকামাখ্যা চৰণ চৌধুৰী : অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে (গ) প্ৰশ্নৰ উত্তৰত ৫০ খন বাছ মেৰামতি নোহোৱাকৈ আছে বুলি কৈছে। এই বাছ কেইখন মেৰামতি কৰিব পৰা অৱস্থাত নাইনেকি? যদি নাই অকচন্ কৰাৰ ব্যৱস্থা নকৰে কিয়? আৰু যদি মেৰামতি কৰাৰ ব্যৱস্থা আছে মেৰামতি নকৰে কিয়?

শ্ৰীসুৰেন্দ্ৰ নাথ মেধি (মন্ত্ৰী) : অধ্যক্ষ মহোদয়, প্ৰায় ৫০ খন আছে। কিন্তু গোটেই কেইখনৰ মেৰামতি কৰিব পৰা অৱস্থা নহয়। তথাপিও তাৰে কিছুমান মেৰামতি কৰিব পৰা যাব। কিছুমান বাছ ৮/১০ বছৰ ধৰি পুৰণা হৈ অচল হৈ পৰি আছে সেই বিলাক অকৃচন্ কৰি বিক্ৰী কৰাৰ ব্যৱস্থা কৰা হব।

শ্ৰীকামাখ্যা চৰণ চৌধুৰী : অধ্যক্ষ মহোদয়, বাছ নতুনকৈ কিনাত কৰি এই বাছ বিলাক মেৰামতি কৰি চলোৱাৰ ব্যৱস্থা কৰিবনে? দ্বিতীয়তে (ঘ) প্ৰশ্নৰ উত্তৰত কৈছে যে, উপযুক্ত সংখ্যক বাছৰ যোগান কৰিব পাৰিলে তীৰ্থ যাত্ৰীৰ সুবিধাৰ বাবে হাজোলৈ বাছ দিয়াৰ বাবে বিবেচনা কৰিব। বাছ নোহোৱাৰ বাবে তীৰ্থযাত্ৰী সকলৰ বহুতো অসুবিধা হৈছে। কিয়নো হাজো লাইনেৰে যিবিলাক বাছ দূৰৰ পৰা আহে সেইবিলাক বাছ ৰাস্তাত নৰখায়। গতিকে পোৱামক্কা আৰু হয়গ্ৰীৱ মাধবলৈ যোৱা তীৰ্থযাত্ৰী সকলৰ বাবে অতি কমেও ২ খন বাছ তত্কালীনভাবে দিয়াৰ ব্যৱস্থা কৰিবনে?

শ্ৰীসুৰেন্দ্ৰ নাথ মেধি (মন্ত্ৰী) : অধ্যক্ষ মহোদয়, আমি দেখিবলৈ পাইছো যে, এনে কিছুমান বাছ আছে যিবিলাক বাছ মেৰামতি কৰিলে বহু টকা খৰচ হব আৰু বেচি দিন নাযায়। সেইকাৰণে নতুন বাছ কিনাৰ বাবে চিন্তা কৰা হৈছে। দ্বিতীয়তে তীৰ্থযাত্ৰীৰ সুবিধাৰ কাৰণে চিটি বাছ দিয়াৰ বাবে ইতিমধ্যে বিবেচনা কৰা হৈছে আৰু অতি সোনকালে দিয়াৰ ব্যৱস্থা কৰিম।

শ্ৰীকামাখ্যা চৰণ চৌধুৰী : অধ্যক্ষ মহোদয়, সময় সাপেক্ষে কেতিয়া দিয়াৰ ব্যৱস্থা কৰা হব? আজি পৰ্য্যন্ত ব্যৱস্থা লোৱা হোৱা নাই। নলবাৰী,

বৰপেটা আদিৰ পৰা গুৱাহাটীলৈ অহা বাছ তাত নৰয়। গতিকে অতি সোনকালে বাছ দিয়াৰ ব্যৱস্থা কৰিবনে ?

শ্ৰীসুৰেন্দ্ৰ নাথ মেধি ( মন্ত্ৰী ) : অধ্যক্ষ মহোদয়, কেইখনমান চিটি বাছ বাহিৰলৈ দিয়া হৈছে। তাৰ ভিতৰত জাগীৰোডলৈ ৩ খন, গুৱাহাটী বিশ্ববিদ্যালয়লৈ আৰু ইঞ্জিনিয়াৰিং কলেজলৈ ৮ খন আৰু ২ খন বাছ দিয়া হৈছে। তাৰ বাহিৰেও গুৱাহাটীৰ স্কুল আৰু কলেজৰ বাবে কিছুমান চিটিবাছ দিয়া হৈছে তাৰোপৰি স্কুল কলেজলৈ যোৱা আৰু অহাৰ সময়ত চিটিবাছৰ সংখ্যা আৰু বঢ়াই দিয়া হৈছে। এইবিলাকৰ পৰিপ্ৰেক্ষিতত সম্প্ৰতি বাছ দিয়াত অলপ অসুবিধা হৈ পৰিছে। গতিকে আমি বাছৰ অলপমান অভাৱ কমিলেই হাজোলৈ তীৰ্থ যাত্ৰী অহা যোৱাৰ বাবে বাছ দিব পাৰিম।

শ্ৰীকামাখ্যা চৰণ চৌধুৰী : অধ্যক্ষ মহোদয়, বিশ্ববিদ্যালয়লৈ কেতিয়াবাৰ পৰাই বাছ দিয়া হৈছে আৰু ইঞ্জিনিয়াৰিং কলেজলৈও কলেজ আৰম্ভ হোৱাৰে পৰাই বাছ দিয়া হৈছে জাগীৰোড আদি ঠাইলৈও বাছ দিয়া হৈছে। কিন্তু হাজোলৈ বাছ দিয়া হোৱা নাই। গতিকে যি ৫০ খন বাছ অচল হৈ পৰি আছে তাৰেপৰাই মেৰামতি কৰি দিয়াৰ বাবে ব্যৱস্থা কৰিবনে ?

শ্ৰীসুৰেন্দ্ৰ নাথ মেধি ( মন্ত্ৰী ) : অধ্যক্ষ মহোদয়, হাজোলৈ দুখন চিটি বাছ দিয়াৰ বাবে মই নিগমৰ সভাপতিক অনুৰোধ কৰিম।

শ্ৰীকামাখ্যা চৰণ চৌধুৰী : অধ্যক্ষ মহোদয়, হাজোলৈ বাছ দিয়াৰ বাবে তত্‌কালীন ভাবে ব্যৱস্থা গ্ৰহন কৰিবনে ?

শ্ৰীসুৰেন্দ্ৰ নাথ মেধি ( মন্ত্ৰী ) : অধ্যক্ষ মহোদয়, মই কৈছো যে, ২ খন দিব নোৱাৰিলেও এখন দিয়াৰ বাবে ব্যৱস্থা কৰিম।

Starred Question No. 500 was not called for. However written replies deemed to have been laid on the table as follows :

Re : A.S.T.C. Buses.

Sri Amritlal Basumatary asked :

* 500. Will the Minister, Transport be pleased to state :

(a) What is the fleet strength of buses of Assam state Transport Corporation ?

(b) How many of them were purchased in the years 1986-87, 1987-88 and 1988-89 ?

(c) Out of those how many of them are playing on the road ?

শ্ৰীসুৰেন্দ্ৰ নাথ মেধি ( আইন মন্ত্ৰী ) পৰিবহন মন্ত্ৰীৰ হৈ উত্তৰ দিছে :

(ক) ১৯৮৯ চনৰ ৩১ মাৰ্চলৈ মুঠ ৮৮৮ খন।

(খ) সময় সহ ক্ৰয় কৰা বাছবোৰৰ সংখ্যা :

| বৰ্ষ | বাছৰ সংখ্যা |
|---|---|
| ১৯৮৬-৮৭ | ১৭৩ খন। |
| ১৯৮৭-৮৮ | ৩৯ ,,। |
| ১৯৮৮-৮৯ | ১৯৬ ,,। |

(গ) মুঠ ৬৩৪ খন।

Short Notice Question and Answer

Short Notice Question No. 12 was not called for. However, written replies deemed to have been laid on the table as follows :

বিষয় : চেচা নদীৰ ওপৰত থকা কাঠৰ দলংৰ মেৰামতি

শ্ৰীকিৰণ কুমাৰ গগৈ য়ে সুধিছে :

১২। মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) ডিব্ৰুগড় জিলাৰ মৰাণ সমষ্টিৰ অন্তৰ্গত চেচুঘাট গড়কাপ্তানী আলিৰ চেচা নদীৰ ওপৰত থকা কাঠৰ দলংখনৰ অৱস্থা অতি শোচনীয় হোৱা কথাটো চৰকাৰে জানেনে ?

(খ) যদি জানে, দলংখনৰ মেৰামতিৰ বাবে ব্যৱস্থা লোৱা হৈছে নেকি ?

(গ) যদি লৈছে, কি ব্যৱস্থা লোৱা হৈছে আৰু কেতিয়াৰ পৰা দলংখনৰ মেৰামতিৰ কাম আৰম্ভ কৰিব ?

শ্ৰীঅতুল বৰা ( গড়কাপ্তানী মন্ত্ৰী ) য়ে উত্তৰ দিছে :

(ক) দলংখন বেয়া হোৱাৰ কথা চৰকাৰে জানে।

(খ) ব্যৱস্থা লোৱা হৈছে।

(গ) প্ৰাৰম্ভিক কাৰ্য্যাদেশ ঠিকাদাৰক দিয়া হৈছে আৰু সোনকালে কাম আৰম্ভ কৰা হব।

## Unstarred Questions and Answers

### Re: Road Tax.

Shri Abdul Muqtadir Choudhury asked:

841. Will the Chief Minister be pleased to state:

(a) Amount of Road Tax collected during 1987-88 and 1988-89 Assam?

(b) In how many cases, permit holder are found traceless and taxes could not be collected?

শ্ৰীসুৰেন্দ্ৰ নাথ মেধি (আইন মন্ত্ৰী) পৰিবহন মন্ত্ৰীৰ হৈ উত্তৰ দিছে:

(ক) যান-বাহনৰ পথ কৰ ১৯৮৭-৮৮ চনত ৯,১১,৬১,৬২৪ টকা আৰু ১৯৮৮-৮৯ চনত ৯,৯৭,৯২,৫২৮ টকা সংগ্ৰহ কৰা হৈছে।

(খ) নিৰুদ্দেশ অনুজ্ঞাপত্ৰধাৰীৰ হিচাপ বেলেগে ৰখা নহয়। গতিকে এনে গাড়ীৰ পৰা পাবলগীয়া কৰৰ সঠিক হিচাব দিব পৰা নাযায়।

### Re: O.B.C. Welfare Board Barpeta.

Sri A. F. Golam Osmani asked:

842. Will the Minister, Welfare of Other Backward Classes be pleased to state:

Total Amount sanctioned and disbursed by Other Backward Classes Welfare Board, Barpeta by way of grants either in cash or kind or both to the individuals or institutions in 1986-87 to 1988-89?

(Please supply the name of beneficiaries Blockwise with the sums involved respectively)

Shri S. N. Medhi (Minister, Law, justice, Parliamentary Affairs etc.) replied:

The Sub-Divisional Development Board for the welfare of O.B.C. Barpeta does not have any fund

to sanction and disburse the same by way of grants either in cash or kind or both to the individuals or institutions. Like every such Sub-Divisional Development Board for the Welfare of O.B.C it is an advisory body.

Therefore, furnishing the names of the beneficiaries of grants in cash or kind, sanctioned and disbursed by the Sub-Divisional Development Board for the Welfare of the O.B.C, Barpeta during the period from 1986-87 to 1988-89 does not arise.

Re: Inspection Bunglow

Shri Binai Khungur Basumatary asked:

843. Will the Minister, power be pleased to state:

(a) Whether a two roomed Inspection Bunglow of 'T & T' Type is being constructed at Barnagar 132 KV Sub-Station ?

(b) Whether tenders have been called for, and if so, is the lowest tender and at what rate ?

(c) Whether the lowest tenderer have been rejected by the Additional Chief Engineer ?

(d) If so, what considerations and ground ?

শ্ৰীগুনীন হাজৰিকা (শক্তি। বিদ্যুৎ মন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) হয়।

(খ) হয়। বৰপেটা ৰোডৰ শ্ৰীঅভিনন্দ ব্ৰহ্ম সৰ্ব্বনিম্ন হাৰত নিবিদা দাখিলকাৰী। তেওঁ ৩,২০,২৬২ ৬৪ পইচাৰে নিবিদা দিছিল।

(গ) হয়।

(ঘ) সৰ্ব্বনিম্ন নিৰিখৰ নিবিদা নিম্ন লিখিত কাৰণত গ্ৰহণ কৰা নহ'ল :

(১) সৰ্ব্বনিম্ন নিৰিখৰ নিবিদা দাখিলকাৰীয়ে জমা দিয়া আমানতৰ ধন নিৰিদাৰ চৰ্ত্তসমূহৰ ৭ম চৰ্ত্ত মতে হোৱা নাছিল।

(২) সৰ্ব্বনিম্ন নিৰিখৰ নিবিদাত দিয়া নিৰিখ যদিও ১৯৮৫-৮৬ চনৰ গড়কাপ্তানী বিভাগৰ অনুমোদিত নিৰিখতকৈ ১১%বেছি আছিল, বৰ্ত্তমান মূল্য

বৃদ্ধিৰ বাবে এই নিৰিখ প্ৰয়োজনতকৈ কম বুলি বিবেচনা কৰা হয়।

বিষয়: অটোৰিক্সা।

শ্ৰীৰত্নেশ্বৰ সৰকাৰে সুধিছে:

৮৪৪। মাননীয় পৰিবহন মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে:

(ক) অসমত পৰিবহন বিভাগৰ পৰা অনুজ্ঞাপত্ৰলৈ চলি থকা কিমানখন অটোৰিক্সা আছে?

(খ) উক্ত অটোৰিক্সা বিলাকৰ ভাড়া কি ভিত্তিত নিৰ্ণয় কৰা হৈছে?

(গ) অটোৰিক্সা বিলাকত মাইল মিটাৰ বহুৱাই ভাড়া নিৰ্দ্ধাৰণ নকৰাৰ বাবে যাত্ৰী সকল হাৰাশাস্তি হোৱা সম্পৰ্কে চৰকাৰ জ্ঞাতনে?

শ্ৰীসুৰেন্দ্ৰ নাথ মেধী ( আইন বিভাগৰ মন্ত্ৰী ) পৰিবহন বিভাগৰ মন্ত্ৰীৰ হৈ উত্তৰ দিছে:

(ক) ১৯৮৮ চনৰ ডিচেম্বৰ মাহলৈ মুঠ ৩০৪৯ খন অটোৰিক্সা পৰিবহন বিভাগৰ অনুজ্ঞাপত্ৰলৈ চলি আছে।

(খ) কিলোমিটাৰৰ ভিত্তিত অটোৰিক্সাৰ ভাড়া নিৰ্দ্ধাৰণ কৰা হয়।

(গ) এই বিষয়ে এতিয়ালৈ কোনো লিখিত অভিযোগ পোৱা নাই।

বিষয়: খৰমুজা লিফট ইৰিগেচন স্কীম।

শ্ৰীশেখ ছমান আলিয়ে সুধিছে:

৮৪৫ মাননীয় জলসিঞ্চন মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে:

(ক) খৰমুজা উত্তোলিত জলসিঞ্চন আচঁনিটো কি অৱস্থাত আছে?

(খ) কোন চনত এই আচঁনিখন তৈয়াৰ কৰা হৈছিল?

(গ) এতিয়ালৈকে এই আচঁনিখন কাৰ্য্যকৰি হৈ নুঠাৰ কাৰণ কি?

শ্ৰীদেৱ কুমাৰ বৰা ( জলসিঞ্চন মন্ত্ৰী ) য়ে উত্তৰ দিছে:

(ক) প্ৰস্তাৱিত উত্তোলন স্থানত নদীৰ মূল সুঁতি আতৰি যোৱা বাবে কেন্দ্ৰীয় জল-আয়োগে ১৯৮৭ চনৰ চেপ্তেম্বৰ মাহত হোৱা আলোচনাত এই প্ৰস্তাৱিত প্ৰকল্প গ্ৰহন নকৰে।

(খ) ১৯৮২ চনত।

(গ) ওপৰৰ 'ক' ত দিয়া উত্তৰৰ পৰিপ্ৰেক্ষিতত প্ৰশ্ন নুঠে।

Re : Extension and Improvement of Tedhara Pather

Shri Sheikh Abdul Hamid asked :

846. Will the Minister, Irrigation be pleased to state :

(a) What were the allocated amount for extension and Improvement of Tedhara Pather Phase- I & Phase-III L. I. S. in the Barpeta Sub-Divisional plan, during 1987-88 and 1988-89 ?

(b) Total amount spent for extension and improvement out of the said fund ?

Shri Deba Kumar Bora (Minister Irrigation) replied :

(a) There is no scheme called 'Extension and Improvement of "Tedhara Pather" However during 1987-88 and 1988-89 the amount allocated was Rs. 2·00 lakhs and Rs. 4·00 lakhs respectively for Tedhara Pather L. I. S. Phase-I and Rs. 2.00 lakhs and Rs. 2.05 lakhs respectively for Tedhara Pather L. I. S. Phase- II.

(b) Amount spent in 1987-88 and 1988-89 was Rs. 6·48 lakhs and Rs. 1·48 lakhs respectively for Tedhara Pather L. I. S. Phase- I and Rs. 6·71 lakhs and Rs 2·99 lakhs respectively for Tedhara Pather L. I. S. Phase-II.

Re : Publication in the weeklies Janakranti and Mujahid.

Shri Ardhendu Kumar Dey asked :

847. Will the Minister of State, Women and Social Welfare be pleased to state :

(a) Whether Government has any knowledge about the news published in the Weekly Janakranti date 16th March 1989 under the caption " দুৰ্নীতিৰ চৰম নিদৰ্শন : সমাজ কল্যান বিভাগ" ?

(b) Whether Government has also gone through the news published in the weekly Mujahid date 17th and 23rd

March 1989 under the caption "দুৰ্নীতিৰ কবলত সমাজ কল্যাণ বিভাগ"।

(c) If so, what measures have been taken by Government in those matters?

Smti Rekha Rani Das Boro (Minister of State, Social Welfare) replied :

(a) & (b) Yes.

(c) The matter is under investigation.

Re : Bus Stations.

Sri Aminul Islam asked :

848. Will the Chief Minister be pleased to state :

(a) Whether the Government is aware of the fact that most of the Bus Stations of A. S. T. C. are not having proper sitting arrangment, Urination and Latrine facilities for the passengers?

(b) Is it also a fact that whatever arrangements are in existence in the Bus Stations are not maintained properly.

(c) Whether there is any provision for regular washing of the bus stations to remove the cause of heath-hazards caused by poor maintenance of the Bus Stations?

(d) Whether the Government will be pleased to make adequate sitting arrangement and provision for lavatory etc. in the A.S.T.C. bus stations at an early date and also take immediate necessary action for proper maintenance of the existing Bus Stations?

শ্ৰীসুৰেন্দ্ৰ নাথ মেধি (আইন মন্ত্ৰী) পৰিবহন বিভাগৰ মন্ত্ৰীৰ হৈ উত্তৰ দিছে :

(ক) অসম ৰাজ্যিক পৰিবহন নিগমৰ আস্থান ও উপ-আস্থান সমূহত যাত্ৰীৰ বাবে বহাৰ আসন, প্ৰস্ৰাবগাৰ আৰু শৌচাগাৰৰ ব্যৱস্থা আছে।

(খ) নিগমৰ দুই এটা উপ-আস্থানত এই ব্যৱস্থানমূহৰ তদাৰকৰ ক্ষেত্ৰত ব্যতিক্ৰম হোৱাটো পৰিলক্ষিত হৈছে আৰু এই সম্পৰ্কত বিহিত ব্যৱস্থা লোৱা হৈছে।

(গ) সকলোবোৰ আস্থান ও উপ-আস্থান নিতৌ পৰিষ্কাৰ পৰিচন্নভাবে ৰখাৰ বাবে ৪ৰ্থ শ্ৰেণীৰ কৰ্ম্মচাৰী জমাদাৰ) নিযুক্তি দি উপযুক্ত ব্যৱস্থা গ্ৰহণ কৰা হৈছে।

(ঘ) বৰ্তমানে থকা ব্যৱস্থাসমূহৰ উন্নতি কৰাৰ বাবে চৰকাৰে অসম ৰাজ্যিক পৰিবহন নিগমক নিৰ্দ্দেশ দিব।

বিষয়ঃ বটাবাৰী জলসিঞ্চন আচঁনিঃ

শ্ৰীমহেন্দ্ৰ মোহন ৰায় চৌধুৰীয়ে সুধিছেঃ

৮৪৯। মাননীয় জলসিঞ্চন মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ

(ক) দৰং জিলাৰ মঙলদৈ সংমণ্ডলৰ অন্তৰ্গত নৈনে নদীৰ বটাবাৰী জলসিঞ্চন আচঁনিৰ কাৰণে বিভাগীয় জৰীপ চলেৱা কথাটো সভ্যনে?

(খ) যদি সত্য তেনেহ'লে আচঁনিখনৰ কাৰনে কিমান টকা ধাৰ্য্য কৰা হৈছে?

(গ) বিভাগীয় জৰীপৰ কাৰণে কিমান জন কৰ্মচাৰী নিযুক্তি দিয়া হৈছে?

শ্ৰীদেৱ কুমাৰ বৰা (জলসিঞ্চন মন্ত্ৰী) য়ে উত্তৰ দিছেঃ

(ক) সত্য নহয়।

(খ) প্ৰশ্ন নুঠে।

(গ) প্ৰশ্ন নুঠে।

Re : Repairing of Irrigation Project.

Shri Abdul Muqtadir Choudhury asked :

850. Will the Minister, Irrigation be pleased to state :

(a) Amount required for repair of the Irrigation Project damaged by Flood in Krimganj district?

(b) Amount released for repairing of the damaged Irrigation scheme in Karimganj district in 1987-88 and 1988-89?

Shri Deba Kumar Bora (Minister, Irrigation) replied :

(a) Rs. 31.90 lakhs for 1988 89.

(b) Rs. 2·00 lakhs during 1987-88, and Rs. 5·00 lakhs during 1988-89.

Re: D.T.W Scheme in Cachar District.

Shri Abdul Rob Laskar asked :

851. Will the Minister, Irrigation be pleased to state :

(a) Total number of on-going D.T.W. schemes in the District of Cachar and since when the work of those schemes have been starred ?

(Names and places of the schemes may be furnished)

(b) Is it a fact that no progress has been made the work of the above schemes due to the want of cement ?

(c) If so will the Government take immediate steps for supply of cement for the completion of the long pending works ?

Shri Deba kumar Bora (Minister, Irrigation) replied :

(a) 19 Nos. works started during 1982-87.

(List of schemes with date of starting placed on the table of the House)

(b) No.

(c) Does not arise.

Re : Scheme of Social Welfare Department.

Shri A. F. Golam Osmani asked :

852. Will the Minister of State, Social Welfare be pleased to state :

(a) What are the schemes available in the Department of Social Welf.re for the Welfare of the Women in the State ?

(b) Whether any or all schemes relating to the Women Welfare were taken in District Barpeta ?

(c) If so, what are the schemes taken since 1986-87 ? (Please state schemes location, outlays and year-wise)

Smti Rekha Rani Das Boro (Minister of State, Social Welfare) replied :

(a), (b), (c)- The required information ar being collected and will be furnished, when those are available.

Re : Grants by Social Welfare Department.

Shri A. F. Golam Osmani, asked.

853. Will the Minister of State, Social Welfare be pleased to State ;

(a) The amount spent by the Government by way of grants in cash/ kind to the individuals or institutions in Ba·peta district in 1937-88- ?

(Please furnish figures blockwise )

Smti. Rekha Rani Das Boro (Minister of State, Social Welfare) replied :

The required information is being collected and it will be furnished, when it is received.

বিষয় : নগাঁও যান্ত্ৰিক জলসিঞ্চন।

শ্ৰীআব্দুল জলিলে সুধিছে :

৮৫৪। মাননীয় জলসিঞ্চন মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) নগাওঁ যান্ত্ৰিক জলসিঞ্চন সংমণ্ডলত ১৯৮৮-৮৯ চনৰ বানপানীত মেৰামতিৰ নামত কিমান টকা ধাৰ্য্য কৰা হৈছে ?

(খ) এই টকাৰ বৰ্ত্তমানলৈ কিমান খৰচ হৈছে ?

(গ) এই খিনিৰ খৰচৰ কাৰণে কিমানখন নিবিদা আৰু কোটেচন আহ্বান কৰা হৈছিল ? ? (প্ৰতি খনত টকাৰ মূল্য দিব)

(ঘ) ক্ৰয় কৰা সামগ্ৰীবোৰ কিমান জন ঠিকাদাৰৰ পৰা লোৱা হৈছে ? (তালিকা দিব)

(ঙ) ক্ৰয় কৰা অৰ্ডাৰৰ প্ৰতিলিপি মুখ্য অভিযন্তা বা বিভাগীয় বিষয়ালৈ নীতিমতে প্ৰেৰণ কৰা হৈছেনে ?

শ্ৰীদেব কুমাৰ বৰা (জলসিঞ্চন মন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) ১৯.৫০ লাখ টকা।

(খ) ১৯.৫০ লাখ টকা।

(গ) নিবিদা- ১খন। কোটেচন- ৬খন (ক) (তালিকা সদনৰ মেজত ৰখা হ'ল)

(ঘ) ৫২ জন ( তালিকা (খ) সদনৰ মেজত ৰখা হ'ল )

(ঙ) হয়।

Re: Mini Stadium in Hapjan and Kakopather

Shri Dileswar Tanti asked:

855: Will the Minister, Sports & Youth Welfare be pleased to state:

(a) Whether the Government has finalised the selection of Site for Mini-stadiums under the Hapjan Development Block and Kakopather Development Block in the Tinsukia sub-division?

(b) If so, when these stadiums will be established?

শ্ৰীযতীন মালী ( ৰাজ্যিক শিক্ষা মন্ত্ৰী ) য়ে উত্তৰ দিছে:

(ক) তিনিচুকীয়া মহকুমাৰ অন্তৰ্গত হাপজান আৰু কাকপথাৰ খণ্ড উন্নয়ন এলেকাত মিনি ষ্টেডিয়াম নিৰ্মানৰ বাবে কোনো স্থান বাচনি কৰা হোৱা নাই।

(খ) প্ৰশ্ন নুঠে

Re: Improvement work in Balicherra embankment.

Shri Digendra Purkayastha asked:

856. Will the Minister, Flood Control be pleased to State:

(a) Whether any improvement work has been taken up on the Sonacherra Balicherra embankment under Hailakandi Flood Control Division during the year 1988-89?

(b) If so, what is the total amount spent and the details of work done?

(c) Whether the works were done departmentally or through contractor?

(d) If through contractors what were the names of the contractors?

(The name and address of the contractors may pleased be furnished).

শ্ৰীঅতুল বৰা ( বাননিয়ন্ত্ৰন মন্ত্ৰী ) য়ে উত্তৰ দিছে :

(ক) কোনো উন্নয়নমূলক কাম লোৱা হোৱা নাছিল। কেৱল বানপানীয়ে কৰা ক্ষতিৰ মেৰামতি আৰু বাৰ্ষিক মেৰামতিৰ কামহে কৰা হৈছিল।

(খ) (এ) প্ৰশ্নৰ উত্তৰৰ পৰিপ্ৰেক্ষিতত প্ৰশ্ন নুঠে।

(গ) (বি) প্ৰশ্নৰ উত্তৰৰ পৰিপ্ৰেক্ষিতত প্ৰশ্ন নুঠে।

(ঘ) (চি) প্ৰশ্নৰ উত্তৰৰ পৰিপ্ৰেক্ষিতত প্ৰশ্ন নুঠে।

Re: Supply of Power in Punirmukh:

Shri Digandra Purkayastha asked :

857. Will the Minister, Power be pleased to state :

(a) Whether Government received any representation from the villagers of Punirmukh S. C. Village in Silchar Sub-Division for supply of power to their respective house ?

(b) If so, what action has been taken by the Government so far in the matter ?

শ্ৰীগুনীন হাজৰিকা ( শক্তি/ বিদ্যুৎ মন্ত্ৰী ) য়ে উত্তৰ দিছে :

(ক) হয়।

(খ) উক্ত গাওঁত ইতিমধ্যে আঠজন গ্ৰাহকক বিজুলী যোগান ধৰা হৈছে। অধিক গ্ৰাহকক বিজুলী যোগান দিবৰ বাবে এই গাওঁত সম্প্ৰসাৰণৰ কাম বিদ্যুৎ পৰিষদে ইতিমধ্যে হাতত লৈছে আৰু এই কাম পৰ্য্যায়ক্ৰমে সম্পূন্ন কৰা হব।

বিষয় : কুশল কোঁৱৰ সমবায় সুতাকটা মিল।

শ্ৰীদেবেশ্বৰ বৰাই সুধিছে :

৮৫৮। মাননীয় সমবায় বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) শ্বহীদ কুশলকোঁৱৰ সমবায় সুতাকটা মিলে ১৯৮৯ চনৰ ৩১ মাৰ্চলৈ কিমানজন ব্যক্তিক কিমান পৰিমানৰ ধনেৰে অংশীদাৰ কৰিবলৈ সক্ষম হৈছে ?

(খ) শ্বহীদ কুশল কোঁৱৰ সমবায় সুতাকটা মিলৰ উৎপাদন কেতিয়াৰ পৰা আৰম্ভ কৰাৰ কথা আছিল আৰু উৎপাদন কেতিয়াৰ পৰা আৰম্ভ কৰিব ?

(গ) এই কলটোৰ বাবে অসম চৰকাৰে কিমান মুলধন আৰু অংশ ধন দিছে ?

(ঘ) এই মিলটোত বৰ্ত্তমান বিমানজন বিষয়া আৰু শ্ৰমিক নিয়োগ কৰা হৈছে ?

(ঙ) মিলটোৰ সু-পৰিচালনাৰ বাবে অংশীদাৰ সকলকৈ পৰিচালনা মন্দলী গঠন কৰাৰ ব্যৱস্থা গ্ৰহন কৰিবনে ?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত ( মুখ্যমন্ত্ৰী ) য়ে উত্তৰ দিছে :

(ক) ১১,৬২৫ জন ব্যক্তিক মুঠ ১৬'১৬ লাখ টকাৰ অংশীদাৰ কৰিবলৈ সক্ষম হৈছে।

(খ) প্ৰথম সংশোধিত প্ৰকল্প প্ৰতিবেদন মতে এই মিলৰ উৎপাদন ১৯৮৮ চনতে আৰম্ভ হোৱাৰ কথা আছিল। এতিয়া ১৯৯০ চনৰ মাজভাগত উৎপাদন আৰম্ভ হব বুলি আশা কৰা হৈছে।

(গ) অসম চৰকাৰে ৩১।৩।৮৯ তাৰিখলৈ অংশৰ বাবদ মুঠ ১১০'৬৯ লাখ টকা মঞ্জুৰ কৰিছে।

(ঘ) ৯ জন বিষয়া আৰু ২১ জন দক্ষ শ্ৰমিক (skilled labour) নিয়োগ কৰা হৈছে।

(ঙ) সমবায় আইনমতে কৰা যাব।

বিষয় : খুটীয়াপোটা নেঘেৰিটিং মথাউৰী।

শ্ৰীসুৰেন্দ্ৰ নাথ ভৰালীয়ে সুধিছে :

৮৫৯। মাননীয় বানিয়ন্ত্ৰণ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) খুটীয়াপোটা নেঘেৰিটিং মথাউৰীৰ আদৰ্শ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ ওচৰত নিৰ্মান কৰা চেক্‌বান্ধ চাৰিটা যোৱা বানপানীত নষ্ট হৈছে নেকি ?

(খ) যদি নষ্ট হৈছে চাৰিওটা চেক্‌বান্ধ পুনৰ নিৰ্মাণৰ ব্যৱস্থা লৈছেনে ?

(গ) যদি নাইলোৱা, কিয় লোৱা হোৱা নাই ?

(ঘ) চেকবান্ধ কেইটা সবল আৰু দীঘল কৰাৰ আঁচনি লৈছে নেকি ?

শ্ৰীঅতুল বৰা ( বাননিয়ন্ত্ৰণ মন্ত্ৰী ) য়ে উত্তৰ দিছে :

(ক) আংশিক ভাবে নষ্ট হৈছে।

(খ) ৪ আৰু ৬ কিঃ মিঃ চেক্‌বান্ধ পুনৰ নিৰ্মানৰ কাম হাতত লোৱা হৈছে।

(গ) পুঁতিৰ আকৃতি সলনি হোৱা বাবে পুনৰ নিৰ্মানৰ কাম হাতত লোৱা হোৱা নাই।

(ঘ) চেক্‌বান্ধ দুটাৰ ৪ আৰু ৬ কিঃ মিঃ সবল আৰু দীঘল কৰাৰ কাম হাতত লোৱা হৈছে।

Re : Functioning of S.C. Fishing and Marketing Society LTD.

Shri Bhabendra Nath Bharali asked :

860. Will the Minister of Co-operative be pleased to state :

(a) Whether Golaghat sub-divisional scheduled castes unemployed educated Youth fishing and Marketing Society Ltd. is functioning at present ?

(b) Whether its general meeting is held ?

(c) What are the properties of this Society ?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত ( মুখ্যমন্ত্ৰী ) য়ে উত্তৰ দিছে :

(ক) হয়।

(খ) হয়।

(গ) ১) কাঠৰ সা-সজুলি আনুমানিক মূল্য ১২২৮ টকা।

২) এখন জীপ গাড়ী আনুমানিক মূল্য ৪৮,000 টকা।

৩) বেংকত জমা ২,০৭২.৮৯ টকা

বিষয় : গুৱাহাটী মহানগৰীৰ ৰিক্সা আৰু ঠেলা।

শ্ৰীভৰত চন্দ্ৰ নৰহে সুধিছে :

৮৬১। মাননীয় পৰিবহন মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) গুৱাহাটী মহানগৰীত যন্ত্ৰচালিত ৰিক্সা আৰু ঠেলা চলাবলৈ চৰকাৰে অনুমতি দিয়া কথাটো সঁচানে ?

(খ) যদি সঁচা এনে ৰিক্সা আৰু ঠেলাৰ সংখ্যা কিমান ?

শ্ৰীসুৰেন্দ্ৰ নাথ মেধি (আইন মন্ত্ৰী) পৰিবহন বিভাগৰ মন্ত্ৰীৰ হৈ উত্তৰ দিছে:

(ক) সঁচা।

(খ) গুৱাহাটী মহানগৰীত পৰীক্ষমূলক ভাবে ১০০ খন যন্ত্ৰচালিত ৰিক্সা আৰু ১০০ খন যন্ত্ৰচালিত ঠেলা প্ৰবৰ্ত্তন কৰিবলৈ চৰকাৰে সিদ্ধান্ত লৈছে।

বিষয় : গাঁওত বৈদ্যুতিকৰণ আঁচনি :

শ্ৰীভৰত চন্দ্ৰ নৰহে সুধিছে :

৮৬২। মাননীয় শক্তি মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) সপ্তম পঞ্চবাৰ্ষিক পৰিকল্পনাত উত্তৰ লক্ষীমপুৰ মহকুমাৰ মুঠ কেইখন গাওঁ বৈদ্যুতিকৰণ কৰাৰ আচঁনি লৈছে ?

(খ) এতিয়ালৈকে উক্ত মহকুমাৰ মুঠ কেইখন গাওঁ বৈদ্যুতিকৰণ কৰা হৈছে ?

(গ) উত্তৰ লক্ষীমপুৰ মহকুমাৰ অন্তৰ্গত কদম, বগীনদী আৰু সোৱনশিৰি পঞ্চায়তৰ মুঠ কেইখন গাওঁ বৈদ্যুতিকৰণ কৰা হৈছে ?

(ঘ) বৈদ্যুতিকৰণ কৰিবলৈ বাকী থকা গাওঁবোৰ বৈদ্যুতিকৰণ কৰিবলৈ কি ব্যৱস্থা হাতত লৈছে ?

শ্ৰীগুনীন হাজৰিকা ( শক্তি/ বিদ্যুত মন্ত্ৰী ) য়ে উত্তৰ দিছে :

(ক) সপ্তম পঞ্চবাৰ্ষিক পৰিকল্পনাত উত্তৰ লক্ষীমপুৰ মহকুমাৰ ১৯৮৮-৮৯ চনলৈকে ৩৩৭ খন গাওঁলৈ বৈদ্যুতিকৰণ আচঁনি লোৱা হৈছে ।

(খ) বৰ্তমানলৈকে উত্তৰ লক্ষীমপুৰ মহকুমাৰ মুঠ ৬৩৬ খন গাৱঁলৈ বিদ্যুত যোগান ধৰা হৈছে ।

(গ) গ্ৰাম্য বৈদ্যুতিকৰণৰ আচঁনি থানা ভিত্তিকহে যুগুতোৱা হয়, গতিকে গ্ৰাম্য বৈদ্যুতিকৰণৰ অগ্ৰগতিৰ হিচাব থানাৰ ভিত্তিতহে কৰা হয়। সেই কাৰণে পঞ্চায়ত ভিত্তিত দিয়া সম্ভৱ নহয়। অৱশ্যে কদম, বগীনদী এলেকাৰ ভালেমান গাওঁলৈ ইতিমধ্যে বিদ্যুৎ যোগান ধৰা হৈছে। সোৱনশিৰি এলেকাত বৈদ্যুতিকৰণৰ আচঁনি লোৱা হৈছে।

(ঘ) বাকী থকা গাওঁবোৰ পৰ্য্যায়ক্ৰমে বৈদ্যুতিকৰণ আচঁনিত অন্তৰ্ভুক্ত কৰা হব।

Re : Breach in Kharmuja-Fakirganj Bundh.

Shai Maziruddin Ahmed asked :

863: Will the Minister, Flood Control be pleased to state :

(a) Whether breach has occurred in the Kharmuja-Fakirganj Bundh at Sholmari in last flood under Lakhipur Police Station ?

(b) Is it a fact that the said breach has been repaired with sand alone ?

(c) Whether there is a rule to roll the bundh in every-feet either by steam roller or by elephant ?

(d) If so, whether it has been done in the said repair work ?
(e) Whether the said sandy repair of the bundh will outstand the river current at the flood time ?
(f) If not, will the Government immediatly enquire into the said work ?

শ্রীঅতুল বৰা ( বাননিয়ন্ত্রন মন্ত্ৰী ) য়ে উত্তৰ দিছে :

(ক) হয়

(খ) সম্পূৰ্ণ সত্য নহয়। বালিমিশ্ৰিত পলসুৱা মাটিৰে বন্ধা হৈছে যদিও মথাউৰীৰ ওপৰত এটা টান মাটিৰ তৰপ দিয়া হৈছে।

(গ) বৰ্ত্তমান বিভাগত ভাপ ৰ'লাৰ বা হাতীৰ দ্বাৰাই মাটি ধুৰমুছ কৰা নহয়। লোৰ ধুৰমুছৰ দ্বাৰাইহে মাটি ধুৰমুছ কৰা হয়।

(ঘ) চলিত নিয়মত লোৰ ধুৰমুছেৰে কৰা হৈছে।

(ঙ) বান্ধটো বন্ধাৰ ক্ষেত্ৰত কাৰিকৰী আৰু বিত্তীয় দিশসমূহ চাইহে অনুমোদন দিয়া হৈছে আৰু উক্ত বান্ধটোৱে বান প্ৰতিৰোধ কৰিবলৈ সক্ষম হ'ব বুলি বিবেচনা কৰা হৈছে।

(চ) প্ৰশ্ন নুঠে।

বিষয় : যাত্ৰীবাহী বাছ।

শ্ৰীকামাখ্যা চৰণ চৌধুৰী য়ে সুধিছে :

৮৬৪ মাননীয় পৰিবহন মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) গুৱাহাটী, হাজো, নলবাৰী গড়কাপ্তানী পথত দিনে নিশাই কিমান যাত্ৰীবাহী বাছ চলাচল কৰে ?

(খ) এই আটাই বিলাক যাত্ৰীবাহী বাছৰ অনুজ্ঞাপত্ৰ আছেনে ?

(গ) যদি নাই, এই বাছবোৰ চলোৱা টো বন্ধ কৰিবনে ?

শ্ৰীসুৰেন্দ্ৰ নাথ মেধি ( আইন মন্ত্ৰী ) পৰিবহন বিভাগৰ মন্ত্ৰীৰহৈ উত্তৰ দিছে।

(ক) মুঠ ২৫২ খন বাছ চলাচল কৰে।

(খ) হয়, অনুজ্ঞাপত্ৰ আছে।

(গ) প্ৰশ্ন নুঠে।

Re. : Inter-District Permits between Goalpara and Kamrup.

Shri Sheikh Saman Ali, asked :

865. Will the Minister, Transport be pleased to state :

(a) How many inter-district Bus permits are there in between Goalpara and Kamrup ?

(b) What are the numbers and names of Bus stations are to be covered by those Buses ?

(c) Is it a fact that the said Buses are not plying from their scheduled station ?

(d) If so, what actions have been taken by the Government against those Buses ?

শ্ৰীসুৰেন্দ্ৰ নাথ মেধি ( আইন মন্ত্ৰী ) পৰিবহন বিভাগৰ মন্ত্ৰীৰ হৈ উত্তৰ দিছে :

(ক) মুঠ ২০ খন বাছৰ পাৰ্মিট আছে।

(খ) এই বাছ সমূহে মুঠ ৫২ টা আস্থান চুই যায়।

আস্থান সমূহৰ বিৱৰণৰ :

ধাৰাপুৰ, পলাশবাৰী, মিৰ্জা, লোহাৰঘাট, বাটৰহাট বিজয়নগৰ, ছয়গাওঁ, গুমি, বকো, শিংৰা নবগৰবেৰা, হেকেৰা, ধূপধৰা, দুধনৈ, মৰনৈ, সৈনিকস্কুল, গোৱালপাৰা, আগিয়া, টিকিৰাবিল্লা, সিদামপুৰ, ফুলবাৰী, শিঙিমাৰী, মানকাছাৰ, পঞ্চৰত্ন, লক্ষীপুৰ, মাটিয়া, শিমলিটোলা, ৰংজুলি, পুখাভিটা, কৰাতাই, হাতীগাওঁ, বলবোলা, চুনাৰী, জলেশ্বৰ, লেলা, দহিলা, ধালিগাওঁ বৰগোলা, বঙাগেৰা, দলগাওঁ, গাইবন্ধা, দক্ষিনশালমাৰা, চাপাগুৰী, গকুতেকা, বিজনী, শিয়ালমাৰি, হাউলি, বৰপেটা, দোলাশাল, হাজো।

(গ) নগৰবেৰাৰ বাহিৰে অন্য কোনো আস্থানৰ পৰা গাড়ী নচলাৰ অভিযোগ পোৱা হোৱা নাই।

(ঘ) বাছ চলাচল নকৰাৰ অভিযোগৰ পৰিপ্ৰেক্ষিতত সংশ্লিষ্ট অনুজ্ঞা পত্ৰধাৰী সকলোৰ পৰা কৈফিয়ৎ তলব কৰা হৈছে।

Re: Communities included in Backward Classes.

Shri Sheikh Abdul Hamid asked:

866. Will the Minister, Welfare of Plain Tribe and Backward Classes be pleased to state:

(a) What are the communities included in the list of Backward Classes?

(b) Whether the Government has taken any proposal for inclusion of people living in the Char Area of Assam in the list of Backward Classes and to provide benefit?

(c) What are the development schemes taken up by the Government for Welfare of Backward Classes & success made there of?

Shri Surendra Nath Medhi (Minister Law, Justice, Parliamentary Affairs etc.) replied:

(a) Backward Classes of Assam include the Scheduled Castes, Scheduled Tribes (Hills) and Scheduled Tribes (Plains) of Assam. Other than these, there are some other communities of Assam which have been recognised by the Government of Assam as other Backward Classes (including More Other Backward Classes) of Assam.

(b) No, but the Government of Assam have been implementing many developmental schemes specifically for the Char Areas of Assam through the Assam State Char Areas Development Authority.

(c) The State Government have taken up various measures for Socio-Economic upliftment of the SC, ST (P), ST (H), OBCs (including MOBCs) and Tea Garden & Ex-Tea Garden Tribes.

For accelerating the development of ST (P), ST (H)

and SC of Assam the State Government have been implementing separate Sub-Plans for them with due regard to their needs and the scope for development.

As regards OBCs (including MOBCs) and the Tea and Ex-Tea Garden Tribes, the State Government have been implementing separate welfare schemes, which cover mainly educational benefits, such as, scholarships & stipends, health benefits, such as financial assistance for medical treatment of poor persons belonging to these communities suffering from cancer and such malignant diseases, family oriented economic benefits for the poor families belonging to these communities.

The separate Sub-Plans for the ST (P), ST (H) and SC and the above mentioned separate welfare schemes for the OBCs (including MOBCs) and the Tea Garden and Ex-Tea Garden Tribes have been helping the furtherance of their welfare.

Re : ICDS scheme in Mondia Development Block.

Shri Sheikh Abdul Hamid asked.

867. Will the Minister of State, Social Welfare be pleased to State :

(a) Whether the Hon'ble Minister of State, Social Welfare received a letter on 6th February, 1989 from the questioner requesting to include Mondia Development Blocks in I.C.D.S. schemes ?

(b) Whether in the said letter a reference was made to the letter No. D.O. No.14-2/88-CD dt. 11th January, 1989, Ministry of Human Resource Development, Women & Child Development etc. Government of India ?

(c) What steps taken by the Government for inclusion of Mondia Development Block in I.C.D.S. programme in the spirit of letter Government of India, Ministry of

Women & Child Development etc. ?

Smti. Rekha Rani Das Boro ( Minister of State, Social Welfare) replied :

(a) & (b)- Minister of state, Social Welfare, Assam received a letter dt. 6th February, 1989 from Sheikh Abdul Hamid, Hon'ble Member had requested to the State Government to take up with the Government of India to include Mondia Development Block of Assam for ICDS. In this letter he had made a reference to the D.O. letter No. 14-2/88-CD, dt. 11th Jan, 1989 from the Union Minister of State, Department of Women and Child Development, Ministry of Human Resource Development of the Government of India.

c) For ICDS which is a 100% Centrally Assisted Centrally Sponsored Scheme of the Government of India, proportion of SC & ST population in a Development Block is an important criterion as per their guidelines for considering the selection of the Development Block for the introduction of the ICDS in the block. Since January, 1988, the proposal of the Government of Assam is pending with the Department of Women and Child Development of the Ministry of Human Resource Development of the Government of India for the approval of the Government of India to the starting of ICDS in 10 Development Blocks in Assam. The State Government have been pursuing the matter vigorously with the Government of India for their early approval. On receipt of the communication from the Hon'ble Member, the case of Mandia Development Block has been examined by the State Government. It is found that the percentage of SC & ST population at the respective Development Block level in many of the above mentioned ten

Development Blocks is higher than the SC & ST percentage of population in respect of Mandia Development Block. Since the Government of India's decision in respect of these ten suggested Blocks is still pending, the State Government have decided to pursue the same first, before sending any further proposal like that the Mandia Development Block.

Re: 6th Plan Allocation

Shri A. F. Golam Osmani asked :

868. Will the Minister Flood Control be pleased to State :

(a) What is the 6th Plan Allocation for Flood Control Department of Assam with reference to Brahmaputra Valley and Barak Valley Zones respectively ?

(b) Since when the funding of Brahmaputra Valley Flood Control Projects came under the central sector ?

(c) How much money was made available to Barak Valley Zone in 7th Plan for work, Establishment and L. A. charges.

(d) The amount spent in 4 years of 7th Plan in Barak Valley Zones ? (Please quote year wise figures).

(e) How much money as made available for the Brahmaputra Valley Zone in 7th Plan and amount spent in last 4th years ? (Please quote year wise figures).

শ্ৰীঅতুল বৰা (বান নিয়ন্ত্ৰন মন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) ব্ৰহ্মপুত্ৰ উপত্যকাত ৰাজ্যিক আঁচনিত = ৩৬৮.৮৪ লাখ টকা

কেন্দ্ৰীয় ঋণ সাহাৰ্য্যৰ বাবদ = ৬৯০.০০ „

মুঠ ১০৫৮.৮৪ লাখ টকা

বৰাক উপত্যকাৰ ৰাজ্যিক আঁচনিত = ১৪৭৯.৭৩ লাখ টকা

(খ) কেন্দ্ৰীয় চৰকাৰে ১৯৭৪-৭৫ চনৰ পৰা কেন্দ্ৰীয় ঋণ সাহাৰ্য্য অসম চৰকাৰলৈ আগবঢ়াইছে।

(গ) কাম আৰু মাটি অধিগ্ৰহণ কৰাৰ বাবদ মুঠ টকা ৯৮৯.২৮ লাখ ধাৰ্য্য কৰা হৈছিল আৰু দৰমহাৰ বাবদ মুঠ ৩১৭.২৭ লাখ ধাৰ্য্য কৰা হৈছিল।

(ঘ) বৰাক উপত্যকাত ৭ম বাৰ্ষিক পৰিকল্পনাৰ প্ৰথম চাৰি বছৰৰ খৰছ তলত দিয়া হ'ল।

| বছৰ | টকাৰ পৰিমান |
|---|---|
| ১৯৮৫-৮৬— — — — | ২৭৫.০৮৫ লাখ |
| ১৯৮৬-৮৭— — — — | ২৯৭.৩০৯ ,, |
| ১৯৮৭-৮৮— — — — | ৩৩৪.০৮৬ ,, |
| ১৯৮৮-৮৯— — — — | ২৭৬.৪৯০ ,, (ফেব্ৰুৱাৰী/৮৯ লৈ) |

(ঙ) ব্ৰহ্মপুত্ৰ উপত্যকাত ৭ম পৰিকল্পনাত ধাৰ্য্যকৰা ধনৰ পৰিমান আৰু খৰছ তলত দিয়া হ'ল।

| বছৰ | ধাৰ্য্য কৰা ধনৰ পৰিমান | খৰছ |
|---|---|---|
| ১৯৮৫-৮৬ | ১৬০৯.২০ লাখ | ১৭৪৪.৬৪০ লাখ |
| ১৯৮৬-৮৭ | ১৬৩৯.৪৫ ,, | ১৫৬৩.৫২৭ ,, |
| ১৯৮৭-৮৮ | ২৩৯০.৫০ ,, | ২৩৭০.১২৫ ,, |
| ১৯৮৮-৮৯ | ২৪৩৭.৫০ ,, | ১২৬৭.১৭৫ ,, |
| | | (ফেব্ৰুৱাৰী/৮৯ লৈ) |

Re: River Kaloo Flow Irrigation Scheme :

Shri Aminul Islam asked :

869. Will the Minister, Irrigation be pleased to State :

(a) At what stage the proposed "River Kaloo Flow Irrigation" Scheme (In Mankachar Legislative Assembly Constituency) is lying at present ?

(b) Will the Government start the construction works of the scheme and complete the same within 1990 ?

Shri Deba Kumar Bora (Minister, Irrigation) replied :

(a) At present there is no such proposal for taking-up a Flow Irrigation Scheme from River Kaloo under the

State plan as a flow scheme from river Kaloo for benefiting the area in the state of Assam alone is not financially viable. Proposal for a regional medium flow irrigation scheme from Kaloo River for benifit to areas both in Assam and Meghalaya has been submitted to the N. E. C. by the Chief Engineer Irrigation.

(b) Does not arise at present.

বিষয় : গড়া খহনীয়া প্ৰতিৰোধ আচঁনি

শ্ৰীমহেন্দ্ৰ মোহন ৰায়চৌধুৰীয়ে সুধিছে :

৮৭০। মাননীয় বাননিয়ন্ত্ৰন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) অসমত বৰ্ত্তমান ( ১৯৮৯ চনৰ মাৰ্চ মাহলৈকে ) নদী আৰু উপনদীৰ কিমানটা গড়াখহনীয়া প্ৰতিৰোধ আচঁনি বিভাগীয় অনুমোদন হৈ আছে ?

(খ) দৰং জিলাৰ মঙ্গলদৈ সংমণ্ডলৰ অন্তৰ্গত নোৱা নদীৰ আদৰ্শগাওঁ ( কলাই গাওঁ সমষ্টিৰ ) গড়াখহনীয়া প্ৰতিৰোধ আচঁনিটো কোন চনত বিভাগীয় অনুমোদন পাইছিল ?

শ্ৰীঅতুল বৰা ( বান-নিয়ন্ত্ৰন মন্ত্ৰী ) য়ে উত্তৰ দিছে :

(ক) সপ্তম পৰিকল্পনাৰ আৰম্ভনীৰ পৰা অৰ্থাৎ ১৯৮৫-৮৬ চনৰ পৰা ১৯৮৯ চনৰ মাৰ্চ মাহলৈ অসমত মুঠ ১৩৩ খন গড়া-খহনীয়া আচঁনি বিভাগীয় অনুমোদন হৈছে।

(খ) এই আচঁনিখনৰ বিভাগীয় অনুমোদন হোৱা নাই। কিন্তু নৰম কাৰিকৰী উপদেষ্টা সমিতিতহে অনুমোদিত হৈ আছে। বিত্তীয় অভাবৰ হেতুকে আচঁনি খনৰ কাম হাতত লব পৰা হোৱা নাই।

## MATTER RAISED DURING ZERO HOUR

Mr. Speaker : Now, Zero- Hour matter. Hon'ble Member, Shri Bharat Ch. Narah and Hon'ble Member, Shri Avijit Sharma will raise an important matter regarding Karbi Anglong District.

শ্ৰীভৰত চন্দ্ৰ নৰহ : অধ্যক্ষ মহোদয়, কাৰ্বি আংলঙৰ বিষয়টো পিচলৈ উত্থাপন কৰিম। আপোনালৈ চিঠিৰে জনাই দিছো।

মাননীয় অধ্যক্ষ : পিচত চাম। Now, another zero-hour matter will be raised by the Hon'ble Member, Shri Balabhadra Tamuly.

• শ্ৰীবলোভদ্ৰ তামুলী : মাননীয় অধ্যক্ষ মহোদয়, মই এটা বৰ সাংঘাটিক বিষয়ৰ ওপৰত কম। বিষয়টো হৈছে ফিচাৰী বিভাগৰ নিয়মনীতিৰ ওপৰত। যোৱা ২৬ তাৰিখে মোৰ বোকাখাট সমষ্টিত এখন বিল চেটোলমেণ্ট দিছে। সেইখন হৈছে তিনচুকী ৰৰবিল মীন সমবায় সমিতি। কিন্তু যোৱা ১৩।১২।৮৮ তাৰিখে অসম বিধান সভাত এটা সিদ্ধান্ত লৈছিল ফিচাৰী বিলাক যিহেতু ক্ষতি হৈছে সেই কাৰণে চিটিংলেছক বিলাকক এক্সটেনচন দিয়া হব। কিন্তু হঠাতে দেখা গল যে চৰকাৰৰ সিদ্ধান্ত আৰু ঘোষনাৰ বিপৰীতে গৈ যোৱা ২৬ মাৰ্চত মোৰ বোকাখাট সমষ্টিত তিনচুকী ৰৰবিল মীন শিল্প সমবায় সমিতিক দুবছৰৰ কাৰণে পট্টন দিলে। এই যিটো কাম কৰিলে চৰকাৰৰ সম্পূৰ্ণ ঘোষিত নীতিৰ বিপৰীতে কৰা হৈছে। মই এইখিনিতে মন্ত্ৰী মহোদয়ক দুটামান কথা অৱগত কৰিব খুজিছে যে এই তিনচুকী ৰৰবিল মীন শিল্প সমবায় সমিতিখন এখন কেলেংকাৰী সমিতি। এই সমিতিখনে অসম চৰকাৰৰ বিৰুদ্ধে বৰ্ত্তমান চুপ্ৰীম কোৰ্টত কেচ দিছে। তাৰোপৰি এই সমিতিয়ে বিভিন্ন সময়ত বিভিন্ন ধৰণৰ অসুবিধা সৃষ্টি কৰিছে। তথাপিও বিভাগে বাৰে বাৰে কিয় এই সমিতিৰ প্ৰতি মৰম দেখুৱাইছে মই বুজি পোৱা নাই। এইটো এটা চিৰিয়াচ মেটাৰ। চেটোলমেণ্ট দিয়াৰ ক্ষেত্ৰত মই উল্লেখ কৰিব খোজো যে কগতে লিখি দিয়া হৈছিল চিটিংলেচিৰ ৰিপৰ্ট ডি, চিৰ পৰা নহাৰ কাৰণে আৰু চৰকাৰৰ ৰাজহ ক্ষতি নোহোৱাৰ বাবে চেটোলমেণ্ট দিয়া হৈছে। কিন্তু আচৰিত কথা যে ধনশিৰিৰ যিখন মীন সমবায় সমিতি আছে সেইখনৰ চেটোলমেণ্ট যোৱা ৩০ জুন তাৰিখে শেষ হৈছে। তেওঁলোকে এক্সটেনচন বিচাৰিছিল। কিন্তু আজি জুলাইৰ পৰা আহি মে মাহ পালেহি এক্সটেনচন দিয়াৰ বাবে চিন্তা কৰা হোৱা নাই। কিন্তু আনহাতে তিনচুকী ৰৰবিল মীন সমবায় সমিতিৰ প্ৰতি মীন বিভাগ ইমান মৰমীয়াল আৰু দৰদী যে তেওঁলোকক এক্সটেনচন দিছে। তিনচুকী ৰৰবিল মীন সমবায় সমিতিয়ে প্ৰথমে অসম চৰকাৰৰ বিৰুদ্ধে ১৯৮০ চনতে হাই-

• Speech not Corrected

কোৰ্ট কৰিছিল এতিয়াও ৭ খন মান কেচ চলি আছে। তেওঁলোক হাই-কোৰ্টত হাৰি চুপ্ৰীম কোৰ্ট পাইছেগৈ অকল বোকাখাট সমষ্টিতেই নহয় অসমৰ বিভিন্ন ঠাইত এনেধৰনৰ ঘটনা ঘটিছে। এতিয়া এনে অৱস্থা হৈছে যে মই'মোৰ সমষ্টিত মুখ দেখুৱাব নোৱাৰা অৱস্থা হৈছে। এনেধৰণৰ ঘটনা গেলাবিল, চেঙে মীন সমবায়ৰ ক্ষেত্ৰতো হৈছে। তিনচুকী ৰবিল মীন সমবায় সমিতি শ:কৰা ৬০ পৰা শতকৰা ৪০ কৰি দিলে আৰু গেলাবিলৰ ক্ষেত্ৰত শতকৰা ৪০ কৰিলে আৰু ডি, চিলৈ লিখিলে যে সোনকালে নিবিদা দিব লাগে। গতিকে সকলো বিলাক বিষয়াৰ ওপৰত তদন্ত হব লাগে। কম্পট্ৰলাৰ অডিটৰ জেনেৰেলৰ ১৯৮৮ চনৰ দাখিল কৰা ৰিপৰ্ট মতে ফিচাৰী বিভাগত বহুতো খেলি মেলি আছে গতিকে মীন বিভাগৰ ওপৰত চেটোলমেণ্ট আৰু এক্সটেনচন দিয়াৰ ক্ষেত্ৰত যিবিলাক কেলেংকাৰী আছে সেইবিলাকৰ প্ৰতি চকু দিব লাগে। নহলে ৰাজহ যথেষ্ট পৰিমাণে ক্ষতি হব। চৰকাৰৰ যিটো স্থিতি সেইটো হানিকাৰক হৈছে গতিকে ধুবুৰীৰ পৰা আৰম্ভ কৰি অসমৰ ইমুৰৰ পৰা সিমুৰলৈ তদন্ত কৰাৰ বাবে সদনত এটা কমিটী গঠন কৰি মীন বিভাগৰ এটা তদন্ত গঠন ক'ৰিব লা'গে। আগৰ প্ৰাক্তন মন্ত্ৰী শ্ৰীললিত ৰাজখোৱা ও শ্ৰীনগেন শৰ্মাইও এই গোটেই কথাখিনি জানে। যোৱাবাৰো একে ঘটনাই ঘটিল আৰু এইবাৰো পুণৰ একেঘটনাই ঘটিল। গতিকে এই সমবায় সমিতিয়ে অসম চৰকাৰক অপদষ্ট কৰাৰ কাৰণে বিভিন্ন ধৰণৰ কৌশল চলাই আছে। তেনে অৱস্থাত এই চোইটি বিলাবক কি কাৰণে স'লো নীতি নিয়ম ভঙ্গ কৰি পুণৰ চেটোলমেণ্ট দিয়া হৈছে সেই বিষয়ে মই মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিলো।

শ্ৰীউমেশ দাস ( মন্ত্ৰী ): মাননীয় অধ্যক্ষ মহোদয়, এই সম্পৰ্কত মই পিচত বিবৃতি দিম।

শ্ৰীসুৰেন্দ্ৰ নাথ মেধি ( মন্ত্ৰী ): যোৱা ১২/৪/৮৯ ইং তাৰিখে মাননীয় সদস্য শ্ৰীমাজিকদ্দিন আহমেদ ডাঙৰীয়াই উত্থাপন কৰা তৰাবিহীন ৫১০ নং প্ৰশ্নৰ উত্তৰত অলপ বিসঙ্গতি হৈছে। উক্ত প্ৰশ্নৰ উত্তৰ হব লাগে এনে ধৰণৰ-

*Speech not corrected

(ক) ধন আদায়ৰ বাবে ব্যৱস্থা লোৱা হৈছে বুলি কোৱা হৈছিল।

(খ) দিব পৰা নগল।

(গ) ১৯৮৮-৮৯ চনৰ ভিতৰত বাকী থকা ধন আদায় দিয়াৰ বাবে ব্যৱস্থা লোৱা হব বুলি কোৱা হৈছিল যদিও আৰ্থিক সংকটৰ বাবে ধন আদায় দিব পৰা নগল। চলিত বিত্তীয় বছৰত ধন আদায় দিয়াৰ বাবে যত্ন কৰা হৈছে।

শ্ৰীমুক্তাৰ হুচেইন: অধ্যক্ষ মহোদয়, তাৰাংকিত প্ৰশ্ন সমূহৰ উত্তৰ দিওঁতে আমি দেখা পাওঁ যে বহুত সময়ত শুদ্ধ নহয়। যাৰ কাৰণে আপোনাৰ ওচৰত আধা ঘণ্টা সময় আলোচনাৰ বাবে বিচাৰি নটিচ দিব লাগে। গতিকে এই ধৰণে কেতিয়াবা যদি ভুল হয় শুধৰাই দিলে ভাল হয়।

Mr Speaker : This should be done.

## CALL ATTENTION NOTICE

Mr. Speaker : Now item No. 2, Hon'ble Shri Hemen Das.

Shri Hemen Das : "Another misappropriation case of Social Forestry".

মাননীয় অধ্যক্ষ মহোদয়, ইয়াত যিটো ছচিয়েল ফৰেষ্টিৰ কথা আছে সেইটো বিষয় বস্তুৰ লগত কোনো সম্পৰ্ক নাই। যি কি নহওক ইয়াত উত্থাপিত হোৱা বিষয়টোৰ ওপৰত যে টকা অপব্যয় হৈছে তাক ভালকৈ পঢ়িলে বুজিব পৰা যায়। ইয়াত তাৰে কেইটামান তথ্য লৈ দাঙি ধৰিছো। এটা তথ্য হৈছে ধুবুৰী ডি আৰ ডি এৰ পৰা দক্ষিণ শালমাৰা খণ্ড উন্নয়ন বিষয়াক ৫ লাখ ৭০ হেজাৰ টকা দিয়া হৈছিল ৩৮ খন মহিলা সমবায় সমিতিক দিয়াৰ কাৰণে। এই মহিলা সমবায় সমিতি কেইখনে কি ধৰণৰ কাম কৰিব তাত নিৰ্দ্দেশ দিয়া আছিল। যেনে যন্ত্ৰপাতি আৰু আচ-বাব কিনাৰ কাৰণে, তাৰ পিচত ঘৰ মেৰামতিৰ কাৰণে, প্ৰশিক্ষণ দিয়াৰ কাৰণে। এনেদৰে ৩৮ খন মহিলা সমবায় সমিতিক টকা দিয়াৰ কাৰণে লিখা আছিল। কিন্তু মাত্ৰ এখন মহিলা সমবায় সমিতিয়েহে টকা পাইছে। বাকী ৩৭ খন

সমিতিয়ে টকা পোৱা নাই। দক্ষিণ শালমাৰা প্ৰগতি মহিলা সমবায় সমিতিয়ে টকা পাইছে। বাকীবিলাকে নেজানে যে তেওঁলোকৰ নামত টকা গৈছে। আনএটা শিতান হৈছে ট্ৰাইচেম। ( Mr. Speaker left the Chamber and Shri Dinabandhu Choudhury, Chairman occupied the seat. ) ট্ৰাইচেম শিতানত ১ লাখ ১ হাজাৰ ৪৮৫ টকা বিতৰণ কৰা হৈছে। ৩৩ টা মহিলা সমবায় সমিতিৰ নামত টকা পাইছে। ইয়াৰ আগতে সামাজিক বনানীকৰণত যথেষ্ট দুৰ্নীতি হৈছে। এতিয়া এইটো কি? মহিলা সমবায় সমিতিৰ নামত ৬ লাখ ৭১ হাজাৰ ৪৮৫ টকা বেচি ভাগেই অপব্যয় হৈছে। মানুহৰ সন্দেহ হৈছে যে এই টকা ভগাই খাইছে। এই বিষয়ে চৰকাৰৰ পৰা মই বিতং জানিবলৈ বিচাৰিছো।

চেয়াৰমেন: এতিয়া গ্ৰামোন্নয়ন বিভাগৰ মন্ত্ৰীৰ হৈ উদ্যোগ বিভাগৰ মন্ত্ৰীয়ে সদনত বিবৃতি পাঠ কৰিব।

* শ্ৰীগুনীন হাজৰীকা ( উদ্যোগ মন্ত্ৰী ) : মাননীয় চেয়াৰমেন মহোদয়, DWCRA কাৰ্য্যসূচীৰ অধীনত ১৯৮৩-৮৪ চনৰ পৰা ১৯৮৬-৮৭ চনৰ সময়ছোৱাত দক্ষিণ শালমাৰা উন্নয়ন খণ্ডৰ ৩৮ খন সমিতিৰ কাৰণে সৰ্ব্বমুঠ ৫,৭০,০০০ টকা ব্যয় ধাৰ্য্য কৰা হয়। ইয়াৰ ভিতৰৰে ৭৫০০০ টকা দক্ষিণ শালমাৰা উন্নয়ন খণ্ডৰ খণ্ড উন্নয়ন বিষয়া লৈ ৫ খন মহিলা সমিতিৰ সামগ্ৰী। আচ-বাব পত্ৰ, ঘৰৰ মেৰামতি, গ্ৰুপ লিডাৰৰ মেহনতি, গ্ৰুপ লিডাৰৰ ভ্ৰমন বানচ, প্ৰশিক্ষন, শিশুৰ প্ৰতিপালন প্ৰদৰ্শন আৰু ঘূৰ্নীয়মান পুঁজি ( ৰিভলভিং ফাণ্ড ) আদিৰ কাৰণে ১৯৮৩-৮৪ চনত পোনপটীয়াকৈ মোকলাই দিয়া হয়। বাকী থকা ৪,৯৫,০০০ ( ৫,৭০,০০০-৭৫০০০ ) টকাৰ ভিতৰৰ ১,৪৪,৩৮২ টকা ৩৩ খন DWCRA সমিতিলৈ তেওঁলোকৰ গ্ৰুপ লিডাৰৰ জৰিয়তে ১৯৮৬-৮৭ চনত একাউণ্ট পেয়িং চেকৰ জৰিয়তে মোকলাই দিয়া হয়। এই ১ লাখ ৪৪ হেজাৰ ৩৮২ টকাৰ পৰা ৪০ হেজাৰ ৬০৫ টকা DWCRA আৰু ১ লাখ ৩ হাজাৰ ৭৭৭ টকা TRYSEM ৰ কাৰণে মোকলাই দিয়া হয়। গ্ৰাম

---

* Speech not corrected

সেৱিকা সকলক গ্ৰুপ লিডাৰৰ দৈতে যুটীয়া ভাবে চলাব পৰা বেঙ্ক একাউন্ট খুলিবৰ কাৰণে যথোপযুক্ত ভাবে নিৰ্দ্দেশ দিয়া হৈছিল। এনেদৰে বাকী থকা ৩ লাখ ৫০ হেজাৰ ৬১৮ টকাৰ ভিতৰৰে ১ লাখ ২৫ হেজাৰ ২১৪ টকাৰ সামগ্ৰী আৰু আচ-বাব পত্ৰ সামগ্ৰী হিচাবত আৰু ৬২ হেজাৰ ৪৪০ টকা ঘৰ মেৰামতিৰ মজুৰীৰ বাবদ ৩৩ খন DWCRA মহিলা সমিতিলৈ উন্নয়ন খণ্ডৰ জৰিয়তে একাউন্ট পেয়িং চেক হিচাবে মোকলাই দিয়া হয়। বাকী থকা একলাখ ৬২ হেজাৰ ৯৬৪ টকাৰ পৰা ২১ হেজাৰ ৫৫০ টকা প্ৰশিক্ষণ / শিশু প্ৰতিপালন প্ৰদৰ্শন ইত্যাদিৰ বাবদ ৩৮ টা গ্ৰুপৰ বিপৰীতে ব্যয় কৰা হয়।

গোটেই বিষয়টোৰ ওপৰত খৰচি মাৰি তদন্ত কৰি অতি সোনকালে প্ৰতিবেদন দাখিল কৰিবৰ কাৰণে দক্ষিণ শালমাৰা মহকুমাধিপতিক দায়িত্ব দিয়া হৈছে

## MATTER UNDER RULE 301

Mr. Chairman : Now item No. 3, Hon'ble Member, Shri Debesw_r Bora.

* শ্ৰীদেৱেশ্বৰ বৰা : মাননীয় চেয়াৰমেন মহোদয়, মই অসম বিধান সভাৰ প্ৰক্ৰিয়া আৰু কাৰ্য্য পৰিচালনা নিয়মাৱলীৰ ৩০১ নং নিয়মৰ অধীনত 'অসমৰ মৌজাদাৰি প্ৰথা উঠাই পঞ্চায়ত সমূহক মাটিৰ পট্টাৰ ৰাজহ সংগ্ৰহ কৰাৰ নীতি প্ৰৱৰ্তন কৰিব লাগে' শীৰ্ষক বিষয়টো উত্থাপন কৰিছো আৰু ইয়াৰ প্ৰতি মাননীয় ৰাজহ মন্ত্ৰীৰ দৃষ্টি আকৰ্ষণ কৰিছো।

চেয়াৰমেন মহোদয়, ভাৰতবৰ্ষ এখন জনকল্যানকামী ৰাষ্ট্ৰ। শ্ৰেণী বিহীন এখন সমাজ প্ৰতিষ্ঠা কৰিবলৈ আমাৰ সংবিধান দায়বদ্ধ। কিন্তু ১৯৮৮ চনৰ অসম ৰাজহ আইনত এচাম লোকক সমাজত লেণ্ডলৰ্ড আখ্যা দিছে। এই কাৰণেই কব খুজিছো যে অসমত যি মৌজাদাৰী প্ৰথা আছে বা মৌজাদাৰ সকলে এই আইনৰ অধীনত চৰকাৰৰ পৰা বহুতো সুবিধা আদায় কৰি আছে।

* Speech not corrected

মৌজাদাৰ সকলে সুবিধাৰ নামত কিমান মাটি ৰাখিছে চৰকাৰে জানেনে? মৌজাদাৰ ব্যৱস্থাৰ অধীনত থকা ৰাজহ সংগ্ৰহৰ ব্যৱস্থাটো পঞ্চায়তক দিব লাগে বুলি মই পৰামৰ্শ আগবঢ়াইছো। পঞ্চায়তৰ ৰাজহ সংগ্ৰহৰ ব্যৱস্থা অতি সীমিত। এনে ব্যৱস্থা প্ৰৱৰ্তন কৰিলে পঞ্চায়ত কৰ্মচাৰী সকলক দা-দৰমহা দিয়াৰ ক্ষেত্ৰটো সুবিধা হব। সভাপতি মহোদয়, মই চৰকাৰক অনুৰোধ কৰি কব বিচাৰিছো-এই বিষয়টোৰ প্ৰতি যাতে চকু দিয়ে। ১৯৮৬-৮৭ চনত এ, জিয়ে যি ৰিপোৰ্ট দিছে তাত উল্লেখ কৰিছে যে অসমৰ মৌজাদাৰ সকলে লেণ্ড ৰেভিনিউ সংগ্ৰহৰ ক্ষেত্ৰত বিশেষ ব্যৱস্থা লোৱা নাই। যোৱা কালি মাননীয় শ্ৰীকন্দপান ডাঙৰীয়াই বিধান সভাত দাখিল কৰা পি, এ, চি, ৰিপোৰ্টটো মৌজাদাৰ সকলে তেওঁলোকৰ হাতত কিমানখিনি টকা ৰাখিছে তাৰ হিচাব দিছে। মৌজাদাৰ সকলে ৰাজহৰ বহু অংশ টকা চৰকাৰক জমা নিদি নিজৰ হাতত ৰাখিছে। তেওঁলোকে চৰকাৰৰ পৰাও বহুত সুবিধা আদায় কৰি আহিছে। মৌজাদাৰ সকলে তেওঁলোকৰ অধীনত কিমান মাটি ৰাখিছে তাৰ এটা জৰীপ কৰাৰ ব্যৱস্থা কৰিব লাগে। প্ৰায় ক্ষেত্ৰতে মৌজাদাৰ সকলে সংগ্ৰহ কৰা ৰাজহ চৰকাৰৰ হাতত জমা নিদি নিজৰ হাতত ৰাখে। তেওঁলোকে এই টকা ক'ত আৰু কেনেকৈ ৰাখে? ১৯৮১-৮২ চনত পি, এ, চিয়ে ৰিক'মেন্দেচন দিছিল যে দৰং, নগাওঁ, শিৱসাগৰ আৰু কামৰূপ জিলাৰ মৌজাদাৰ সকলে বহু টকা চৰকাৰক জমা নিদি নিজৰ হাতত ৰাখিছে চৰকাৰৰ নীতি নিয়ম মতে মৌজাদাৰ সকলে দুহেজাৰ টকাতকৈ অধিক টকা নিজৰ হাতত ৰাখিব নোৱাৰে। কিন্তু দেখা গৈছে কোনো কোনো মৌজাদাৰে ৫ লাখতকৈও অধিক টকা নিজৰ হাতত ৰাখিছে। এই কথা পি, এ, চি, ৰিপোৰ্টত কোৱা হৈছে। ১৯৮৬-৮৭ চনত মৌজাদাৰ সকলৰ হাতত মুঠ ৫ কোটি ৮৪ লাখ ৫৬ হেজাৰ টকা চৰকাৰক জমা নিদি ৰাখিছে বুলি ৰিপোৰ্টত উল্লেখ কৰিছে। মৌজাদাৰ সকলে সংগৃহীত ৰাজহো চৰকাৰক জমা নিদিয়ে আৰু চৰকাৰৰ পৰাও বিভিন্ন ধৰণৰ সুবিধা গ্ৰহণ কৰি আছে। তেওঁলোকৰ নিজৰ হাতত থকা মাটিবো খোধকৰো খাজানা চৰকাৰক নিদিয়ে। সেয়ে মই চৰকাৰক পৰামৰ্শ আগবঢ়াইছো লগতে

দাবীও জনাইছো যাতে ৰাজহ সংগ্ৰহৰ ব্যৱস্থাটো মৌজাদাৰ সকলৰ হাতৰ পৰা আনি পঞ্চায়তক দিয়াৰ কাৰণে প্ৰয়োজনীয় আইন সংশোধন কৰি ব্যৱস্থা গ্ৰহণ কৰে. ইয়াকে কৈ মই মোৰ বক্তব্য সামৰণি মাৰিছো।

Mr. Chairman : Now Hon'ble Revenue Minister.

শ্ৰীচন্দ্ৰ আৰক্ষৰা ( মন্ত্ৰী ) : অসমৰ মৌজাদাৰী পদ্ধতিৰ প্ৰচলন বহুশতিকা পুৰণি। ই এটা ভূমি ৰাজহ সংগ্ৰহৰ অনুষ্ঠান। মাটিৰ খাজানা আদায়ৰ উপৰিও মৌজাদাৰী সকল চৰকাৰৰ বহুমুখী সমস্যা সমাধানৰ সমল যোগান ধৰাৰ এটা অপৰিহাৰ্য্য অঙ্গ। ৰাইজৰ বিভিন্ন সমস্যাৰ লগত মৌজাদাৰসকল জড়িত। প্ৰশাসনৰ বিভিন্ন কামত মৌজাদাৰৰ ভূমিকা অতি গুৰুত্বপূৰ্ণ আৰু তেওঁলোকৰ এই দায়িত্ব অসম ভূমি ৰাজহ আইন ১৮৮৬ ত সন্নিবিষ্ট আছে। তেওঁলোক সমাজৰ গণ্য-মান্য আৰু আগশাৰীৰ ব্যক্তি।

মৌজাদাৰ নিযুক্তি অকল শিক্ষাগত অৰ্হতাৰ ওপৰতে নিৰ্ভৰ নকৰে তেওঁলোকৰ উপযুক্ততা আৰ্থিক স্বচ্ছলতা উত্তৰাধিকাৰ স্বত্বৰ দাবী, জনপ্ৰিয়তা আদি গুণৰ ওপৰত নিৰ্ভৰ কৰে আৰু সাক্ষাত লৈ সম্পূৰ্ণ যোগ্য বুলি পৰিগণিত হোৱা ব্যক্তিকহে নিযুক্তি দিয়া হয়। তাৰোপৰি নিযুক্তি পোৱা ব্যক্তি জনে মৌজাৰ চলিত আৰু বকেয়া সাধনাৰ এক তৃতীয়াংশ স্থাৱৰ সম্পত্তি আমানত হিচাবে চৰকাৰৰ ওচৰত ৰাখিব লাগে। ইয়াৰ বাহিৰেও তেওঁলোকে কাবুলিয়তত ( Agreement ) চহী কৰি ভাৰ চৰ্তবোৰ মানি লব লাগে। এই আটাইবোৰ প্ৰয়োজনীয় চৰ্ত মানি লোৱাৰ পিছতহে তেওঁলোকৰ মৌজাদাৰ পদত কাম কৰিবলৈ দিয়া হয়

মৌজাদাৰ সকলে খাজানা আদায় কৰি কোষাগাৰত জমা দি বিল দাখিল কৰাৰ পিছতহে তেওঁলোকৰ নিৰ্দ্ধাৰিত ভাট্টা পোৱাৰ নিয়ম। বৰ্তমান এই ভাট্টা তলত দেখুৱা ধৰণৰ—

১) সাধনা ৫০,০০০ টকালৈ ৩৪%

২) ,, ৫০,০০১ লাখলৈ ৩০%

---

* Speech not corrected

৩। সাধনী ১লাখতকৈ অধিক ২৫%

যদি কোনো মৌজাদাৰে সংগ্ৰহৰ ধন কোষাগাৰত জমা নিদিয়াকৈ আইনসঙ্গতভাবে ৰাখিব পৰা নিৰিখতকৈ (অৰ্থাৎ) ৫,০০০ টকাতকৈ বেছি টকা হাতত ৰাখে তেতিয়াহলে তেনে মৌজাদাৰৰ বিৰুদ্ধে আইন মতে ব্যৱস্থা লোৱা হয়। আৰু তেওঁক কামৰ পৰা বৰ্খাস্ত কৰাৰ উপৰিও তেওঁৰ আমানতৰ স্থাৱৰ সম্পত্তি নিলাম বিক্ৰী কৰাৰ উপৰিও ভাৰতীয় দণ্ডবিধিৰ সংশ্লিষ্ট নিয়মানুসৰি শাস্তিমূলক ব্যৱস্থা লোৱা হয়।

বৰ্ত্তমান অসমত ৩১৮ খন মৌজা আছে। এই মৌজাৰ সাধনী ৪০,০০০ টকাৰ পৰা প্ৰায় ১০০,০০০ টকালৈ। খাজানা আদায় কৰাৰ বাবে মৌজাদাৰ সকলে গড়ে প্ৰায় ৩/৪ জনকৈ কৰ্মচাৰী নিযুক্তি দিয়ে। গতিকে সকলোবোৰ মৌজাত প্ৰায় ১০০০-১৫০০ জন ব্যক্তি নিয়োগ হৈ আছে।

চৰকাৰৰ পোৱা ভাট্টা মৌজাদাৰ সকলৰ আয়ৰ উৎস। সেয়েহে তেওঁলোকে সকলো উপায়েৰে খাজানা সংগ্ৰহ কৰাৰ বাবে মনোনিবেশ কৰে। অৱশ্যে সময়ে সময়ে প্ৰাকৃতিক দুৰ্য্যোগৰ বাবে ৰাজহ সংগ্ৰহ চৰকাৰে স্থগিত ৰাখিব লগা হোৱা বাবে তেওঁলোকবো সংগ্ৰহত যথেষ্ট বাধা গ্ৰস্থ হয়। সেয়েহে কোনো কোনো ক্ষেত্ৰত মৌজাদাৰ সকলে কৰ্মচাৰীবোৰ এনেয়ে ৰাখি বহু পৰিমানে লোকচান ভৰিব লগা হয়। কোনো কোনো ক্ষেত্ৰত তেওঁলোকে নিজৰ মৌজাৰ সাধনীৰ টকা কোষাগাৰত জমা দি ভাট্টাৰ টকা পাবলৈ বহু বছৰ অপেক্ষা কৰিব লগীয়া হয়।

আনহাতে পঞ্চায়ত সমূহৰ মুৰব্বীসকল নিৰ্ব্বাচিত ব্যক্তি। তেওঁলোক এই সীমিত সময়ৰ বাবেহে নিৰ্ব্বাচিত পদত থাকে। যি কোনো এটা নিয়মৰ সিদ্ধান্ত লব লাগিলে তেওঁলোকে সভা পাতি নিৰ্দ্দিষ্ট প্ৰয়োজনীয় সভ্যৰ উপস্থিতিতহে হব পাৰে। তাৰোপৰি মৌজাৰ মাটিৰ খাজানা আদায় কৰিব নোৱাৰিলেও তেওঁলোকে নিয়োজিত ব্যক্তিৰ দৰমহা আদি দিব লাগিব। তেওঁলোকৰ নিজৰ আয়ৰ সীমা সীমিত যেতিয়া চৰকাৰৰ অনুদান বা আন তেনে কোনো বিত্তীয় মঞ্জুৰীৰ ওপৰতে নিৰ্ভৰ কৰে তাৰোপৰি যদি কোনো পঞ্চায়তৰ সদস্য কৰ্মচাৰীয়ে ৰাজহ আদায়ৰ ধন আত্মসাৎ কৰে তেতিয়াহলে সেই ধন আদায়ৰ সম্ভাৱনা তেনেই অনিশ্চিত, কিয়নো পঞ্চায়তৰ পৰা কোনো

আমানত লোৱা সন্তুষ্টপৰ নহয়। ইয়াৰোপৰি পদ মৰ্য্যদা সলনি হলে আন এজন তেনে পদাধিকাৰৰ ওপৰত দায়িত্ব অ'ৰোপ কৰাটো বৰ জটিল কাম হব। ইয়াৰ বাহিৰেও তলত উল্লেখ কৰা বিষয়বোৰত বিশেষ ধৰণৰ অসুবিধাৰ সৃষ্টি হব।

১) গাঁও পঞ্চায়ত আৰু মৌজাৰ সীমা একে নহয়। গতিকে একেখন মৌজা দুখন গাঁও পঞ্চায়তৰ সীমাৰ ভিতৰত ৰাখিব পাৰে।

২) ভূমিলেখ্য ( Land Records ) নথিপত্র মৌজা ভিত্তিত প্রস্তুত। গতিকে সেইবোৰ গাওঁ পঞ্চায়ত অনুযায়ী কৰাটো বৰ উজু কাম নহব।

৩) যিহেতু পঞ্চায়তৰ বিষয়ববীয়াবোৰ নির্ব্বাচিত ব্যক্তি তেনে-স্থলত তেওঁলোকৰ হিচাৰ পত্র উপপ্রতি সমাহর্ত্তা বা তেনে পর্য্যায়ৰ বিষয়াৰ পৰিদর্শন কৰাটোত বিছুমান অসুবিধাৰ সন্মুখিন হব পাৰে।

৪) টাউন বা চহৰ কোনো পঞ্চায়তৰ অধীনত নপৰে। এই বোৰত টাউন কমিটী বা পৌৰ পৰিষদ নিগম আছে গতিকে এই টাই বোৰত মৌজাৰ কাম সংশ্লিষ্ট নগৰ নিগমক দিয়া হয় নে আন কোনোবাক এই দায়িত্ব দিয়া হয় সেইটোও বিচার্য্য বিষয়।

৫) গাওঁ পঞ্চায়তৰ বিষয়ববীয়া নিযুক্তিৰ আইনো বেলেগ আৰু মৌজাদাৰৰ নিযুক্তিৰো আইনৰ প্রক্রিয়া পৃথক

গতিকে এনেকুৱা এটা গুৰুত্বপূর্ণ বিষয়ৰ সিদ্ধান্ত তৎকালীনভাৱে লোৱাটো সমিচীন নহব। কিয়নো এনেকুৱা সিদ্ধান্তৰ লগে লগে ওপৰত উল্লেখ কৰা অসুবিধাবোৰৰ উপৰিও অসম ভূমি ৰাজহ আইনৰ সংশ্লিষ্ট ধাৰা বাতিল/ সংশোধনৰ প্রশ্নও এই প্রস্তাৱৰ লগত জড়িত আছে।

মাননীয় সভাপতি মহোদয়, সদনৰ অৱগতিৰ কাৰণে জনাব খুজিছো যে, ইতিমধ্যে যি সকল মৌজাদাৰে আইনৰ সীমাতকৈ বেছি টকা নিজৰ হাতত জমা ৰাখিছে তেনেকুৱা কেইজনমান মৌজাদাৰৰ বিৰুদ্ধে শাস্তিমূলক ব্যৱস্থা গ্রহণ কৰা হৈছেই। তাৰ উপৰিও যিখিনি বকেয়া টকা মৌজাদাৰ সকলৰ হাতত জমা আছে সেইখিনিও আদায় কৰিবৰ কাৰণে চৰকাৰৰ ফালৰ পৰা ব্যৱস্থা গ্রহণ কৰা হৈছে।

Shri Ramendra De : Sir, on a point of clarification Sir, point of clarification I can raise. মাননীয় সভাপতি মহোদয়, কিমানজন মৌজাদাৰৰ বিৰুদ্ধে এনে অভিযোগ আছে আৰু কিমানজন মৌজাদাৰৰ বিৰুদ্ধে শাস্তিমূলক ব্যৱস্থা লোৱা হৈছে মাননীয় মন্ত্ৰী মহোদয়ে জনাবনে ?

Shri Chandra Arandhara (Minister) : Sir, the question itself is irrelevant.

Mr. Chairman : It is not question hour.

## PRIVATE MEMBERS MOTION

Mr. Chairman : Now item No. 4, further discussion on the motion moved by Shri Ramendra De on 28.4.89.

* শ্ৰীমোক্তাৰ হোছেইন : মাননীয় সভাপতি মহোদয়, আমাৰ মাননীয় সদস্য শ্ৰীৰামেন্দ্ৰ দে, ডাঙৰীয়াই যি প্ৰস্তাব মত স্যজীৱি মুছলমান সকলক অনুসূচীত জাতিৰ অন্তৰ্ভুক্ত কৰি বিশেষ সুযোগ সুবিধা দিয়াৰ কাৰণে আনিছে সেইটো মই সৰ্ব্বান্তকৰণে সমৰ্থন কৰিছো ।

মাননীয় সভাপতি মহোদয়, ভাৰতবৰ্ষ এখন ধৰ্ম্মনিৰপেক্ষ সাৰ্বভৌম ৰাষ্ট্ৰ । যদি একে ব্যৱসায় কৰাৰ কাৰণে হিন্দু লোকসকলক তপশীলভুক্ত জাতি হিচাবে পৰিগণিত হৈ বিশেষ সুযোগ সুবিধা গ্ৰহণ কৰিব পাৰে তেতিয়া-হলে, সেই একেই ব্যৱসায় কৰা মুছলমান মানুহ বিলাকক তপশীলভুক্ত কৰিব নোৱাৰাটো নিতান্ত পৰিতাপৰ কথা । তেওঁলোকেও এই সুযোগ সুবিধা পাব লাগে । মুছলমান সকল তপশীলভুক্ত নহলেও ব্যৱসায়িক ভিত্তিতেই যাতে বিশেষ সুযোগ সুবিধা লাভ কৰিব পাৰে তাৰ কাৰণে মাননীয় সদস্য শ্ৰীৰামেন্দ্ৰ দেই অনা প্ৰস্তাবটো সমৰ্থন কৰিছো ।

মাননীয় সভাপতি মহোদয়, আমি আজিৰ পৰা ৩০০।৪০০ বছৰৰ ইতিহাস মেলি চালে দেখা পাম যে, আজি চৰ অঞ্চলত যি বিলাক মুছলমান মানুহে বসবাস কৰি মত্স্য ব্যৱসায় আদি কৰি আছে, সেই লোক সকল হিন্দু অনুসূচীত জাতিৰ পৰাই ধৰ্মান্তৰিত হৈ তাত ব্যৱসায় কৰি জীৱিকা

নিৰ্ব্বাহ কৰিছে। সেই কাৰণেই সেই মানুহ খিনি আজি হিন্দু হৈ থকা হলে অনুসূচীত জাতিয়ে ভোগ কৰি অহা সুযোগ সুবিধাৰ পৰা এই লোক সকল বঞ্চিত নহলহেঁতেন। তেওঁলোকে সকলো সুযোগ সুবিধা পালেহেঁতেন। কিন্তু নোপোৱাৰ কাৰণে মই আমাৰ গণপৰিষদ চৰকাৰক দোষাৰোপ কৰিব খোজা নাই ইয়াৰ কাৰণে দুটা চক্ৰ দায়ী বুলি বিবেচনা কৰিছো। এটা হৈছে কেন্দ্ৰীয় চৰকাৰ আৰু আনটো হৈছে মুছলমান সকলৰ যিটো মৌলবাদী সম্প্ৰদায় সেইটো। আমাৰ মুছলমান সম্প্ৰদায়ৰ মাজত ব্ৰাহ্মণ নাই যদিও এটা 'প্ৰিভিলেজড্ ক্লাছ' আছে। সেই সকলেই দুৰ্ব্বল শ্ৰেণীটোত প্ৰতিনিধিত্ব কৰি আহিছে আৰু কেন্দ্ৰীয় চৰকাৰেও নিতান্ত ৰাজনৈতিক কাৰণত এই মৌলবাদী শ্ৰেণীটোৰ ওচৰতেই বাৰে বাৰে নতি স্বীকাৰ কৰি আহিছে। কেন্দ্ৰীয় চৰকাৰে এই বিশেষ সুবিধাবাদী শ্ৰেণীটোৰ ওচৰত দুৰ্বলতা প্ৰকাশ কৰি আহিছে। এইটো কেৱল ভোটৰ কাৰণেই কৰি আহিছে। সেইকাৰণেই তেখেত সকলে এই মত্স্যজীৱি মুছলমান সকল অনুসূচীত হব নোৱাৰে বা পিছপৰা শ্ৰেণীভুক্ত হব নোৱাৰে বুলি কৈ আহিছে। যদি এইটো নিয়ম কৰিলেহেতেঁন যে, যি সকলে তপশীলভুক্ত হব বিচাৰে সেই সকলক দিয়া হব আৰু যি সকলে নিবিচাৰে সেই সকলক দিয়া নহয়, তেতিয়াহলে দেখিলেহেতেঁন যে, শতকৰা ৯০ ভাগ চৰত বসবাস কৰা মত্স্যজীৱি লোকক ধৰি দলিত শ্ৰেণীটোৱে এই সুবিধা বিচাৰিলেহেতেঁন। ধৰ্মৰ নামত মৌলবাদী মুছলমান সকলে এই লোক সকলক 'চাপ্ৰেশ্বন' কৰাৰ এটা প্ৰৱণতা আছে। মুছলমান সকলৰ কোনো ক্লাছ নাই।

মাননীয় সভাপতি মহোদয় নামনি অসমত 'এম, অ, বি, চি'ৰ মানুহ নাই। কিন্তু নথকা স্বত্তেও চাকৰি বাকাৰ ইত্যাদিৰ ক্ষেত্ৰত বিশেষ সুযোগ সুবিধা আদায় কৰিবৰ কাৰণে ইয়াৰ মুছলমান লৰা-ছোৱালী বিলাকে 'এম, অ, বি চি' ৰ চাৰ্টিফিকেট উলিয়াই আছে। জীৱন ধাৰণৰ অন্য কোনো উপায় নথকা মুছলমান সকলে আজি বাধ্য হৈ নানা পদ্ধতি অৱলম্বন কৰি টকা পইচা খৰচ কৰি এইদৰে চাৰ্টিফিকেট আদি উলিয়াবলগীয়া হৈছে। সেই কাৰণে আমি আশা কৰিছো, জাতি-ধৰ্ম-বৰ্ণ এই বিলাক কথা চিন্তা

---

* Speech not corrected.

নকৰি, কেৱল অৰ্থনৈতিক অনুগ্ৰসৰতাৰ কথা চিন্তা কৰি এই লোক সকলৰ আৰ্থ সামাজিক উন্নয়নৰ কাৰণে সকলোখিনি প্ৰয়োজনীয় সুযোগ সুবিধা দিয়াটো নিতান্তই প্ৰয়োজনীয়। গতিকে তেনে এটা প্ৰস্তাৱ গ্ৰহণ কৰি গণ-পৰিষদ চৰকাৰে এই লোকসকলক তপশীলভুক্ত শ্ৰেণীৰ অন্তৰ্ভুক্ত কৰি বিশেষ সুযোগ সুবিধা প্ৰদান কৰিবৰ কাৰণে কেন্দ্ৰীয় চৰকাৰৰ ওচৰত হেঁচা প্ৰয়োগ কৰক। তাকে কৰিলে এই লোক সকলৰ অৰ্থনৈতিক উন্নয়নত সহায়ক হব।

কিন্তু অৰ্থনৈতিক কাৰণত আমাৰ যি নিম্ন শ্ৰেণী আছে, মত্‌স্য জীৱি শ্ৰেণী আছে তেওঁলোকক বেলেগ এটা শ্ৰেণী কৰি অৰ্থনৈতিক ভাৱে উন্নত কৰা প্ৰয়োজন। সেয়ে এই বিষয়ত এটা প্ৰস্তাৱ কেন্দ্ৰীয় চৰকাৰৰ ওচৰলৈ প্ৰস্তাৱ প্ৰেৰণ কৰিব বুলি মই আশা বাখিছো। অসমত মত্‌স্য জীৱি অকল বৰাক উপত্যকাতে নাই ব্ৰহ্মপুত্ৰ উপত্যকাটো আছে। চৰ অঞ্চলত বহু মানুহে বাস কৰে আৰু তেওঁলোকে মাছ মাৰিয়েই জীৱিকা উপাৰ্জন কৰে। সেয়ে অনুসূচীত জাতি নহলেও সেই সম-মৰ্য্যাদাৰ সুযোগ সুবিধা তেওঁলোকক দিব পাৰিলে ভাল হয়। মৌলবাদী সকলে আৰু মৌলবী সকলে হয়তো এই ক্ষেত্ৰত আপত্তি কৰিব যে মুছলমানৰ ভিতৰত আৰু এটা শ্ৰেণী হব নোৱাৰে। মই কব নোৱাৰো হয়তো নকৰিবও পাৰে কিন্তু কৰিবও পাৰে। আৰু যদি কৰে সেইটো একমাত্ৰ ভোট গোটোৱাৰ সুবিধাৰ কাৰণে কৰিব অন্য একো নহয় কিন্তু সভাপতি মহোদয়, মযো বিচাৰো এই মত্‌স্যজীৱি সকলক চাকৰি বাকৰি আদিৰ সুযোগ সুবিধা দি চাচয়েলী অপলিফট কৰাৰ চেষ্টা কৰিব লাগে। অৰ্থনৈতিক ভাবেও তেওঁলোকক বিভিন্ন সুযোগ সুবিধা দিব লাগে। আজি অগপ চৰকাৰ আছে তেওঁলোকে কি কৰে নাজানো, কিন্তু মই আগতেই এই প্ৰস্তাৱ কৰিছিলো যেতিয়া কংগ্ৰেছ আই চৰকাৰ সেই কালে বহিছিল। তেতিয়া তেওঁলোকে এইটো সমৰ্থন কৰা নাছিল কিন্তু আজি বিৰোধী দলহৈ বহাৰ কাৰণে সমৰ্থন কৰিছে। আগতে ৰাজনৈতিক কাৰণতেই এইটো তেওঁলোকে সমৰ্থন কৰা নাছিল। আমাৰ মাননীয় সদস্য শ্ৰীৰামেন্দ্ৰ দেৱৈ কৈছিল যে তেখেতে কংগ্ৰেছ চৰকাৰৰ শাসনৰ গাদীত থাকোতেই তেখেতে এই প্ৰস্তাৱ কৰিছিল কিন্তু সেইদিনা কংগ্ৰেছ

চৰকাৰে সেইটো সমৰ্থন নকৰিলে। মই জানো আজি হয়তো অগপ চৰকাৰেও এই প্ৰস্তাৱ সমৰ্থন নকৰিব পাৰে কিন্তু দুৰ্ভাগ্যক্ৰমে যদি কাইলৈ তেওঁলোক এইকালে আহি বহিব লগীয়া হয় তেতিয়া এই প্ৰস্তাৱটো কিন্তু সমৰ্থন কৰিব। কিন্তু যদি এই চৰকাৰে অকল ৰাজনৈতিক কাৰণতে এই প্ৰস্তাৱৰ বিৰোধিতা নকৰি অসমৰ প্ৰতিজন মানুহৰ তেওঁলোক চৰকাৰ বুলি, যেনেকৈ আমি এইখন আমাৰ চৰকাৰ বুলি ভাবো, সেইদৰেই চৰকাৰেও প্ৰতিজন মানুহৰ দায়িত্ব লৈ কথাটো চিন্তা কৰি চায় তেতিয়া হলে ভাল হয়। এজন সদস্যই ব্যক্তিগতভাৱে এই প্ৰস্তাৱ আনিছে যদিও আমাৰ অসমৰ দুৰ্ব্বল শ্ৰেণীৰ মানুহৰ কাৰনেই এইটো অনা হৈছে বুলি যদি ভাবে আৰু প্ৰস্তাৱটো সমৰ্থন কৰে তেন্তে মোৰ ফালৰ পৰা মই অগপ চৰকাৰক আন্তৰিক ধন্যবাদ জনাম। এই খিনিকে কৈ মই মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

শ্ৰীদেবেশ্বৰ বৰা : মাননীয় সভাপতি মাহাদয়, মাননীয় সদস্য শ্ৰীৰামেন্দ্ৰ দে ডাঙৰীয়াই যি প্ৰস্তাৱ আনিছে সেইটো মই সমৰ্থন এই কাৰণেই কৰিব নোৱাৰো যে অসমত কোনো এচ, টি বা এচ, চি হব সেই লৈ বহুতেই আবেদন আদি কৰিছে। আৰু চৰকাৰে ইতিমধ্যেই কমিটী এখনো এই ক্ষেত্ৰত গঠন কৰি দিছে। এই কমিটীয়েই কোনো কোনো এচ, টি বা এচ চি হব সেই বিষয়ে প্ৰতিবেদন চৰকাৰৰ ওচৰত দাখিল কৰিব। তাৰোপৰি কিছু লোকক এচ, চি হিচাপে সা সুবিধা দিয়াৰ যি কথা ইয়াত কোৱা হৈছে সেই ক্ষেত্ৰত কওঁ আমাৰ আগৰে পৰা যি খিনি অনুসুচীত মানুহ আছে তেওঁলোকক আমি এতিয়াও সম্পূৰ্ণভাৱে উন্নতিৰ পথত আগবঢ়াই নিব পৰা নাই। গতিকে আকৌ কিছুমান মানুহক এই ক্ষেত্ৰত সামৰি ললে কিছুমান অসুবিধাৰহে সন্মুখীন হব লাগিব বুলি ভাবো। আমাৰ অসমত যি বিলাক মতস্যজীৱি মুছলমান লোক আছে তেওঁলোকে এম, অ, বি, চি হিচাপে এটা সুবিধা গ্ৰহন কৰিবলৈ পাই আহিছে। বৰাক উপত্যকা বা ব্ৰহ্মপুত্ৰ উপত্যকাত থকা মুছলমান সকলে এই সুবিধা গ্ৰহণ কৰিছে। এই ক্ষেত্ৰত আমাৰ যি সকল ধৰ্ম্মীয় সংখ্যালঘু সম্প্ৰদায়ৰ লোক আছে তেওঁলোকৰ কাৰণে

* Speech not corrected.

আমাৰ প্ৰধানমন্ত্ৰী মহোদয়ৰ এটা ১৫ দফীয়া আৰ্চঁনি আছে। সেই ফালৰ পৰাও তেওঁলোকে এটা সুবিধা পাব। সেয়ে আমাৰ যি সকল সংখ্যালঘু সম্প্ৰদায়ৰ লোক আছে সেই সকলেও নিশ্চয় সেই সুবিধা পাব। সেই কাৰণেই আচলতে মই এই প্ৰস্তাৱৰ পক্ষপাতী নহয়। এই মৎস্যজীৱি সকলৰ আৰ্থিক অৱস্থাৰ যি কথা কোৱা হৈছে সেই ক্ষেত্ৰত কও আমাৰ চৰকাৰৰো কিছু আচঁনি আছে, যনে আমাৰ অগপ চৰকাৰৰ ১৪ দফীয়া আচঁনি। এই আচঁনি অন্যান্য পিচপৰা শ্ৰেণী আৰু অনুসুচীত জাতি জনজাতি সকলৰ ইয়াৰ দ্বাৰা অগ্ৰাধিকাৰ দিয়াৰ কাৰণেই কৰা হৈছে। ভাৰত চৰকাৰৰ যি ২০ দফীয়া আচঁনি আছে তাৰ পৰাও তেওঁলোকে কিছুমান সুবিধা গ্ৰহন কৰিব পাৰিব। গতিকে এই ক্ষেত্ৰত আমাৰ দে ডাঙৰীয়াই এই আঁচনি বোৰৰ যোগেদি কেনেকৈ সেই সকলক সা-সুবিধা দিব পাৰি তাৰ বাবে আলোচনাহে কৰিব লাগে। আকৌ হুচেইন ডাঙৰীয়াই কৈছে যে কংগ্ৰেছ দল বিৰোধী পক্ষত থকাৰ কাৰণেই সমৰ্থন কৰিছে. আগতে কিন্তু সমৰ্থন কৰা নাছিল এতিয়াও হয়তো কংগ্ৰেছ দলৰ বহুতেই এইটো সমৰ্থন কৰা নাই। আকৌ মাইন'ৰিটী ফ্ৰন্টৰ সদস্য সকলৰ মতামত দুভাগ হোৱা দেখা গৈছে কাৰণ ইচলামক শ্ৰেণী বিভাগ কৰাটো এচামে সমৰ্থন কৰিছে এচামে কৰা নাই। গতিকে অগপ চৰকাৰক কেনেকৈ দোষ দিব? গতিকে ইতিমধ্যেই যিবিলাক আচঁনি আমাৰ আছে আৰু যিবিলাক দিয়া হৈছে সেইবোৰ সদব্যৱহাৰ হলে তেতিয়া হলেই অনুসুচীত জাতি বা অন্যানা পিচপৰা শ্ৰেণীৰ লগতে মুচলমান সম্প্ৰদায়ৰো উন্নতি হব আমি ভাবো।

এতিয়া এটা কথা কৈছে যে চাকৰিৰ ক্ষেত্ৰত তেওঁলোকে সংৰক্ষণ পাব লাগে। আমি জানো যে ও-বি-চি যি সকল আৰু এম ও-বি-চি যি সকল তেওঁবিলাকৰ কাৰণে শতকৰা ১৫ হাৰে সংৰক্ষণ আছে। কিন্তু ও-বি-চিৰ শতকৰা নব্বৈ ভাগ নম্বৰ পোৱা লোককো মেৰিট লিষ্টত লোৱাৰ ফলত শতকৰা পোন্ধৰ ভাগ কভাৰ নকৰে। শতকৰা নব্বৈ ভাগ পালে জেনেৰেল লিষ্টলৈ দৈ যোৱা হয়। ইয়াৰ ফলত শতকৰা ১৫ ভাগ সংৰক্ষণৰ যি নীতি সেইটো ঠিকমতে পালন কৰা হৈ নাথাকে। গতিকে এচ-চি-এচ-টিৰ ক্ষেত্ৰত যেনেদৰে বেকলগ আছে সেইদৰে ও-বি-চিৰ ক্ষেত্ৰতো বহুত খিনি বেকলগ

আছে কিন্তু কথা হ'ল এচ-চি আৰু এচ-টি সকলৰ ৰিজাৰ্ভেশ্বন চাবলৈ বিধান সভাত কমিটী আছে কিন্তু ও-বি-চি সকলৰ সংৰক্ষণৰ কথা চাবলৈ বিধান সভাত তেনে কোনো কমিটি নাই। কৰ্ণাটক আদি ঠাইত তেনে কমিটী আছে গতিকে আমাৰ বিধান সভাতো ও-বি-চি বিধায়ক সকলক লৈ এটা কমিটী কৰি দিব লাগে যাতে ও-বি-চি সকলৰ ক্ষেত্ৰত প্ৰযোজ্য হবলগীয়া যি শতকৰা পোন্ধৰ ভাগ সংৰক্ষণ আছে সেইটো আচলতে কাৰ্য্যকৰী হৈছে নে নাই আৰু বেকলগ আদি কিমান আছে সেইটোও চাব পাৰিব। ইতিমধ্যে কাকতে পত্ৰে সম্পাদকলৈ চিঠি শিৰোণামাত লিখা লিখি চলিছে আৰু বিভিন্ন অভাব অভিযোগ আদিও প্ৰতিফলিত কৰিছে। গতিকে এই ক্ষেত্ৰত এটা কমিটী কৰি দিয়াৰ কাৰণে এই বিধান সভাত মই এটা প্ৰস্তাব দাঙি ধৰিলো। মাননীয় সদস্য শ্ৰীৰামেন্দ্ৰ দে ডাঙৰীয়াই ও-বি-চি সকলক শতকৰা পোন্ধৰ ভাগ সংৰক্ষণ দিলে ভাল পাব কিন্তু মই ভাবো এই বিধান সভাৰ সকলোকে এচ-চি, এচ-টি, ও-বি-চি কৰিব লাগে তেতিয়াহলে কেন্দ্ৰীয় চৰকাৰৰ পৰা সা সুবিধা বেছি পোৱা যাব। নাগালেণ্ড, মেঘালয়, মিজোৰাম আদি সকলোতে শতকৰা নব্বৈ ভাগ সাহাৰ্য্য আৰু দহ ভাগ ঋণ ভিত্তিত দিয়ে কিন্তু আমাৰ ইয়াত শতকৰা সত্তৰ-ত্ৰিশ হাৰত লব লাগে। তেতিয়াহলে আমাৰ ইয়াতো মেঘালয় আদিৰ দৰে হাৰত কেন্দ্ৰীয় চৰকাৰৰ পৰা সাহাৰ্য্য পাব পৰা হব। আলপাইন গোষ্ঠীৰ ৰজা আছিল কাৰণেই যদি ট্ৰাইবেল হব পাৰে তেনেহলে আমাৰ ইয়াত সকলোৱে কিয় এচ-চি, এচটি বা ও-বি-চি হব নোৱাৰিব। তেতিয়াহলে কাৰো আৰু আপত্তি কৰিবলৈ নাথাকিব। এই প্ৰস্তাৱটোও চৰকাৰে বিবেচনা কৰিব লাগে। ইয়াৰ লগতে মাননীয় সদস্য শ্ৰীৰামেন্দ্ৰ দে ডাঙৰীয়াই অনা প্ৰস্তাৱটো নীতিগতভাবে সমৰ্থন কৰিব নোৱাৰিলো কাৰণে মাননীয় সদস্য গৰাকীয়ে বেয়া পাব নালাগে এইখিনি কৈয়েই মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

• শ্ৰীআমিনুল ইছলাম: মাননীয় সভাপতি মহোদয়, মাননীয় সদস্য শ্ৰীৰামেন্দ্ৰ দে ডাঙৰীয়াই অনা প্ৰস্তাৱটো সমৰ্থন কৰি মই কব খুজিছো যে যিহেতু প্ৰস্তাৱটোত 'অসম বিধান সভাৰ এই অধিবেশনে প্ৰস্তাব গ্ৰহন কৰে যে আসাম ৰাজ্য বসবাসকাৰী মত সাজীৰি মুছলমান সম্প্ৰদায়কে তপশীল

সম্প্ৰদায়ৰে মত সুযোগ সুবিধা দিয়াৰ জন্য যথাযথ আইন প্ৰণয়ন কৰা হওক এই কথাটোত মই একমত নহওঁ এই কাৰণেই যে বৃত্তিগত ভাবে নৈলে অৰ্থনৈতিক ভাবে পিচপৰা লোকসকলৰ কথাহে চিন্তা কৰিব লাগে। যদি সেই ভাবে কেৱল অৰ্থনৈতিক ভাবে পিচপৰা সকলক তপশীলভুক্ত কৰিব লাগে বুলি প্ৰস্তাৱ আনিলেহেঁতেন তেনেহলে ভাল হ'লহেঁতেন। এটা কথা সমালোচনা কৰা হৈছে যে মৌলবাদী শক্তিসমূহে বৰ্ত্তমান সম্প্ৰদায়ৰ সমূহৰ ওপৰত আবিচাৰ কৰি আহিছে। মই এটা কথা কব বিচাৰিছো যে প্ৰস্তাৱৰ লগত হিন্দু বা মুছলমান এই কথাটো উল্লেখ কৰাতেই মৌলবাদী মনোভাৱ নিহিত আছে। এই কথা নকৈ কব পাৰিলেহেঁতেন যে যিহেতু অসমৰ মুছলমান মৎস্যজীৱি সকল আৰ্থিকভাবে পিচপৰা সেই কাৰণে তপশীল ভুক্ত কৰিব লাগে আৰু সেই মতে সা-সুবিধা দিয়া হওক। আজি এই ভাবেই ভাৰতবৰ্ষত ভাগ নকৰি কেৱল অৰ্থনৈতিকত পিচপৰা আৰু আগবঢ়া এই দুটা শ্ৰেণীত ভাগ কৰা হলে ৰাজনৈতিক ভাবে এই বিসঙ্গতি বিলাক নাথাকিলহেঁতেন। তাৰ সলনি জাতি-উপজাতি, ধৰ্ম, ভাষা হিচাবে বিভিন্ন ভাগ কৰাৰ ফলত এটা সংকটৰ সৃষ্টি হৈছে ও-বি-চি. এচ-চি,এচ-টি নকৰি এম-ও-বি-চি নকৰি কেৱল ভাৰতবৰ্ষৰ জনসাধাৰণৰ মাজত দুটা শ্ৰেণী কৰিব লাগিছিল অৰ্থনৈতিক ভাবে আগবঢ়া আৰু পিচপৰা যি সকল ব্ৰাহ্মণ অৰ্থনৈতিক ভাবে পিচপৰা তেওঁবিলাকে কোনো বিশেষ সুবিধা পাব পৰা নাই। কেৱল জন্ম গ্ৰহণ কৰাৰ দোষতেই কোনোবাই সা-সুবিধাৰ পৰা বঞ্চিত হব আৰু কোনোবাই কেৱল জন্ম গ্ৰহণ কৰা স্বাৰ্থত সুযোগ সুবিধা লাভৰ কাৰণে ব্যৱস্থা পাব এইটো ঠিক নহয়। এই বিভাজন নীতি মানুহৰ কাৰণে হোৱা উচিত। তাৰ সলনি বিভাজন ৰাজনৈতিক ভাৱে হোৱাৰ কাৰণে আজি সকলো ফালৰ পৰা দাবী আহিব পাৰিলে তপশীলভুক্ত হোৱাৰ কাৰণে উঠিপৰি লাগিছে। অন্য সম্প্ৰদায়ৰ লগত তুলনামূলক ভাবে মুছলমান সম্প্ৰদায়ৰ লোকৰ অৰ্থনৈতিক অৱস্থা বেয়া এইটো স্বীকাৰ্য্য কিন্তু তেওঁবিলাকক মুছলমান বুলি তপশীলভুক্ত কৰিবলৈ মই নকওঁ। কিন্তু অৰ্থনৈতিক ভাবে পিচপৰা বুলিহে সেই শ্ৰেণীত ভুক্ত কৰি সুযোগ সুবিধা পোৱাৰ ব্যৱস্থা কৰিব লাগে। এই খিনিকে বক্তব্য ৰাখি মোৰ বক্তৃতা সামৰণী মাৰিলো।

---

*Speech not corrected

* শ্ৰীনীলমণি দাস: মাননীয় সভাপতি মহোদয় সদনত মাননীয় সদস্য ৰামেন্দ্ৰ দে মত্‌স্যজীৱি মুছলমান লোকসকলক তপশীলভুক্ত জাতি দিয়া যি প্ৰস্তাৱ উল্লেখ কৰিছে সেই প্ৰস্তাৱটো মই নীতিগতভাৱে বিৰোধিতা কৰিছো। তপশীলজাতি ইতিহাসত চালে দেখা যায় যে তপশীলজাতিটো বৰ করুণ আৰু কঠোৰ। যদি মুছলমান জাতি লোক সকল তপশীলভুক্ত লোক সকলৰ লৈতে সংঘৰ্ষত একেলগে থিয় দিলেহেঁতেন তেতিয়া হয়তো চিন্তা কৰি চাব পৰা গলহেঁতেন। আজি যি সকল অনুসূচিত জাতি তপশীলভুক্ত জাতিৰ কথা চিন্তা কৰাৰ বাবে তেওঁলোকে নিজে হব বিচাৰে তেওঁলোকৰ নিজৰ ভাব প্লেচ কৰাত যুক্তি থাকিল হেঁতেন। কিন্তু ইতিহাসৰ বুৰঞ্জীত আহমেদকাৱে কৈছে তপশীলভুক্ত লোক সকলৰ উন্নতিৰ কাৰণে সহজ দুৰ্গত জাতি পতিত বুলি বৰ্ণনা নকৰি ভাৰতৰ ভিতৰৰ মানুহখিনিক তপশীলভুক্ত জাতি মুছলমানজাতি দেখাত ধনী মানুহ। এতিয়া যদি আমি ধনী মুছলমান সকলৰ কথা চিন্তা কৰো সেই লোক সকল মানে দুখীয়া লোক সকলৰ কথা পাহৰি যাওঁ তেতিয়াহলে ভুল কৰা হব। অসমৰ মাছমৰীয়া মুছলমান সকলক তপশীল ভুক্ত জাতিত অধিকাৰ দিয়া হয় তেতিয়াহলে কেৱেলাৰ সাগৰীয় মত্‌স্যজীৱি সকলৰ কাৰণে কি কৰা হব? সভাপতি মহোদয় মই এটা সাধাৰণ প্ৰস্তাৱ দাঙি ধৰিব বিচাৰিছো সেইটো হৈছে বিধানসভাৰ ১২৬ জনীয়া বিধায়কৰ কোনো আসন সংৰক্ষিত কৰি ৰখা হোৱা নাই। কিমানজন চৰ অঞ্চলৰ চুবুৰীয়া মানুহ আছে। অনুসূচিত জাতিৰ বিধায়কৰ কাৰণে কিমানখন আসন সংৰক্ষিত আছে? মাননীয় সভাপতি মহোদয় মই যিটো প্ৰশ্ন কৰিছো সেই প্ৰশ্নটোৰ উত্তৰ কাৰো পৰা নাপাওঁ বুলি মই জানো আৰু তাৰ সদ্‌উত্তৰ মই নিজেও দিব নোৱাৰো। আৰু এটা কথা কবলৈ মোৰ বেয়া লাগিছে। মই সোনৰ চামুচ মুখত লৈ জন্ম হোৱা নাই। বোকাৰ মাটিত নিজৰ গাটো লগাইলৈ মাছ মৰীয়া লোক বুলিয়ে অনুসুচিত জাতি বুলি কোৱা নাই। যিটো অসাংবিধানিক কথা মই কব নোৱাৰো প্ৰচলিত কথাবিলাকহে কৈছো। মুছলমান মত্‌স্যজীৱি সকলৰ গাত সেইটো প্ৰলেপো নাই। নীতিগতভাৱে বা প্ৰকৃততে প্ৰচলিত হোৱা অনুসুচিত জাতিৰ লোক সকলে যিখিনি অসুবিধাৰ সন্মুখীন হৈ আছিছে মুছলমানবাসী ৰাইজৰ

* Speech not corrected.

সেইবোৰ অসুবিধা হৈছে বুলি মই নাভাবো। সভাপতি মহোদয়, মই আৰু এটা সাধাৰণ উদাহৰণ দাঙি ধৰিব বিচাৰিছো। অসম সচিবালয়ত যিমান খিনি কৰ্মচাৰী আছে তাৰ ভিতৰত কেইজন অনুসূচিত জাতিৰ কৰ্মচাৰী আছে? কিন্তু কাছাৰৰ পৰা অহা কৰ্মচাৰী সকলৰ ক্ষেত্ৰত দেখিবলৈ পাওঁ যে তেখেতসকলে যিখিনি পাব লাগে সকলোখিনি সুবিধা পাইছে কাছাৰ আৰু কৰিমগঞ্জ জিলাৰ লিষ্ট মোৰ হাতত আছে সংখ্যালঘু লোক সকলৰ কাৰণে সুবিধা দিয়া হৈছে। মই সকলোৰে নাম নকওঁ তাৰে ৰুস্তমলাল আৰু ৰফিকুল আলি এই দুজনৰ নাম মই কৈছো। গতিকে অনুসূচিত জাতিৰ লোকসকলৰ উন্নতিৰ যিটো পথ সেইটো পথত মুছলমান সম্প্ৰদায়ৰ লোক সকল প্ৰতিবন্ধকৰূপে থিয় দিছে। কিন্তু তেওঁলোকক আমি বেয়া পোৱা নাই। কাৰণ তেওঁলোকে আমাৰ যুক্তিত সহযোগ কৰিছে। যদি তেওঁলোকৰ প্ৰস্তাবটো বেলেগ ধৰণে দাঙি ধৰা হয় যেনে তেওঁলোকৰ মৌলবাদী কথা কৈছো আৰু আমি জনাত বৰ্ত্তমান ভাৰত চৰকাৰে সংখ্যালঘু সকলৰ কাৰণে কিছুমান অসুবিধা অগ্ৰাধিকাৰ দিয়াৰ কথা ঘোষনা কৰিছে পিচপৰা সম্প্ৰদায়ৰ লোক সকলে সংখ্যালঘু লোক সকলক সা-সুবিধা দিয়াত বাধা দিয়ে তেতিয়া হলে পিচপৰা মুছলমান ৰাইজ সকলে অৰ্থনীতিত পিচপৰা মুছলমান সকলৰ তৰফৰ পৰা তেওঁলোকৰ কাৰণে আছুতীয়া সংৰক্ষণ বিচাৰে তেতিয়া হলে প্ৰশ্নটো হয়তো সুদুৰ প্ৰসাৰী হব পাৰে। গতিকে মাছমৰীয়া বুলি কলে অকল হিন্দু বা মুছলমান সকলৰ কথাকে কলে নহব। যদি আমি মুছলমান সকলৰ কথা কওঁ তেতিয়া কেৱলাৰ খৃষ্টিয়ান মাছমৰীয়া সকলৰ কথা কব লাগিব। যি সকল বৌদ্ধ, যি সকল অনুসুচিত লোকক কনভাৰ্ট বুলি বেলেগ ধৰিব লগে তেওঁলোকৰ কথাও কব লাগিব আৰু গোটেই বিষয়টো ভাবি চাব লাগিব। যদি অনুসূচিত জাতি বা অনুসূচিত জনজাতিক পিচপৰা বুলি কওঁ তাতো কোনো আপত্তি কৰিবলগীয়া একো নাই যদি এটা গ্ৰেণ্টৰ কাৰণে অনুসুচিতৰ সুবিধাৰ কাৰণে অনুসুচিত জনজাতি হয় তেতিয়া হলে আপত্তি থাকিব পাৰে ইতিহাসৰ দিশটো যদি আমি চাওঁ তেতিয়াহলে ইতিহাসৰ যিটো গাত থাৰা তাক অৱজ্ঞা কৰা হব কিন্তু তপশীলভুক্ত জাতিৰ উন্নতিলৈ চালে ভুল কৰা হব। সেই ভুল উত্তৰ সময়ে দিব। সেইকাৰণে এই প্ৰস্তাবটো মই

বিৰোধিতা কৰিছো আৰু আশা ৰাখিছো চৰকাৰৰ তৰফৰ পৰাও যেন এই প্ৰস্তাৱ গ্ৰহণ কৰা নহয়। ধন্যবাদ।

* শ্ৰীময়িনুল ইচলাম বৰা: মাননীয় সভাপতি মহোদয়, মই কেইটা-মান পইণ্টৰ ওপৰত কম বুলি ভাবিছো। এইটো হৈছে মুছলিম সকলে যিটো অনুসূচিত জাতিত অন্তৰ্ভুক্ত কৰাৰ কথা কৈছে আৰু এই সম্পৰ্কত মাননীয় সদস্য সকলে যি আলোচনা আগবঢ়াইছে সেইটো ভাল আলোচনাই হৈছে। ইয়াত দুটা কথা হৈছে মৌলবাদৰ বিৰুদ্ধে যিটো কথা কোৱা হৈছে আৰু সদনত এই বিষয়ে আলোচনা হৈছে কিন্তু মৌলবাদৰ বিৰুদ্ধে বিধায়ক সকলে নিজৰ সমষ্টিতহে কব লাগিছিল। বিধান সভাৰ মজিয়াত কৈছে ভাল হৈছে কিন্তু নিজৰ নিজৰ সমষ্টিত প্ৰকাশ কৰিলে আৰু ভাল হলহেঁতেন। আপোনালোকে জানে ইছলাম মতবাদে পৃথিৱীত কোনো দিনে জাতিভেদ মানি কাষ্টিজিম মানি লোৱা নাই, এই ইছলামেই কাষ্টিজিমৰ বিৰুদ্ধে যুঁজি আহিছে গতিকে এই ইছলামে বিধান সভাত আহি দুৰ্ব্বল শ্ৰেণীৰ লোক বুলি কৈ মৎস্যজীৱি হিচাবে অনুসূচিত জাতিৰ অন্তৰ্ভুক্তই বিভিন্ন সা-সুবিধা লাভ কৰিব আৰু সেই কাৰণেই তপশীলভুক্ত শ্ৰেণীত অন্তৰ্ভুক্ত হব এই কথাত মোৰ দ্বিমত আছে। অপৰ এজন সদস্য হিচাবে মই কব বিচাৰিছো যে এজন অসমীয়া হিচাবে, এটা বৃহৎ অসমীয়া জাতি হিচাবে অসমৰ মাটিৰ লগত আছো আৰু অসমৰ ৰীতি-নীতিৰ লগত মিলি-জুলি থাকিব লাগিব সেইটোহে জানো কিন্তু দূৰ্ব্বল শ্ৰেণী মানুহ হিচাবে তপশীলভুক্ত হৈ সা-সুবিধা লোৱাৰ প্ৰয়োজন আছে বুলি নাভাবো বৰঞ্চ আমি বিচাৰো দুৰ্ব্বল শ্ৰেণীৰ লোকক সহায় কৰাতো। আমাৰ দুই এজন বিধায়কে এনেকুৱা ধৰণে দুই এটা প্ৰস্তাৱ উত্থাপন কৰিছে। মোটা মোটি ভাবে ইয়াত মৌলবাদৰ বিৰুদ্ধে মাত মাতিলে নহব। আমি উন্নতী যোৱা সমাজ খনৰ কথা ভাবিব লাগিব। এই মাইনৰ কমিউনিটি মুছলিম সকলে যে সুবিধা পাইছে এই কথা আমাৰ মাননীয় সদস্য নীলমণী দাস ডাঙৰীয়াই উত্থাপন কৰি কৈছে। তেওঁ নিজেও এজন প্ৰাক্তন মন্ত্ৰী আছিল আৰু কিচাৰী বিল বিলাক সেই সময়ত এই সম্প্ৰদায়ৰ লোক সকলক পট্টন দিয়া হৈছিল। গতিকে মুছলিম বুলি যে পোৱা নাই বা সুবিধাৰ পৰা বঞ্চিত হৈছে এইটো আমি কব নোৱাৰো। মই নিজেই মাছৰ ৰোগৰ সময়ত যেতিয়া গৈছিলো তেতিয়াহে গম পালো

* Speech not corrected.

যে আমাৰ অধিক সংখ্যক মুচলিম সম্প্ৰদায়ৰ লোকে মাছৰ ব্যৱসায় কৰে। আমাৰ দাস ডাঙৰীয়াই কোৱাৰ দৰে বোকাতে পৰি আহি মুচলমান মানুহ মৎস্যজীৱি হোৱা নাই। দুৰ্ব্বল শ্ৰেণীৰ কাৰণে আৰু অৱস্থা বেয়া কাৰণে তেওঁলোকে মাছৰ ব্যৱসায় কৰিছে। ৰিক্সা চলোৱা বা অন্যান্য টান কাম কৰিব নোৱাৰাৰ কাৰণে তেওঁলোকে মাছৰ ব্যৱসায় কৰিবলৈ লৈছে। কিন্তু আমাৰ অনুসূচিত জাতিৰ লোক সকলে ধনীয়েই হওঁক বা দুখীয়াই হওক বেচি ভাগেই মাছৰ ব্যৱসায় কৰে। বিহুৰ দিনাখন নিজে দেখিবলৈ পাইছো ব্ৰহ্মপুত্ৰৰ পাৰত ডাঙৰ ডাঙৰ ঘৰৰ অনুসূচিত পৰিয়ালৰ যুবকে মাছ বিক্ৰী কৰি আছে। আমাৰ মুছলমান ব্যৱসায়ী সকলেও এই মৎস্য ব্যৱসায়টোত কেনে দৰে সোমাই পৰিছে এই কথাটো যদি বিশ্লেষন কৰি চায় তেতিয়াহে বুজিব। মুছলিম সকলৰ অভাব-অনাটন আছে হয়, সেইটো মানি লৈছো কিন্তু সেই বুলি যে অনুসূচিত জাতিৰ অন্তভূৰ্ক্ত কৰিব লাগে সেইটো মানি লোৱা নাই। গতিকে এই যি প্ৰস্তাৱটো আহিছে সেইটো বিৰোধিতা কৰি মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

শ্ৰীসুৰেণ মেধী (মন্ত্ৰী): মাননীয় সভাপতি মহোদয়, যিটো প্ৰস্তাৱ এই সদনত মাননীয় সদস্য ৰামেন্দ্ৰ দে ডাঙৰীয়াই উত্থাপন কৰিছে সেই প্ৰস্তাবটো আমাৰ চৰকাৰৰ গ্ৰহনযোগ্য বুলি ধৰিব নোৱাৰি। এইটো মই স্পষ্ট ভাবে কৈছো আৰু এই সম্পৰ্কে এই প্ৰস্তাৱৰ ওপৰত কেবাগৰাকী মাননীয় সদস্যই বিভিন্ন মতামত ডাঙি ধৰিছে। এতিয়া প্ৰস্তাৱটোত যিটো কথা আলোচনা কৰিছে আৰু মাননীয় সদস্য গৰাকীয়ে আনিছে যে মাছ মাৰিলে বুলিয়েই এজন ব্যক্তিক বা ব্যৱসায়ী লোকক অনুসূচিত জাতি বুলি ধৰিব লাগে এইটো হব নোৱাৰে আৰু এইটো এটা অবান্তৰ কথা হব। আমি জানো বৰ্ত্তমান অসমৰ বিভিন্ন ঠাইত, গাঁৱে-ভুঞে পুখুৰী খান্দি মাছ জীয়াইছে, মাছ পুহিছে আৰু এই মাছ পোহা মানুহবিলাকৰ বেচি ভাগেই কলিতা কোচ ইত্যাদি অন্যান্য মানুহ, তেওঁলোকে অকল মাছ পোহাই নাই তেওঁলোকে বিক্ৰীয়ো কৰিছে। গতিকে এনেকুৱা ভাবে সকলো মানুহকে যদি অনুসূচিত জাতি হিচাবে স্বীকৃতি দিব লাগে তেতিয়াহলে এটা ডাঙৰ সমস্যা হব। কিয়নো মাছ মাৰিলেই বা বিক্ৰী কৰিলেই সকলোকে অনুসূচিত জাতিৰ অন্তভূৰ্ক্ত কৰিব নোৱাৰি। এইটো কোনো পধ্যেই গ্ৰহণযোগ্য নহয়। অনুসূচিত জাতিৰ অন্তভূৰ্ক্ত কৰিবলৈ হলে সংবিধানৰ কথা আছে আৰু

কেন্দ্ৰীয় চৰকাৰে কিছুমান নীতি-নিয়ম কৰি দিছে, সেই নিয়ম-নীতিৰ ভিতৰত পৰিলে অনুসূচিত জাতিৰ বুলি স্বীকৃতি দিব পৰা যায়। কাছাৰত মাইমল সম্প্ৰদায়ৰ কিছুমান মানুহ আছে। তেওঁলোকক পিচপৰা জাতি বুলি আমাৰ চৰকাৰে স্বীকৃতি দিছে আৰু সেইমতে তেওঁলোকে সুবিধা পাইছে। এই ক্ষেত্ৰত মই কব বিচাৰিছো যে আমাৰ ভূমি আৰু ৰাজহ আইনৰ অধীনত যি ফিচাৰী কলচ তৈয়াৰ কৰিছে সেই ফিচাৰী কলচৰ ১২ নং নিয়মাৱলীত এটা প্ৰভাইচো আছে। তাত কোৱা হৈছে যি কোনো ঠাইৰে অনুসূচিত নাইবা কাছাৰৰ মাইমল সম্প্ৰদায়ৰ শতকৰা ১০০ ভাগ মানুহ 100% fisher men belonging to the fishermen community or the maimal community of Cachar district. এই কথাটো যিটো প্ৰভাইচোত আছে সেই প্ৰভাইচোত লিখা আছে। চেটেলমেণ্ট সংক্ৰান্তত দুটা পদ্ধতি আছে। এইটো হৈছে শতকৰা ৬০ ভাগ আৰু শতকৰা ৪০ ভাগ এই শতকৰা ৪০ ভাগ ফিচাৰী যি কোনো মানুহে পাব পাৰে, অনুসূচিত জাতিৰ বা মাইমল সম্প্ৰদায়ৰ হওক বা নহওক সকলোৱে এই বিল পাব পাৰে। কিন্তু শতকৰা ৬০ শতাংশ বিলৰ ক্ষেত্ৰত ৰেজিষ্টাৰ সমবায় সমিতি হব লাগে এই ৬০ ভাগ শতাংশৰ ফিচাৰীৰ বিল পোনপতিয়া ভাবে অনুসূচিত জাতিৰ আৰু কাছাৰৰ মাইমল কমিউনিটিৰ মাজত চেতেলমেণ্ট দিয়া হয়। এই শতকৰা ৬০ ভাগ ফিচাৰীৰ বিল এওঁলোকৰ বাহিৰে অন্য কাকো দিব নোৱাৰে। গতিকে এই শতকৰা ৬০ ভাগ বিলত মাইমল কমিউনিটিৰ লোকে সুবিধা পাইছে। এই ক্ষেত্ৰত আপত্তি কৰিব লগীয়া একো নাই। ইয়াত তেওঁলোকে কৈছে মাইমল কমিউনিটিৰ মানুহখিনিৰ যিসকলে মাছ মাৰে বা মাছ বিক্ৰী কৰে সেই মুছলমান মাইমল মানুহখিনিক অনুসূচিত জাতিৰ বুলি স্বীকৃতি দিব লাগে কিন্তু কেনেকৈ স্বীকৃতি দিব লাগে, এই কথা ভাৰত চৰকাৰে লিপিবদ্ধ কৰি দিছে। যদি ভাৰত চৰকাৰৰ নীতি-নিয়ম আৰু সংবিধানৰ ভিত্তিত তেওঁলোক পাৰ তেতিয়া হলে তেওঁলোকক স্বীকৃতি দিব পাৰি এই ক্ষেত্ৰত মই এটা বিবৃতি পঢ়ি দিব বিচাৰিছো আৰু এই বিবৃতিৰ ভৱিষ্যতে যিটো প্ৰস্তাৱ উত্থাপন কৰা হৈছে এই প্ৰস্তাৱটো গ্ৰহনযোগ্য নহয় বুলি কব বিচাৰিছো।

'মাইমল নামৰ সম্প্ৰদায় এটি বৰাক উপত্যকাৰ কাছাৰ জিলাত বসবাস কৰে। তেওঁলোক ধৰ্মত মুছলমান আৰু ব্যৱসায়ত মাছমৰীয়া বৰ্তমানে তেওঁ

লোকক অসম চৰকাৰৰ স্বীকৃত অন্যান্য পিছ পৰা শ্ৰেণীৰ অন্তৰ্ভুক্ত কৰা হৈছে। তেওঁলোকক অনুসূচিত জাতিৰ অন্তৰ্ভূক্ত কৰাৰ প্ৰস্তাৱ পৰীক্ষা কৰি চোৱা হৈছে

ভাৰতৰ সংবিধানৰ ধাৰামতে যি কোনো ৰাজ্যৰ কোনো এটা সম্প্ৰদায়ৰ মানুহক উক্ত ৰাজ্যৰ অনুসূচীত জাতি হিচাবে তালিকাভুক্ত কৰিবলৈ ভাৰতীয় সংসদৰ আইনৰ আৱশ্যক। যি কোনো ৰাজ্যৰ এটা সম্প্ৰদায়ৰ মানুহ সকলক উক্ত ৰাজ্যৰ অনুসূচীত জাতি হিচাবে অন্তৰ্ভূক্ত কৰিবৰ কাৰণে বিবেচনা কৰিব লাগিলে নিম্নলিখিত নিৰ্ধাৰক ভাৰত চৰকাৰে বান্ধি দিছে :-

পৰম্পৰাগত অস্পৃশ্যতাৰ পৰা উদ্ভৱ চৰম সামাজিক, শিক্ষাগত আৰু আৰ্থিক অনুন্নত।

মুছলমান সম্প্ৰদায়ৰ অস্পৃশ্যতা সমস্যা নাই। মাইমাল সম্প্ৰদায়ৰ লোকসকল মুছলমান সেই কাৰণে তেওঁলোকৰ ক্ষেত্ৰত অস্পৃশ্যতাৰ সমস্যা নাই।

গতিকে, সেই সম্প্ৰদায়ক অসমৰ অনুসূচীত জাতি হিচাবে তালিকা-ভুক্ত কৰাৰ যোগ্য নহয়।

সেয়েহে মাননীয় বিধায়ক শ্ৰীৰামেন্দ্ৰ দে ডাঙৰীয়াই সদনত উত্থাপন কৰা প্ৰস্তাৱ গ্ৰহণ যোগ্য নহয়।

Mr. Chairman : Mr. Ramendra De, will you withdraw your resolution ?

Shri Ramendra De : I will not withdraw Sir.

Mr. Chairman ; Now I put the motion before the House " আসাম বিধান সভার এই অধিবেশনে প্রস্তাব করে যে আসাম রাজ্যে বসবাসকারী মৎস্যজীবি মুছলমান সম্প্রদায়কে তপশীল সম্প্রদায়ের মতো সুযোগ সুবিধা দেওয়ার জন্য যথাযথ আইন প্রনয়ন করা হউক।"

(Members from UMF and C.P.I (M) pressed for Division)

I order for division (Division Bell rang)

At 10.48 A.M. Mr. Deputy Speaker occupied the Chair and Mr. Chairman vacated it ).

Mr. Deputy Speaker : Now, I put the Motion before the House "আসাম বিধান সভার এই অধিবেশনে প্রস্তাব করে যে আসাম রাজ্যে বসবাসকারী মৎস্যজীবি মুছলমান সম্প্রদায়কে তপশীল সম্প্রদায়ের মতো সুযোগ সুবিধা দেওয়ার জন্য যথাযথ আইন প্রনয়ন করা হওক।"

(The motion is lost by voice votes.)

Mr. Deputy Speaker : Item No. 5, Shri Ramendra De.

শ্রীরামেন্দ্র দে ঃ উপাধ্যক্ষ মহোদয়, আমার প্রস্তাব হলো "আসাম বিধান সভার এই অধিবেশনে প্রস্তাব গ্রহণ করে যে আসাম রাজ্যকে ভয়াবহ বন্যায় হাত থেকে রক্ষা করার জন্য ব্রহ্মপুত্র ও বরাক নদীর বন্যা নিয়ন্ত্রনের বাস্তব বিজ্ঞান সম্মত বহুমুখী পরিকল্পনা নেওয়ার জন্য আসাম চরকার কেন্দ্রীয় সরকারের কাছে সুপারিশ করেন।"

উপাধ্যক্ষ মহোদয়, আমি মনে করি এই প্রস্তাব এই সদনে সর্বসম্মত ভাবে গৃহীত হবে কারন আসাম রাজ্যের বন্যা পরিস্থিতি বড়ই ভয়াবহ। এরই ফলে রাজ্যে অর্থনৈতিক সংকট গভীরতর হয়েছে। বছর বছর ছাড়াও প্রতি দশ বৎসরে এক একটা বিধ্বংসী বন্যা আসাম রাজ্যে হয়েছে। কিন্তু কেন্দ্রীয় সরকার বা রাজ্যিক সরকার বিগত ৪১ বৎসরে আসাম রাজ্যের বসবাসকারী মানুষকে এই ভয়াবহ বন্যার হাত থেকে রক্ষা করতে পারেনি। বরং রক্ষা করা দূরের কথা এই বন্যা প্রতিরোধ করার ক্ষেত্রে কোন বাস্তব বিজ্ঞান সম্মত পরিকল্পনা গ্রহন করতে পারেন নি। কারন বন্যা আসে বন্যা যায়। এই দৃষ্টিভঙ্গী থেকেই তারা এই সমস্যাকে দেখছেন। এদিকে এইসব ভয়ংকর বন্যায় লক্ষ লক্ষ মানুষ সর্বস্বান্ত হচ্ছে। রাজ্যের অর্থসংকট তীব্র হচ্ছে। অন্যদিকে কালোবাজারী, মুনাফাখোররা সুযোগে লাভবান হচ্ছে। এই ভয়ংকর অবস্থা থেকে জনসাধারনকে রক্ষা করতে সরকার সম্পূর্ণ ব্যর্থ হয়েছে। কেবল ব্যর্থতাই নয় সরকার একটা বিশেষ শ্রেণীর স্বার্থের জন্যই এসব সমস্যা সমাধান করতে চান না। কারন আমরা দেখতে পাই যে পৃথিবীতে বহু সমাজ তান্ত্রিক দেশ রয়েছে সে গুলিতে আরো বেশী তীব্র বন্যার সংকট থেকে দেশকে রক্ষা করে 'সুজলা সুফলা শষ্যশ্যামলা'য় পারনত করেছে। এটা কেবল অর্থনৈতিক সংকট বা সামাজিক সংকট নয় এটা একটা রাষ্ট্রীয় সংকট।

* Speech not corrected

অথচ গত ৪১ বৎসরে আসাম রাজ্যের এই ব্রহ্মপুত্র নদকে এবং বরাক নদীকে নিয়ন্ত্রণ করার জন্য একটা সুষ্ঠু পরিকল্পনাও গ্রহন করতে পারলেন না। আর বরাক নদী নিয়ন্ত্রনের ব্যাপারটাতো একটা রাজনীতির ব্যাপার হয়ে গেছে। বরাক ড্যাম হবে কি হবে না জানি না কেন্দ্র বলছে আমাদের পক্ষ থেকে দেওয়া হয়েছে রাজ্য সরকার করছে না কিছুদিন আগেও শিলচরে কেন্দ্রীয় সরকারের পক্ষ থেকে বলা হয়েছে যে বরাক ড্যামের ব্যাপারে ১৩৮ কোটী টাকা দেওয়া হয়েছে কিন্তু রাজ্য সরকার কিছু করছে না এটা অত্যন্ত দুঃখের ব্যাপার যে এতবড় একটা সমস্যা নিয়ে কেন্দ্র আর রাজ্য সরকার রাজনীতি করছে মহোদয়, বিগত বন্যায় রাজ্যের যে পরিমান ক্ষতি হয়েছে তাতো সকলেরই জানা। এই ক্ষতিপূরন নিয়ে রাজ্য সরকারকেও কম বিব্রত হতে হয় নি। আজ চেষ্টা করলে ব্রহ্মপুত্র বা বরাক নদীকে নিয়ন্ত্রন করা রাজ্য বা কেন্দ্রসরকারের পক্ষে অসম্ভব নয়। একটা বাস্তব বিজ্ঞান সম্মত পরিকল্পনা নিয়ে এগিয়ে আসলে কেবল যে মানুষ বন্যার কেবল থেকেই রক্ষা পাবে তা নয়। কেবল বরাক ড্যাম হলে হাজার হাজার হেক্টার জমিতে সেচের ব্যবস্থাও হবে। প্রচুর পরিমান বিদ্যুৎ উৎপাদন হবে আর ব্রহ্মপুত্র নদের বন্যা নিয়ন্ত্রন করলে তো আসামের অর্থনৈতিক চেহারাটাই বদলে যাবে আমার দৃঢ় বিশ্বাস যে বিগত ৪১ বৎসরে আসাম রাজ্যের বন্যা নিয়ে আসাম রাজ্যের মানুষের দুর্দশা নিয়ে, আসামের বন্যা-পীড়িত মানুষের মৃত্যুর আর্তনাদ নিয়ে কেন্দ্রীয় সরকার ও রাজ্য সরকার রাজনীতির খেলা খেলেছে। আজও কেন্দ্র এবং রাজ্য সরকার ব্রহ্মপুত্র আর বরাক নদীর বন্যা নিয়ে ক্রমাগত রাজনীতি করে যাচ্ছে। যার মাশুল দিতে হচ্ছে আসামের লক্ষ লক্ষ অসহায় মানুষকে। ফলে আসামের অর্থ নৈতিক সামাজিক সংকট তীব্র থেকে তীব্রতর হচ্ছে। তাই আমি বিশ্বাস করি আমার এই প্রস্তাব সর্বসম্মত ভাবে এই সদনে গৃহীত হবে। এই বলে আমি আমার বক্তব্য শেষ করছি।

Shri Binai Khungur Basumatary : Mr. Dy. Speaker, Sir, I also wish to support this resolution and wish to observe a few comments. Sir, every year we spent crores of rupees

because of floods. In fact we are so obsessed with the problems today that there is no department in the Government of Assam which is not involved into this annual recurrence of floods. Sir, this resolution has come before the House in time. Similar resolutions were also placed this House earlier and I remember during this 8th Assembly and in the last session a resolution was moved unanimously as raised by the Hon'ble member Mr. Tanti but we do not know what has happened as a result of that resolution. Now, sir, it is true that a tussle is going on between the State Government and the Government of India with regard to the Brahmaputra Flood Control Board. Sometimes this Board goes to the control of the Central Government and Sometimes for some reasons this Board comes under the Assam Government and after a few year it goes back to Central Government again. This itself clearly indicates that it is a problem which cannot be tackled by State Government and also by the Central Government. It is indirectly an admission of failure by both the Governments Central and the State. So, now we, as representative of the people of Assam think that it is a fit case where we move this resolution that the State Government must move the Central Government for adequate funds and for training of this river Brahmaputra and for controlling its flood in a practical and scientific way. Sir, it is not enough if we observe only the occurances or incidents of flood on the both banks of the river when we want to tackle the issue of flood from the Brahmaputra river than the entire valley of Brahmaputra and Barak should be taken into consideration. Now sir, we have expressed our concern for the depletion of forest and this depletion has affacted our sub mountain rivers the rivers which come down to breach, its

banks in a rush with earth, stones and sands.

Shri Charan Narzary : Sir, there is a point of order. The Flood Control Minister is absent, who is taking note of the observations made by the Speaker, who is taking note of.

Shri Surendra Nath Medhi (Minister), : I am taking note of his observations.

Shri Binai Khungur Basumatari : So, sir this is also a point to be noted by the people of Assam. we have observes that gradually the Ministry seems not to be engrossed with the affairs of the State. In fact, the situation is repeatedly salvaged by our Minister of Parliamentary Affairs and I think, he is now the sheet-anchor of the Ministry. Sir, the problem is when the rains flow in the small turbulents and rivers in the sub-mountain areas, they bring with flood waters stones, pebbles, sands etc. Some years ago some of the engineers of the State had come out with a noble idea that to irrigate the sub-mountain areas sluiee gate should be errected. Now what has happened, at least in my constituency I have seen and all over north bank and hundreds of sluice gates have been errected. Now most of the sluice gates are closed during rainy season and as a result, the areas a head of the sluice gates are inundated. In Lakhimpur district and also in some areas of Darrang district some of the river-beds have come higher than the areas of both sides of the river. Now, if the river-bed itself is higher than the alluvial agricultural soil of the both banks of the river, in future the water from the mountains will not come along the course of the river but it will flow over the alluvial cultivable soil and as a result, in my constituency during the last few years we have lost hundreds of acres of good cul-

tivable land and we have lost it permanently which has resulted in unproductiveness of our agricultural products. This has directly affected the living condition our people in the north bank, not only that, these rivers are so ferocious that thay erode and eat up good lands on both sides of the river. So, the time has come now to decide if we should continue with this system of sulice gate. Sir, there was a big meeting last year after the floods, convened by the leader of this House, wherein I had specifically that it is high time now that this sluice gate system should be discontinued. The second point that, we have to consider is along with this still come from the small rivers which are deposited in the big river Brahmaputra as a result the river bed of Brahmaputra has come up So, we feel that the river Brahmaputra should be dredged. A few years back, two dredgers were purchased for this river. But ultimately these dredgers were returned. These were purchased by the Government of Assam and later on, the Government of Assam itself decided against these dredgers. So we are in a ludicrous position- whether our engineers are at all capable of doing this work or not. Sometimes we say dredgers are good, sometimes we say it is useless. The main thing is that these dredgers are too big but there are smaller dredgers also. Now if we want to control this river there is no alternative except dredging. This resolution may be adopted otherwise the inundation on the both banks of the river will increase. This opinion I have expressed is a layman's opinion, with simple knowledge of basic technicalities. But this cannot be expected as the opinion of the expert. Now this Government was elected with a hope that the basic problems of the people of the state will be removed but meantime 3 and half years have gone by, and we have not seen a clear policy decision of this Government on this issue.

Rather the most unfortunate thing is that the Government officers have used this issue of flood as a process of milking the State. Sir subsequently, we have seen that because of the accurance of the flood every year, we are to import rice from other States through STATFED and for two consequitive days we have seen in the news paper how the Managing Director and the Chairman have been squandering our money in Five Star Hotels in Delhi.

It is a clear indication that this Government is involved in corruption even in works for flood. The Government and its officials have created these problems in the State. One Minister had to resign on some grounds like in the potato scandal. Today it has come to light the rice scandal. The Agriculture Department is also involved with the placings of false orders for aforestation coconut plantation, pineapple plantation sugarcane plantation and so on and so forth. Then Sir, shall we say that, this is not the basic issue of the Flood Control of the State whether or not to involve into corruption ? Shall we say that this flood gives opportunity to everyone of us for corruption ? Are we concerned that the flood has made people homeless and landless. So Sir, the Government has not been able to do anything for the people. Mr. De has timely brought a Resolution to point out to the Government that they have failed miserably to save the life and hearth of the people Therefore Sir, I feel that this Resolution is proper and is in appropriate time. This clear Resolution has given a mandate that the State Government and the Central Government should come together to solve this problem, and should not convert this flood problem into a political issue. With these Sir, I support the Resolution.

Mr. Deputy Speaker : Now Shri Sahidul Islam.

* শ্ৰীশ্বহিদুল ইচলাম : মাননীয় উপাধ্যক্ষ মহোদয়, মাননীয় সদস্য শ্ৰীৰামেন্দ্ৰ দেৱে যিটো প্ৰস্তাৱ উত্থাপন কৰিছে মই তাক সমৰ্থন জনাইছো। মহাবাহু ব্ৰহ্মপুত্ৰ কবিৰ ভাষাত মহামিলনৰ তীৰ্থ কিন্তু আজি সেইটো হৈ উঠা নাই। বৰ্ত্তমান বিজ্ঞানৰ যুগ। কোনো জাতি কোনো ধৰ্ম কোনো ভাষা কোনো সভ্যতাই বিজ্ঞানক বাদ দি আগবাঢ়ি যাব নোৱাৰে। যিয়েই পৃথিবীৰ চৰম সীমাত উপনীত হৈছে সেয় একমাত্ৰ বিজ্ঞানৰ জৰিয়তে। চন্দ্ৰলৈ মানুহ যাব পাৰিছে কিন্তু ব্ৰহ্মপুত্ৰক কিয় নিয়ন্ত্ৰন কৰিব পৰা নাই কাৰণ ভাৰত চৰকাৰ আৰু অসম চৰকাৰৰ এইটো এটা ৰাজনীতি। আজি দেশ স্বাধীন হোৱাৰ ৪১ বছৰ পাছতো এনেধৰণৰ ৰাজনীতি চলি আছে। এই ব্ৰহ্মপুত্ৰ নিয়ন্ত্ৰনৰ কাৰণে এখন অফিচ পাতিছে "ব্ৰহ্মপুত্ৰ ফ্লাড কণ্ট্ৰোল বোৰ্ড' কিন্তু মই ভাবো ব্ৰহ্মপুত্ৰ ফ্লাড কণ্ট্ৰোল বোৰ্ড নহয় ৰাইজৰ এয়া ব্লাড কণ্ট্ৰোল বোৰ্ডহে। এই অফিচত কাম কৰা প্ৰত্যেকজন কৰ্মচাৰীয়ে স্বৰ্গপুৰী বনাইছে। ডাঙৰ ডাঙৰ বিল্ডিং বনাইছে। অথচ ব্ৰহ্মপুত্ৰ নিয়ন্ত্ৰন কৰিব পৰা নাই। ইয়াত যিবিলাক টকা খৰচ কৰা হৈছে তাৰ ভিতৰত চাৰিভাগৰ একভাগহে কামত লাগিছে। বাকী তিনিভাগ ৬০:৪০ হিচাবত অপব্যয় হৈছে। তাত যিবিলাক মাষ্টাৰৰোলত কাম কৰা মানুহ আছে তেওঁলোকক ঠিকমতে পেমেণ্ট নকৰে। মই ভাবো এই বিভাগটো যদি দুৰ্নীতি বিভাগ শাখাত দিয়া হয় ইয়াত কাম কৰা প্ৰত্যকজন বিষয়াই দুৰ্নীতিৰ কাৰণে কৰাঘৃত হব। এইটো মই স্পষ্টকৈ কব পাৰো যে ব্ৰহ্মপুত্ৰ নিয়ন্ত্ৰনৰ ক্ষেত্ৰত যদি বিজ্ঞান সন্মত আচঁনি লোৱা নাযায় তেনেহলে হৰপ্পাৰ সভ্যতা যেনেদৰে এসময়ত বিলীন হৈ গৈছিল মহাপ্ৰলয়ৰ জৰিয়তে সেইদৰে আমাৰো এদিন অন্ত পৰিব। যোৱাবাৰ যি প্ৰলয়ংকাৰী বানপানী হৈ গ'ল এইবোৰো যদি বাধা দিব পৰা নাযায় তেনেহলে অসমৰ সংস্কৃতি, অসমৰ সভ্যতা স্মৃতিৰ বুকুত বিলীন হৈ যাব। বিজ্ঞানৰ জৰিয়তে যদি চিনৰ হোৱাংহো নদী নিয়ন্ত্ৰন কৰিব পাৰে তেনেহলে আমাৰ ব্ৰহ্মপুত্ৰ নদী কিয় নোৱাৰে। তাহানি আহোম ৰজাৰ দিনত গড়বন্ধা নিয়ম আছিল আজিও সেই আওপুৰণি নিয়মটোকে চৰকাৰে আপোন কৰি মঠাউৰী বান্ধি আছে। এইটো বিজ্ঞানসন্মত নহয়। যদি বিজ্ঞানসন্মত ভাবে এতিয়াও এখন মাষ্টাৰ প্লেন কৰা নহয় তেতিয়াহলে ব্ৰহ্মপুত্ৰ নদী

* Speech not corrected

কেতিয়াও নিয়ন্ত্রন কৰিব নোৱাৰে। পানী আমাক লাগে। পানী নহলে কোনো প্ৰাণী জীয়াই থাকিব নোৱাৰে। যদিহে এই পানীৰ উচিত ব্যৱস্থা কৰা হয়। এই পানীৰ পৰা বিজাৰ্ভাৰ কৰিব পাৰি বিদ্যুত সঞ্চাৰিত কৰিব পাৰি খেতিবাতিত লগাব পাৰি। এই পানীৰ লগতে বালি আছে। এই বালি আৰু শিল আমাৰ বৰ মূল্যবান বস্তু আমি আমাৰ দৈনন্দিন কামত ব্যৱহাৰ কৰিব পাৰো। পলাশে খেতি শস্যশ্যামলা কৰে। কিন্তু আজি আমাৰ কাৰণে পানী হৈছে অভিশাপ। পানী আশীৰ্ব্বাদ স্বৰূপে আহিব পাৰে যদিহে অসমৰ প্ৰত্যেকটো বিভাগ এই বিভাগৰ লগত মিলিত হৈ এখন মাষ্টাৰপ্লেনৰ সুচনা কৰে। আৰু বিজ্ঞানসন্মতভাবে ইয়াক কাৰ্য্যকৰী কৰে। যদি এইটো কৰা নাযায় আমাৰ পবিত্ৰ সদনৰ ১২৬জন বিধায়ক প্ৰত্যেকজনে বাইজৰ দুৰ্দ্দশাগ্ৰস্থৰ পৰিস্থিতিৰ সন্মুখীন হব। এই মাষ্টাৰ প্লেনৰ অভাবতে বাটঘাট ভাঙি গৈছে, স্কুল কলেজ ভাঙি গৈছে সকলো লোকে বিত্তীয় সংকটৰ সন্মুখীন হৈছে। মোৰ সমষ্টিৰ যোৱা বাৰ ১৫ টা পৰিয়াল (ধনী) ক্ষতিগ্ৰস্থ হৈছে তেওঁলোকৰ বিল্ডিং, খেতি-বাতি সকলো নষ্ট হৈছে। আজি সেই ধনী পৰিয়াল ভিখাৰী অৱস্থাত আছে। গতিকে মই ভাবো এই পৰিস্থিতিৰ কাৰণে অসমৰ প্ৰত্যেকটো বিভাগে দায়ী। এই ক্ষেত্ৰত ১২৬ জন বিধায়কে এই বিষয়টো বা প্ৰস্তাৱটো সমৰ্থন কৰিব বুলি আশা কৰিলো। যদিহে এই মাষ্টাৰ প্লেনত বা প্ৰস্তাৱত সকলোৱে অনুমতি নিদিয়ে তেনেহলে অসমৰ সংস্কৃতি সভ্যতা কেতিয়াও ৰক্ষা নপৰিব। কাৰণ বান নিয়ন্ত্ৰনৰ লগত অসমৰ আৰ্থিক অৱস্থাৰ উন্নতি, সাংস্কৃতিক উন্নতি আদি সকলো দিশ জড়িত আছে। ব্ৰহ্মপুত্ৰ আৰু বৰাক নদী নিয়ন্ত্ৰনৰ কাৰণে উপযুক্ত মাষ্টৰ প্লেন কৰিব লাগিব। আজি যিখন বান নিয়ন্ত্ৰন বৰ্ড বহিছে আচলতে মই কবলৈ গলে এই খন বাননিয়ন্ত্ৰন বৰ্ড নহৈ ৱাদ নিয়ন্ত্ৰন বৰ্ডহে হৈছে এই বৰ্ডে দুখীয়া মানুহৰ তেজ শোষণ কৰাৰ বাহিৰে বাকী আন আৰু একো কাম কৰা আমাৰ পৰিলক্ষিত হোৱা নাই। আজি যি দৰে পৃথিবীৰ ডাঙৰ ডাঙৰ নদী যেনে মিচৰৰ নীল নদী, চীনৰ হোৱাংহো নদী নিয়ন্ত্ৰন কৰি মানুহৰ দুখ দুৰ্গতি আতৰ কৰিছে সেই দৰে আমাৰ ব্ৰহ্মপুত্ৰ নদীৰ নিয়ন্ত্ৰন কৰি আমাৰ বাইজৰ দুখ দুৰ্গতিৰ পৰা মুক্ত কৰিব লাগে। ইয়াৰ কাৰণে আমাৰ সকলো সদনৰ

* Speech not corrected

সদস্য একমত হৈ কেন্দ্ৰীয় চৰকাৰৰ ওচৰত দাবী উত্থাপন কৰিব বুলি আশা কৰি মই মোৰ বক্তব্যৰ সামৰণি মাৰিছো।

